# Centre for Studies in Social Sciences, Calcutta

## Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006

| | |
|---|---|
| Record No: 2006/ 52 | Language of work: Assamese |
| Author (s) / Editor (s): ✓ Chandradhar Barua | |
| Title: আসাম-সাহিত্য-সভা-পত্ৰিকা | |
| Transliterated Title: Āsaāma Saāhaitaya Sabhaā Patarakaikaā | |
| Translated Title: Magazine of Asam Sahitya Sabha | |
| Place of Publication: Jorhat | Publisher: Asam Sahitya Sabha - Jorhat |
| Year: 1928-29 (1849-50 Sak) | Edition: |
| Size: 23 cms - 4+230 pages | Genre: Magazine |
| Volumes: 8 - 4 issues | Condition of the original: good. |
| Remarks: The magazine was 1st published in the year 1927 and has been continuing | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |

# আসাম সাহিত্য-সভা-পত্ৰিকা।

পুহ—ফাগুন, ১৮৪৯—৫০

দ্বিতীয় বছৰ ] মুঠ সংখ্যা—৬ [ দ্বিতীয় সংখ্যা


## কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাৰ ৰাজনীতি।

মহামন্ত্ৰী কীৰ্ত্তিচন্দ্ৰৰ দেশানুৰাগ স্বাধীনচিন্তা আৰু ৰাজনীতিজ্ঞানৰ পৰিচয় বৰবৰুৱাই লক্ষ্মীসিংহক বিবুধি কালত দিয়া পৰামৰ্শ আৰু মন্ত্ৰণাৰপৰা আমি ভালকৈ পাওঁ। মৰাণে অবীতীয়া ভাবে বিদ্ৰোহৰ নিচান তুলি স্বৰ্গদেৱৰ সৈন্যক পৰাস্ত কৰি আহোম ৰাজকোঁৱৰক লোকদৰ্শক ৰজা পাতি প্ৰজাবোৰক ছল-চক্ৰান্তেৰে বৰাই ৰংপুৰৰ মুখে আগ বাঢ়িবলৈ ধৰিলে। কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাই পৰামৰ্শ দিলে, চিন্তামনি গড়ত আশ্ৰয় লৈ তাতে পৰা মৰাণ মৰাৰ আয়োজন কৰিব লাগে। স্বৰ্গদেৱে একো উপায় নাপাই পাত্ৰ, মন্ত্ৰী, বৰবৰুৱা, ৰাজমাও দেৱতা আৰু আইকুঁৱৰীদেউ সকলোৰে সৈতে ১৬৯১ শকৰ আঘোনৰ ৮ দিন যাওঁতে শনিবাৰে ৪ দণ্ড বেলা হ'লত, সোণ ৰূপ অলঙ্কাৰৰ পেৰা আৰু আন মূল্যবান বৰবস্ত্ৰ আৰু চোমদেউ আদি কুলদেৱতা লগত লৈ, ৰংপুৰ এৰি সোণাই নৈৰ বাহৰেদি, তাহানি ১৬০০ শকৰ ফাগুন মাহত আতন বুঢ়াগোঁহাই ৰাজমন্ত্ৰী ডাঙৰীয়াই বন্ধোৱা লাইমাৰী বা চিন্তামণি গড়ত ৰাতি ১৪ দাঁড় মান হ'লত আশ্ৰয় ললেগৈ। বাটত আহোঁতে ছুলীয়াই নিদ নোৱাৰাত আৰু বিচাৰি হাতী আৰু মাউত নোপোৱাত আইকুঁৱৰীদেউ-সকল মাটিয়েই খোজ কাঢ়ি যাব লগাত পৰিছিল। চিন্তামণি গড়ৰ অৱস্থাও বৰ ভাল নাছিল। গড়বোৰ ঠায়ে ঠায়ে ভাগি পৰিছিল। চাওৰো ঠায়ে ঠায়ে ভগা। লগত নিয়া কাপোৰ আৰু গড়ত পোৱা কাপোৰ তৰি আইকুঁৱৰীসকলক আঁৰকাপোৰৰ ভিতৰত থোৱা হ'ল। স্বৰ্গদেৱ আৰু গোঁহাইদেৱসকলক চাংমাই বৰুৱাই কোনো পধ্যে ভাত এমুঠি ৰান্ধি খুৱালে, আন লোকৰ খাবলৈ একো নহল। স্বৰ্গদেৱৰ ওচৰতে মাথোন বন্তি এগছ আছিল, লগৰ মানুহে গড়ৰ খৰিৰে জুই ধৰি পহৰীয়া হৈ আছিল। ৰাতি দুভাগ মান যাওঁতে তাৰে পৰা ফিৰৈৰ শব্দ শুনা গ'ল।

ইতিমধ্যে মৰাণে আহি ৰংপুৰ অধিকাৰ কৰে। স্বৰ্গদেৱ আৰু তেওঁৰ পৰিয়ালৰ বিপদ দেখি বৰফুকন,

নকৰুকন আদি বিষয়াসকলে মৰাণক ধৰাটোহে ভাল বুলি স্বৰ্গদেৱক পৰামৰ্শ দিলে। কিন্তু এই প্ৰস্তাৱত কীৰ্ত্তিচন্দ্ৰৰ সন্মতি নাছিল। বৰবৰুৱাৰ মতে স্বৰ্গদেৱ কলিয়াবৰলৈ ভটিয়াই যোৱাটোহে ভাল আছিল, কাৰণ কলিয়াবৰত স্বৰ্গদেৱে যুদ্ধৰ আয়োজন সংগ্ৰহ কৰিবলৈ সুবিধা পালে হেতেন, যিহেতু সেই অঞ্চলত মোৱামৰীয়াই তেতিয়াও সিমান প্ৰতিপত্তি পোৱা নাছিল।

কলীয়াবৰলৈ যোৱাৰ আয়োজন কৰিবৰ কাৰণে নাও-নাৱৰা বিচাৰি বৰবৰুৱা স্বৰ্গদেৱৰ লগ এৰি গল। পাচে স্বৰ্গদেৱে বৰবৰুৱাক বিচাৰি নোপোৱাত, বৰবৰুৱাই স্বৰ্গদেৱক আপদত লগ এৰি নিজে পৰিত্ৰাণ পাবলৈ চেষ্টা কৰিছে বুলি বৰফুকনে স্বৰ্গদেৱক জনালে ;—

"বৰবৰুৱাই মৰাণৰ লগ লৈছেগৈ। বৰবৰুৱাই তেনে কাম কৰিব নালাগিছিল। আগেয়েতো প্ৰজাসকলে বুলিছিল ; বৰবৰুৱা ডাঙৰ মানুহ, কাৰ্য্যতো দক্ষ, এনেজন থাকোঁতে শত্ৰুৰ ভয় নাই। মন্ত্ৰণাৰ বলে কছাৰী ৰজাৰ ঘাৰে দলায়েক সন্ধিকাৰী এজনা, মন্ত্ৰৰা যুদ্ধত ভঙ্গ হৈ কছাৰীৰ মাটিত থকা মেখেলীৰ জয়সিংহ ৰজা এজনা, এই দুজনাক বিনাযুদ্ধে আনি স্বৰ্গদেৱক সেৱা কৰাই কীৰ্ত্তিচন্দ্ৰ নাম ললে, গোহাঁইবোৰৰ সন্মান পালে, আৰো-ৱান খনিহে নললে। এতিয়া মৰাণ কেউপাশে ; বলে নোৱাৰি ৰজাপ্ৰজাক ৰংপুৰ নগৰৰপৰা সোনাৰীলৈ নৈ পলুৱাই আনি শৰীৰ ৰক্ষা কৰিবৰ নিমিত্তে ৰজাপ্ৰজা সকলোকে এৰি সপৰিয়ালে পলালে।, এতেকে জানিলো বৰবৰুৱা ডাঙৰ লোক হৈ অপায় কালত শৰীৰ মোহত থাকি সকলো নীতিমন্ত্ৰণা মৰ্য্যাদা, অভিমান এৰি বিশ্বাস ঘাতক আদি পাপলৈকো ভয় এৰি ৰজাপ্ৰজা এৰি পলাল। এইটো কালৰ হে বিক্ৰম।"

ইয়াৰ কিছুপৰৰ পাচতে নাও-নাৱৰা বিচাৰি একো যুগুতি কৰিব নোৱাৰি নিষ্প্ৰাণ হৈ বৰবৰুৱা স্বৰ্গদেৱৰ আগত ওলালহি। তেওঁ নথকাত তেওঁৰ বিষয়ে অপবাদ কৰাৰ কথা শুনি বৰবৰুৱাই মৰ্ম্মান্তিক বেজাৰ পালে। বৰবৰুৱাই ক'লে ;—

"নাও বিচাৰি ঢেকিয়াল ফুকন আৰু ঢেকাৰবৰুৱা গ'ল, তেও নাও নাপালেহি, ময়ো মানুহ দি বিচৰাইছোঁ। আৰু মই স্বৰ্গদেৱৰ বন্দী—কায়বাক্যমনে। স্বৰ্গদেৱৰ চৰণৰ বিনে আনক নাজানোঁ। শ্ৰীচৰণতে শৰীৰ পৰি[...] তথাপি স্বৰ্গদেৱৰ লগ কিয় এৰিম ? মন্ত্ৰীৰ লগত স্বৰ্গদেৱ তিনি বস্তুৰ গুৰু, তাতে, মোতে সকলো বিশ্বাস-ভাৰসাও কৰি[...] আছে। স্বৰ্গদেৱক এৰিলে এইবোৰ পাতকে পায়, ই কথা ই শৰীৰে নকৰোঁ। তথাপি বৰবৰুৱা পলাল বুলি স্বৰ্গদেৱে শুনিছে। ই কালত যেনে কথা শুনিব নেপাইছো ই কথা স্বৰ্গদেৱে শুনি বুজিব।"

এনেতে যাদ তামুলীৰ পুতেক ৰামকৃষ্ণই কেপনমাৰ নাও ঠিক কৰি অহাৰ বাৰ্ত্তা দিলে। তাৰ পাচনি মৰাণৰ লগ লোৱা মোহনমালা কোঁৱৰৰ বৰটি জীয়েক ডুবৰাৰ গোপেশ্বৰৰ ঘৈনীয়েকে তেওঁৰ বৰতীয়া হৰাপোৱা মুখে খুৱাদেৱেক লক্ষ্মীসিংহ স্বৰ্গদেৱলৈ কৈ পঠিয়ালে,— "স্বৰ্গদেৱলৈ মৰাণৰ একো কথা নাই। মৰাণৰ বৰ-বৰুৱালৈহে খং।

এই কথা শুনি স্বৰ্গদেৱে অন্যান্য মন্ত্ৰীসকলেৰে পৰামৰ্শ কৰি মৰাণক ধৰিবলৈ অভিপ্ৰায় কৰিলে। তাকে শুনি সত্তৰি বছৰীয়া বুঢ়া ৰাজনীতিত অভিজ্ঞ কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাই স্বৰ্গদেৱক সেনত তলত দিয়াৰ দৰে নিজৰ মতামত জনালে। কীৰ্ত্তিচন্দ্ৰৰ উক্তিৰ পৰা বৰবৰুৱাৰ প্ৰগাঢ় ৰাজনীতিজ্ঞান, দেশপ্ৰেম, মানৱচৰিত্ৰৰ অভিজ্ঞতা ৰাজাৰ বিবুধি কালত বিচক্ষণ উপস্থিত বুদ্ধি, কোনো এটা সমস্যাৰ আগগুৰি পৰিমান আৰু ভূতভবিষ্যত কঁহিয়াই দেখুৱাব পৰা শক্তি, আৰু অসমীয়া গদ্য ভাষাৰ ওজস্বিনী শক্তিৰ পৰিচয় পাঠকে পাব পাৰিব।

## কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাৰ পৰামৰ্শ।

"স্বৰ্গদেৱ, কালি স্বৰ্গদেৱ আছোঁতে স্বৰ্গদেৱৰ লগ[...] নাতি অনেক থাকিল। কোনোবোৰে অহাখনিকে নাজানিলে, কোনোবোৰে জানিও নাহিল। স্বৰ্গদেৱৰ লগতো অনেক আছিল, পাচে, তাৰে কোনোবোৰে বাটেৰে পৰা উলটিলে, কোনোবোৰে বাহৰ পায়েই ৰাতিয়েই গ'ল। কোনোৱে পুৱাতে গ'ল; যিখিনি আছে, থাকিলে পালেহে লগ নেৰিব। ইহঁতকো স্বৰ্গদেৱৰ চৰণত প্ৰাৰ্থনা কৰি ৰূপ লিয়াইছোঁ, ৰূপ লৈয়ে কেতবোৰ গ'ল। নগৰ মানুহ পাতল হ'ল।



"মৰাণে ধৰিবও পাৰেহি। এতেকে ধৰিবলৈ নৌ পাওঁতেই শীঘ্ৰে দিহিঙৰ পাৰ হ'লেহে ভাল। সিপাৰে স্বৰ্গদেৱৰ বন্দীবেটী অনেক আছে। সেই ভকতবোৰে সৈতে মানুহ-দুনুহ চপাই লৈ, দীঘলীশালৰ নাও ময়াই লৈ সেয়েবেও, সত্ৰ সভাৰ চহৰীয়াবো ভাৰী নাৱে সৈতে লৈ, আউনীআটী বেঙেনাআটী আৰু যাক পায় সেইবোৰবো ভকত আৰু নাও লৈ সেৰগাওঁ পোৱা যাব। শাগৰো নাও দেবালবো মানুহ কলীয়াবৰলৈ যাব লাগে। কলীয়াবৰত স্বৰ্গদেৱৰ সকলো আহিলা আছে। স্বৰ্গদেৱৰ বন্দীবেটী হাতী অনেক আছে, মৰঙ্গীতো আছে, সেইখিনি ওজনাও আছে। এইবোৰক তাতে সষ্টম হৈ থাকি গুৱাহাটীৰপৰা ফুকন ৰাজখোৱাৰে সৈতে আনপনি আনি মৰাণক মাৰিব পাৰিম।

"ক্ষত্ৰিয়ৰ ধৰ্ম্ম, শৰীৰ থাকেমানে যুদ্ধ কৰিব। জয় লভিলে ৰাজভোগ হয়, যুদ্ধত পৰিলে স্বৰ্গভোগ হয়। শৰীৰৰ লগত কাতৰ হলে পৰলোকলৈকো পাপ হয়, ইহলোকতো পৰাধীন হয়, লোকৰ আজ্ঞাত প্ৰবৰ্ত্তি অনেক ভয় লাজ ক্লেশক পায়। মৃত্যু বাঞ্ছা কৰি থাকিব লগা হয়। অতি কুচিৎ দুখ। আৰু পৰদেশৰ ৰজাৰ হাতত পৰাজয় হলে, চাতুৰ হৈ তাক নিবন্ধ কৰি লৈ ৰক্ষা কৰিলে ভাল আছে, যাতে সি নিবন্ধ কৰি স্বদেশলৈ যায়। আৰু সেনায়ে সৈতে সষ্টম হৈ থাকি সুদিন হলে তাকে জিনি পূৰ্ব্বপদত স্থিতি হব পাৰে। যিহেতু জয়-পৰাজয়ৰ সেয়েই কাৰণ। এতেকে কাল ৰক্ষিবৰ নিমিত্তে কাতৰতো আগেয়ে প্ৰবৰ্ত্তি গৈছে, সম্প্ৰতিও প্ৰবৰ্ত্তিছে, আগলৈকো প্ৰবৰ্ত্তিব।

"অতি কুচিৎ মহাম্লেচ্ছ আমি স্বৰ্গদেৱৰ সেৱকৰ সেৱক। আমাৰ সেৱকৰ সেৱকত্বহে তাৰ সেৱা ঘটিছিলে। তেনেত উপমা নকৰাকৈ শৰীৰ এৰাকেহে প্ৰশস্ত দেখি। যেন অন্যদাসে স্বামীজনক দাস কৰি সেই গৃহক্ষেত্ৰত স্বামী হৈ প্ৰবৰ্ত্তিলে স্বামীজনৰ মৰাহে প্ৰতিকাৰ, আতকৈ উপায় আন ৰূপ নাই। আৰু কোনো-মতে যদি মৰাণক ধৰিবলৈ কয়, ধৰিলেও এই ৰূপহে হব। মৰাণে এই ভোগ পালে সন্তানৰ কুচিৎ ভোগ কৰিবলৈ কিয় যাব ?

"আৰু মৰাণ দুষ্টলোক, অনেক দুষ্টে তাৰ লগ লৈছেগৈ, ই ঠাইত যিবোৰ দুষ্টলোক আছে এইবোৰ তাতোকৈ চতুৰ। ইহঁতে উত্তম লোকৰ সঙ্গত ফুৰি নীতি পাই শুনি দেখি আছে, এইহঁতেও তাৰ লগ লৰহে। এইবোৰকে ইঠাই হলে দুষ্টৰ উন্নতি হৈ—অধৰ্ম্মে দেশ জুৰিব, ধৰ্ম্ম নীতিক লোপ কৰি সন্তুশিষ্ট উত্তম লোকক নষ্ট কৰিব। কোনোবোৰে সুধৰ্ম্ম এৰি, দুষ্টৰ পালন হৈ তাৰে ধৰ্ম্ম আচৰিব, এতেকে ধৰ্ম্মত প্ৰৱৰ্ত্তা উত্তম। লোকৰহে কবুলো কয়, কতো বা ৰয়। দুষ্ট লোকক কবুলকাতৰ কোনো কালত নকয়। এতেকে উত্তম লোকে দুষ্টলোকৰ বাক্যত কোনো কালত বিশ্বাস কৰি যোৱা নাই। এতিয়া যদি দুষ্টৰ বাক্যত বিশ্বাস কৰা যাব, কদাচিতো তাৰপৰা শুভ নহয়, অশুভহে হ'ব, সন্তশিষ্ট উত্তম লোকৰ প্ৰলয়হে হব। এতেকে স্বৰ্গদেৱে ই কথা নকৰিব।

"আৰু কোনো সকলে কয়,—'বৰবৰুৱালৈহে মৰাণৰ খং, বৰবৰুৱাকহে মাৰিব। স্বৰ্গদেৱৰো, দেশৰ লোক কাৰো একো নাই, কাকো একো নকৰে। মৰাণ ৰজা হোৱাও নাই, ৰৰজনা গোহাঁই দেৱৰ পুতেকটিকহে ৰজা পাতি আনিছে।' ই কথা মিছা। আৰু স্বৰ্গদেৱে শুশুনিব—নপতিয়াব। এইটো দুষ্টলোকৰহে ফন্দ—উপায়"।

"মোৰ মাতৃহে ভালৰূপে জানি আহিছে, থোড়া মৰাণে কৈছে গোহাঁইৰ পুতেকক পাতিছে ৰজা। বৰ-জনা গোহাঁইদেৱক ৰজা পাতিম বুলি ফন্দেৰে চপাই লৈ তেওঁক আগত থৈ দেশকে ধৰাই মৰাণে কয়, —'বৰজনা গোহাঁইদেৱলৈ অস্ত্ৰ ধৰিব যি পাৰে, ধৰক, পোৱে পুতেও নৰংশে কাটিব। জিকিলেও ৰাজদ্ৰোহ হব।' এতেকে সি দুষ্টলোকৰ ফন্দহে।"

"সেৱকৰ স্বৰ্গদেৱহে ঈশ্বৰ। স্বৰ্গদেৱৰ যি আজ্ঞা তাকে আচৰাহে ধৰ্ম্ম, নাচৰিলেহে ৰাজদ্ৰোহ হয়। ফন্দেৰে মোক বিপৰীত কৰিছে, আৰু স্বৰ্গদেৱলৈ সাক্ষাতে অস্ত্ৰ ধৰি আহিছে। গোহাঁইদেৱ বুলিহে কৈছে যদি মহা গুৰুজন হলেও তাক নষ্ট কৰিব লগা, নষ্ট নকৰিলে দোষ পায়। দুষ্টৰ সঙ্গত থাকি ভাল লোকো গমিব নোৱৰাকৈ মৰাণৰ সঙ্গতি হৈছেগৈ। শত্ৰুৰ সঙ্গতি হলে ৰাজদ্ৰোহ পাতক অৱশ্যে সিদ্ধি হ'ব। তাত ভ্ৰম নাই।

আৰু "মৰাণ ৰজা হোৱাৰ সাক্ষাত প্ৰমাণ হৈ আছে। সত্ৰসভাত দেৱদেৱালয়ত ব্ৰাহ্মণত অপঘাত কৰি আহিছে। স্বৰ্গদেৱৰ বংশৰ ৰজা হলে এই সকলক সন্মানহে কৰিলে হেতেন, কদাচিতো অপঘাত নকৰে। দুষ্টৰ কন্দত পৰিহে কোনোসকলে আকে স্বৰূপ বোলে।"

"আৰু মৰাণে মোক মাৰি আনক এৰিব এইখিনি নহয়, স্বৰ্গদেৱে তাক নপতিয়াব। বিশেষতঃ, দুষ্টলোকে উত্তম লোকক মিত্ৰ কৰি কোনো কালে মনা নাই। দুষ্টৰ ক্ষমা ধৰ্ম্ম নাই। এতেকে কোনো নবৰ। স্বৰ্গদেৱৰ একো নাই, মনত বহুত অসন্তোষ পাব, বন্দীবেটীও পাব, তেতিয়া আমাৰ নিচিনা বন্দীবোৰ গোটাব নোৱাৰিব। আৰু মানুহে অনেক ব্যপাৰ কৰিও একুৰি পাইকৰ বৰা হয়হে, আমাক এশ পালেও দ্ৰব্য ব্যয় কৰিও তাকে ৰাখে, এৰিব নোৱাৰে। যদি মৰাণে ৰাজচক্ৰৱৰ্ত্তীৰ পদ পায় তাক এৰি হাটীলৈ যাব বুলি যদি কোনোবোৰে কয়, তাক স্বৰ্গদেৱে নপতিয়াব।"

"এতেকে যেই সেই ৰূপে স্বৰ্গদেৱে মৰাণে নোপোৱাকৈ কলীয়াবৰলৈ শীঘ্ৰে যাব লাগে। আজিটো থাকিলেও কালিলৈ ই ঠাইত মৰাণে ধৰিবহি। মৰাণে পালেহি স্বৰ্গদেৱৰ লগত অহা বন্দীবেটীও আঁতৰিব। ভাল-লোককো কোনোক মাৰিব, সকলো উপায় কাৰ্য্য গুচিব। এতেকেহে শীঘ্ৰ কৰিবলৈ প্ৰাৰ্থনা কৰিছোঁ। আজ্ঞা কৰিব লাগে।"

## বৰফুকনৰ পৰামৰ্শ।

কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাৰ পৰামৰ্শ শুনি বৰফুকনে কলে,—

"বৰবৰুৱাই যিখিনি কৈছে, সকলোখিনি শাস্ত্ৰোক্তি—নীতিপৰ। আৰু আচৰিব লাগে। কলীয়াবৰ পালেগৈ সকলো উপায় হব। কলীয়াবৰলৈ যাবলৈ নাও নহলে কিহেৰে যোৱা হব? ভাৰী নাও পাইছে একেখনি। স্বৰ্গদেৱ, গোহাঁইদেউ, ৰাজমাওদেউ, আইকুৱঁৰীদেউসকল, আইবোৰো আছে। তাত কোন যাব? ভাৰী নাৱত গাকৈ মৰাকৈ তুলিবকো নোৱাৰি। যদি ভাৰী নাৱত স্বৰ্গদেৱ গল, স্বৰ্গদেৱৰ লগত স্বৰ্গদেৱৰ বন্দীবেটী তুমি আমি অনেক আহিছোঁ, এইবোৰ স্বৰ্গদেৱৰ লগত কিৰূপে যাব? যাব নোৱাৰিলে, সিহঁতে লগ নৌ এৰোঁৱে আমিয়েই এৰা হলোঁ। প্ৰজাক এৰি যোৱা হবনো কি প্ৰকাৰে?"

"নাও-নাৱৰাথনকেনো লোৱা যাব কি কৈ? আম বাটতে হল মোৱামৰা, দেশেই হৈছে তাৰেই। তাৰ অনেক ডোম সৰু নাৱেৰে দিনে ৰাতিয়ে দিহিঙতে থাকে। প্ৰজায়ে সৈতে এইৰূপে যাবলৈ ডাঙৰ সংসাৰ। তাতে সেইহঁতৰ মেধিয়ে সৈতে সকলোবোৰ ধৰ্ম্মকৰ্ম্মকে নাজানে; তেনেবোৰে লোকজন নাইকিয়াকৈ পালে অপঘাত নকৰি নেৰিব। যদিবা অপঘাত নকৰে তেও লুট কৰি মৰ্য্যাদ হানি কৰিব। এইখিনি নিশ্চয়। এনেখনি হব লাগিলে ই ঠাইতে কোনোখন হোৱাটোহে ভাল দেখি। মৰাণ বৰাটো কৰি এইখনি হোৱা সামান্য হেন দেখি। এইখনি হলে বৰিলোঁ বুলিবলৈকো মৰাণে স্বৰূপ নেমানিব যেন দেখি।"

"সি মৰাণ স্বভাৱতে ধৰ্ম্মহীন—অজ্ঞান—অসঞ্চাতী—স্মৃত্যকো নাজানে, সদায়ে হিংসক। তাক কিৰূপে বুজোৱা যাব? এতেকে সকলোকো সিহঁতে বুটি নকৰা-কৈ নাও-নাৱৰায়ে কলীয়াবৰলৈ নিব পাৰিলে হলে সকলোখিনি ভাল হয়, সেইৰূপে নিব নোৱাৰিলে ই ঠাইতে থাকি মৰাণৰ ঠাইলৈকে কটকী পঠাই বৰাখনি হলেহে দিনকে পোৱা যাব হেন দেখি।"

"আমাৰ কৰ্ম্মত যি লেখিছে গোসাঁই গোসাঁনীয়ে তাকেহে কৰাব, কোনো স্বতন্ত্ৰ নহয়। মনেচোৱা খনিহে কৈছোঁ। দুজন ডাঙৰীয়া, বৰুৱা, ফুকন, সকলোকে স্বৰ্গদেৱে সমালোচন কৰি যেইৰূপ বোলে তাকে আচৰিবহে লাগে। বিলম্বত কাৰ্য্যবো অকুশল হয়।"

এইদৰে কি-কৰোঁ কি-নকৰোঁ কৰি গুনা-গথা কৰি থাকোঁতেই আমাৰ খবৰ যোগনীয়া মানুহবপৰা স্বৰ্গদেৱৰ গতিবিধিৰ সম্ভেদ পাই চাৰি-শ বৰতীয়া মৰাণে ৰাতি এপৰ হোৱাত স্বৰ্গদেৱক সকলোসৈতে বেৰি ধৰিলেহি। মৰাণে স্বৰ্গদেৱক বন্দী কৰিলে, আৰু বৰবৰুৱাক সঙোৰে লোৱা লগালে। সেই ১৬৯১ শকৰ মাঘত মৰাণে বুঢ়া কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱা, পুতেক চন্দ্ৰহাস ডেকা-বৰবৰুৱা, উমা ঢেকিয়াল ফুকন আৰু পদ্মসিংহক হত্যা কৰিলে। আৰু কিছুপৰৰ পূৰ্ব্বে কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাই কোৱা ভবিষ্যদ্বাণী আখৰে আখৰে ফলিয়ালে।

এই খিনিতে কৈ থোৱা উচিত যে ওপৰত দিয়া পৰামৰ্শৰ উক্তি কেইটা লক্ষীসিংহ স্বৰ্গদেৱৰ দিনৰ বুৰঞ্জী এখনত যি দৰে পোৱা গৈছে, সেইদৰে দিয়া হৈছে। তাৰপৰা সেইকালৰ অসমীয়া গদ্যভাষাৰ চানেকিও পোৱা যাব।

শ্ৰীসূৰ্য্যকুমাৰ ভূঞা।



# চুটিয়া বুৰঞ্জীৰ এক আধ্যা।

আসামত চুটিয়াৰ শেষ ৰজা ধীৰনাৰায়ণৰ চাৰিজন ককাই-ভাই আছিল,—ধীৰনাৰায়ণ, কাচিতৰা, নামসিং, কাপোৰতৰা। ৰজা ধীৰনাৰায়ণ আৰু মন্ত্ৰী কাচিতৰাক আহোমে বধ কৰাত নামসিং (বা নেনাই) আৰু কাপোৰতৰা নগৰ এৰি সপৰিবাৰে পলাই যায়। পলাই গৈ তেওঁলোক অৰণ্যৰ মাজত তৰাতলী (১) নামেৰে এডোখৰ ঠাইত আশ্ৰয় লয়। চুটিয়াৰ ৰাজ্য সম্পূৰ্ণে দখললৈ অহাত তেওঁলোক পলোৱা ঠাইৰ পৰা ঘূৰি নাহিল; সেই পলৰীয়া অৱস্থাতে অৰণ্যৰ মাজত বসতি কৰিবলৈ ধৰিলে।

নামসিং আৰু কাপোৰতৰা নগৰ এৰি পলাই যাওঁতে এটি সন্তানেৰে নামসিঙৰ ধাৰী কন্যা এগৰাকী লগত গৈছিল। এওঁ বৰ ৰূপৱতী আৰু নামসিঙৰ এক মাত্ৰ কন্যা আছিল।

এসময়ত হাতীখোঁকৰ অৰণ্যৰ মাজত হাতী বলাই ফুৰোঁতে আহোমৰজাৰ এজন হাতীফান্দীয়ে ওপৰত উল্লেখ কৰা নিৰ্জ্জন অৰণ্যৰ মাজত মানুহে গা-ধোৱা আৰু পানী খোৱা এটা ঘাট পালে। ফান্দীৰ মন এই পানী খোৱা ঘাটলৈ স্বভাৱতে আকৰ্ষিত হল। তেওঁ ঘাটত থিয় দি সকলো ফালে নিৰীক্ষণ কৰি এডালি দীঘল ক'লা চুলি দেখা পালে। সেই চুলি হাতত লৈ ফান্দীয়ে সেই ঘাট কোনো মানুহৰ পানীঘাট আৰু চুলিডালি এক ৰূপৱতী যুৱতীৰ চুলি বুলি নিশ্চয় কৰিলে। ঘাটৰ বাটত অলপ আগ বাঢ়ি তেওঁ দেখিলে যে বাস্তৱিক এঘৰ সমথলবাসী মানুহ হাবিৰ মাজত পৰ্ব্বতীয়া জাতিৰ দৰে বাস কৰি আছে! সমথলবাসী মানুহ এঘৰ আবৰী জাতিৰ দৰে অৰণ্যত বাস কৰা দেখি ফান্দীয়ে চিনাকি বিচাৰি জানিব পাৰিলে যে তেওঁলোক চুটিয়াৰ বাকী দুজন ৰাজকুমাৰ; স্বাধীনতা হেৰুৱাই আহোমৰ ভয়ত আবৰী জাতিৰ দৰে অৰণ্যত মহা কষ্টেৰে বাস কৰি আছে। ফান্দীয়ে নিজৰ সত্য পৰিচয় দি তাৰ পৰা গুচি আহিল।

হাতী খেদাৰ পৰা ঘূৰি আহি অৰণ্যৰ পানী ঘাটত যি দীঘল ক'লা চুলি ডালি পাইছিল সেই চুলিডাল আহোম ৰজাৰ আগত দি ফান্দীয়ে চুটিয়া ৰাজ পৰিয়াল দুটিৰ সকলো কথা ৰজাত জনালে। ৰজাই চুলিডালি হাতত লৈ ৰাজকুমাৰ দুজনৰ সকলো দুখবৃত্তান্ত শুনি তেওঁৰ অন্তৰত দয়া জন্মিল, আৰু নিৰ্ভয় দি পৰিয়াল দুটি অৰণ্যৰ পৰা আহোম ৰজাৰ নগৰলৈ আনিবলৈ কিছু মানুহেৰে ফান্দীক পুনৰ পঠিয়াই দিলে। ফান্দী গৈ উক্ত ৰাজকুমাৰ দুজনক সপৰিবাৰে আহোম ৰজাই তেওঁৰ ৰাজধানীলৈ মাতি পঠোৱাৰ কথা জনালে। ৰাজআজ্ঞা অৱমাননা কৰিলে অনিষ্ট হোৱাৰ ভয়ত সপৰিবাৰে তেওঁলোক আহোম ৰজাৰ আগত উপস্থিত হলহি। আহোম ৰজাই নামসিঙক তামুলি বিষয়া পাতি তেওঁৰ এক সন্তানৰ ধাৰী কন্যাক চম্‌ৱা-

(১) এই ঠাই ক'ত আৰু বৰ্ত্তমান কি নামেৰে জনা যায় কব পৰা নহল। অনুমানত ডিহিঙৰ পাৰত বুলি কয়।

কুঁৱৰী ৰূপে গ্ৰহণ কৰিলে ; আৰু তেওঁলোক সকলোটিকে গজপুৰ নামেৰে এডোখৰ ঠাইত খাট পাম দি আহোম ৰাজ্যত পাপিলে। এই গজপুৰক তেওঁলোকে গজপুৰ বাহৰ ( ২ ) বুলিছিল।

আহোম ৰজাই চমুৱাকুৱৰী ৰূপে গ্ৰহণ কৰা নামসিঙৰ কন্যাৰ পূৰ্ব্বপতিৰ পৰা হোৱা লৰাটি ৰজাৰ নগৰতে মাকৰ লগত থাকি আজি কালিকৈ ডেকা হ'ল। তেতিয়া ৰজাই হাতীবৰুৱা নামেৰে এটা বিষয় সৃষ্টি কৰি সেই বিষয়ৰ প্ৰথম বিষয়া উক্ত চমুৱাকুৱৰীৰ লৰাটিক পাতি দিলে। সেই দিনাৰ পৰা আহোম ৰাজ্যত হাতীবৰুৱা বিষয়ৰ সৃষ্টি হল ; আৰু সেই চুটিয়া চমুৱাকুৱৰীৰ পুত্ৰই হাতীবৰুৱা ফৈদৰ আদি পুৰুষ—চুটিয়াৰ সন্তান।

কিছুকালৰ পাচত এই দুজন চুটিয়া ৰাজকুমাৰ সতি-সন্ততিৰে এখৰ প্ৰতাপী মানুহ হ'ল। কিন্তু এনেতে এওঁলোকৰ ওপৰত কোনো বিষয়াৰ বিষদৃষ্টি পৰে। সেই বিষয়াসকলে আহোম ৰজাক চুটিয়াৰ পূৰ্ব্বৰ উপদ্ৰৱৰ আৰু বিশ্বাসঘাটকতাৰ কথা সোৱঁৰাই কৰলৈ ধৰিলে, যদি চুটিয়া ৰাজকুমাৰ দুজনৰ এই পৰিয়াল দুটাক একে লগে মুঠ বান্ধি আৰু সৰহদিন থাকিবলৈ দিয়া হয়, তেনেহলে বলৱন্ত হৈ এসময়ত ৰজাক হত্যা কৰি তেওঁ-লোকে আহোম ৰাজপাট অধিকাৰ কৰিব পাৰে। আহোম ৰজাই বিষয়াসকলৰ এই কু-চক্ৰান্ত যুক্তিপূৰ্ণ আৰু সত্য বুলি ধৰি তেওঁলোকৰ সাতজন ককাই-ভাইৰ (১) এজনক যোৰহাটৰ ন-গড়ৰ চুক তৰাজানত ( বৰ্ত্তমান শেনচোৱা গাওঁ ), (২) এজনক যোৰহাটৰ চাৰিঙীয়াত, (৩) এজনক গোলাঘাটৰ বছাপথাৰত, (৪) এজনক শিৱসাগৰৰ আমগুৰিত, (৫) এজনক নগাৱঁৰ এডলীয়া বৰ বোলা ঠাইত, আৰু (৬) এজনক উত্তৰ লক্ষীমপুৰত পৃথক পৃথক খেলত সুমাই ঠাই ঠাই কৰি নিঠৰুৱা কৰি পেলালে। সেই দিন ধৰি চুটিয়া ৰাজকুমাৰৰ সতি-সন্ততিৰ ৰাজসন্মান ৰহিত হ'ল আৰু ৰাজ পৰিয়ালৰ লোক বুলি তেওঁলোকক কোনেও চিনি নেপোৱা হল। এই সকলৰ সতি-সন্ততি উক্ত ঠায়ে ঠায়ে এতিয়াও আছে।

ওপৰত উল্লিখিত সাতজন ককাই ভাইৰ ভিতৰত এজ ইতিপূৰ্ব্বেই পৰলোক প্ৰাপ্ত হয়। এইজনৰ ৰাৰী গৰাকী লৈতে পৰিয়ালটি যোৰহাট অঞ্চলৰ ন-গড়ৰ চুক তৰাজান থোৱা জনৰ লগত জাপি দিয়া হৈছিল। এই দুটা পৰিয়াল জীৱিত থকা জনৰ পৰিয়ালটি "চকৰিফেটী" আৰু ম জনৰটি "ৰণিয়া" পৰিয়াল বুলি প্ৰখ্যাত।

যোৰহাটৰ ন-গড়ৰ চুক তৰাজানত থোৱা জনক ৰাৰ গৰাকীৰে সৈতে চাওদাং খেলত সুমাই দিয়া হৈছিল সেই দেখি এই দুটা পৰিয়ালৰ সতি-সন্ততিসকল "চুটিয় চাওদাং" নামেৰে জনাজাত হল। এইসকলৰ নাতি-পুতি বৰ্ত্তমান যোৰহাট অঞ্চলৰ সেই ঠাইতে আছে, আৰ তেওঁলোকক আজিও চুটিয়া-চাওদাং বোলে। এওঁলোক যোৰহাটবাসী অইন চাওদাঙৰ পৰা স্বভাৱতে পৃথক এওঁলোকৰ চলন-ফুৰণ, আচাৰ-ব্যৱহাৰ, ভাবগতি, অইন চাওদাঙতকৈ অলপ ওখ খৰণৰ। এওঁলোক আৰ অইন চাওদাঙৰ মাজত জাতীয় সহানুভূতিৰ বহুত অভা দেখা যায়। আৰু পাৰিতপক্ষে এওঁলোকে অইন চাওদাং লগত বৈবাহিক সম্বন্ধ ৰাখিবলৈ ইচ্ছা নকৰে।

যোৰহাট অঞ্চলৰ চাৰিঙীয়াত থোৱা জনক চাৰিঙীয় খেলত সুমাই দিয়া হয়। এই জনৰ নাতি-পুতি বৰ্ত্তমান সেই ঠাইতে চুটিয়া খেলতে আছে। এই পৰিয়াল বৰ্ত্তমান থাই জনাৰ নাম শ্ৰীযুত ভড়ালী চুটিয়া।

গোলাঘাট অঞ্চলৰ বছা পথাৰত মেলা জনক কোন খেলত সুমাই দিয়া হৈছিল জনা নাই। কিন্তু এই পৰিয়ালৰ সতি-সন্ততিয়ে বৰ্ত্তমান চুটিয়া বুলিয়েই চিনাকি দিয়ে। কেবছৰ মানৰ পূৰ্ব্বে এই পৰিয়ালৰ থাই মানুহ আছিল—মনি বাহাদুৰ।

শিৱসাগৰৰ আমগুৰিত মেলা জনক চাৰিঙীয়া খেলত থোৱা হৈছিল। এই পৰিয়ালৰ সতি-সন্ততিয়ে বৰ্ত্তমান কি বুলি চিনাকি দিয়ে জনা নাই। কিন্তু তেওঁলোকক নিতাই চাৰিঙীয়াৰ ঘৰৰ বুলি কয়।

নগাৱঁৰ এডলীয়া বৰত থোৱা জনক কোন খেলত সুমুৱা হৈছিল জনা নাই। এই পৰিয়ালৰ সতি-সন্ততি সেই ঠাইত বৰ্ত্তমান চুটিয়া খেলতে আছে।

(২) এই গজপুৰ বাহৰ যোৰহাটৰ অন্তৰ্গত ব্ৰহ্মপুত্ৰৰ কাষত বুলি কয়।



উত্তৰ লক্ষীমপুৰলৈ নিয়া জনক কোন ঠাইত মেলি ছিল আৰু কোন খেলত সুমাই দিয়া হৈছিল একোকে জানিব পৰা নাই ; কাৰণ এই জনক আঁতৰ কৰিবৰ দিনাৰপৰা বাকীসকলৰ লগত দেখা সাক্ষাত নহল। বোলে এই পৰিয়ালৰ সতি-সন্ততিয়ে অকস্মাৎ যোৰহাটৰ কোনো মানুহ পালে যোৰহাটৰ ন-গড়ৰ তৰাজানত থকা পৰিয়াল দুটাৰ খা-খবৰ এতিয়াও লৈ থাকে।

ওপৰত কৈ অহা "চকৰিফেঁটী" পৰিয়ালৰ সন্ততি ঘিনাইক মানে বন্দী কৰি যোৰহাটৰপৰা গুৱাহাটীলৈ নিছিল। বাটত যাওঁতে তেওঁ মানৰ নাও বাই যুৱঁায়া ৰঠা চিঙিছিল আৰু তৰোৱাল ঘূৰাই মাখি কাটিছিল বুলি ৺ঘিনাইৰ নাতি-পুতি সকলে অজিও গৌৰৱ কৰে। আৰু অইন অইন প্ৰকাৰে অশেষ সহায় কৰাত মান সেনাপতিয়ে মৰম কৰি, লুটি লৈ যোৱা কিছু ধন সোণ দি গুৱাহাটীৰ পৰা ঘৰলৈ আহিবলৈ এৰি দিলে, আৰু মান সেনাপতিয়ে ৺ঘিনাইৰ হাততে স্বৰ্গদেৱ চন্দ্ৰকান্ত সিংহলৈ তেওঁক উপাধি দি ডাঙৰ মানুহ পাতিবলৈ "জোং কাগজ" লিখি পঠিয়ায়। মান সেনাপতিৰ জোং কাগজ পাই স্বৰ্গদেৱ চন্দ্ৰকান্ত সিংহই ঘিনাইক "শইকীয়া" উপাধি দিয়ে। মাকে, মৰম কৰি "অকৰা" বোলা বাবে, এওঁক বহুতে "অকৰা শইকীয়া"ও বুলিছিল।

শইকীয়া উপাধি পাই ৺ঘিনায়ে ৰাজ আজ্ঞা অতি সুখ্যাতিৰে পালন কৰি স্বৰ্গদেৱ চন্দ্ৰকান্ত সিংহৰ বৰ প্ৰিয়-পাত্ৰ হয়। এনেকৈ প্ৰিয়-পাত্ৰ হোৱাৰ অইন এটি কাৰণ, ৺ঘিনায়ে দুয়ো হাতেৰে সমানে তৰোৱাল চলাব পাৰিছিল আৰু আনটি কাৰণ হৈছে তেওঁ মানৰ ভাষা ভালকৈ জানিছিল। এই দুটি কাৰণৰ বাবে আৰু গুৱাহাটীলৈ বাট-পথ চিনি পাইছিল দেখি মানৰ দ্বিতীয়বাৰ আসাম আক্ৰমনত স্বৰ্গদেৱ চন্দ্ৰকান্ত সিংহই যোৰহাট এৰি গুৱাহাটীলৈ পলাই যাওঁতে ঘিনাইক লগত লৈ গৈছিল। ৰজাই গুৱাহাটী পাই এওঁক ধন্যবাদ দি ভগনৰ কালত ৰজাৰ একো নাই বুলি ৰজাৰ এখনি সোণৰ মাইহাং আৰু ঘিনায়ে লৈ যোৱা ৰজাৰ তৰোৱাল দুখন পুৰস্কাৰ স্বৰূপে দিয়ে ; আৰু ৰাজপাট পুনৰ উদ্ধাৰ কৰিব পাৰিলে তেওঁক "চাওদাং বৰুৱা" পাতিব বুলি প্ৰতিশ্ৰুতি দিয়ে। কিন্তু দুখৰ বিষয় স্বৰ্গদেৱ চন্দ্ৰকান্ত সিংহই আহোম ৰাজপাট পুনৰ নেপালে। আহোম শাসনৰ যৱনিকা পৰাৰ সময়ত চুটিয়া ৰাজপৰিয়ালৰ সন্ততি ঘিনাইক ৰাজ অলঙ্কাৰেৰে বিভূষিত কৰিছিল, যদিও, সৰহ লোকে চিনি নেপালে।

৺ঘিনাই বন্দীৰূপে মানৰ লগত ভটীয়াই যাওঁতে দৰঙৰ ভিতৰত চুটিয়া নামেৰে ঠাইত ভালেমান তেওঁৰ স্বজাতি চুটিয়া মানুহ থকাৰ সম্ভেদ পালে। তেওঁ এইসকলৰ কেইবাজনকো মানৰ হাতৰ পৰা ৰক্ষা কৰিছিল। তেওঁ তেতিয়াই বিশ্বনাথ আৰু হয়গ্ৰীৱ মাধৱৰ দেৱালয়ো পাই আহে। ইয়াৰ পাচৰ পৰা তেওঁ কেবাবাৰো সেই হয়গ্ৰীৱ মাধৱৰ দেৱালয়লৈ গৈ বিশ্বনাথতো তীৰ্থ কৰি চুটিয়াত থকা জাতিৰ লগত দেখা সাক্ষাত কৰিছিল গৈ। এওঁৰ মৃত্যুৰ পাচত নাতি-পুতিয়ে এই-দৰে বিশ্বনাথলৈ অহাযোৱা কৰা এৰি দিলে।

শ্ৰীতোলনচন্দ্ৰ শইকীয়া।

---

# কোচ-বিহাৰত অসমীয়া সাহিত্যৰ অনুসন্ধান।

অসমীয়া সাহিত্যৰ পৰম উৎসাহদাতা কামৰূপৰ বিক্ৰমাদিত্য মহাৰাজা নৰনাৰায়ণৰ ৰাজধানী আৰু ৰাজ্য বহু দিনৰপৰা বঙ্গদেশৰ অন্তৰ্গত হলেও, তাত এতিয়াও অসমীয়া ভাষাৰ প্ৰাচীন অনেক পুথি-পত্ৰ থকা সম্ভৱ বিবেচনা কৰি, কোচ-বিহাৰত অসমীয়া সাহিত্যৰ অনুসন্ধান কাৰ্য্য চলাবলৈ বুলি, আসাম সাহিত্য সভাৰ নগাওঁ অধি

ৰেশনত এটি প্ৰস্তাৱ ধাৰ্য্য কৰা হয়। সেই প্ৰস্তাৱ অনুসাৰে বৰ্ত্তমান ১৮৪৯ শকৰ শাওন মাহৰ ২৮ তাৰিখে মোক তালৈ পঠায়।

কোচ-বিহাৰত প্ৰায় ডেৰমাহ কাল থাকি তাৰ ৰাজকীয় পুথি-ভঁৰাল আৰু আন আন ঠাইতো যিবোৰ পুথি পোৱা হ'ল, তাৰ বিৱৰণ লিখাৰ আগতে সাধাৰণ ভাবে কোচ-বিহাৰ ৰাজ্যৰ আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি ইত্যাদি সম্পৰ্কে অতি সংক্ষেপে দুআষাৰ কথা কোৱা একো অযৌক্তিক নহব।

বৰ্ত্তমান কোচ-বিহাৰ ৰাজ্য প্ৰাচীন কামৰূপ ৰাজ্যৰ ৰত্নপীঠ বিভাগৰ অন্তৰ্গত। বৰ্ত্তমান ৰাজবংশই চাৰিশ বছৰৰো অধিক কাল একেৰাহে এই ৰাজ্যত ৰাজত্ব কৰি আছে। এই ৰাজবংশ অতি সুপ্ৰাচীন হলেও ৰাজধানীত লেখত লব লগা তেনে কোনো বিশেষ চিহ্ন এতিয়া দেখিবলৈ পোৱা নাযায়।

এই ৰাজবংশৰ তৃতীয় পুৰুষ মহাৰাজা নৰনাৰায়ণৰ সময়ত প্ৰাচীন কামৰূপ ৰাজ্যৰ "কৰতোয়াং সমাৰভ্য বাৰদিক্কৰ বাসিনীং" এই সীমাৰ অন্তৰ্গত সৰহখিনি অংশতে এই বংশৰ অধিকাৰ প্ৰতিষ্ঠিত হয়। আৰু মহাৰাজাৰ জীৱিত কালতে এই ৰাজ্য দুইভাগে বিভক্ত হয়।

কোচবংশৰ প্ৰতিষ্ঠাৰ আগৰে পৰা কামৰূপ ৰাজ্যৰ পূৰ্ব্বঅংশ, অৰ্থাৎ বৰ্ত্তমান আসাম প্ৰদেশ আৰু কামৰূপৰ পশ্চিম অংশ, অৰ্থাৎ বৰ্ত্তমান কোচ-বিহাৰ, ৰংপুৰ, জলপাইগুৰি আদি স্থান, ভাষা, সাহিত্য, শিল্প, সামাজিক আচাৰ-ব্যৱহাৰ পোছাক-পৰিচ্ছদ, ৰীতি-নীতি আদি সকলো বিষয়তে একভাবাপন্ন আছিল। সংক্ষেপে কবলৈ গলে, এইবিলাক স্থান সকলো প্ৰকাৰে অসমীয়া আছিল। আজি বহুকালৰ পৰা কোচ-বিহাৰ বঙ্গদেশৰ অন্তৰ্গত হৈ থকাত, যদিও আগৰ সেই প্ৰাচীন ভাব কিছু পৰিমানে মলিন হৈছে, তথাপি এতিয়াও কোচ-বিহাৰৰ ৰীতি-নীতি আচাৰ-ব্যৱহাৰ আদি সম্পূৰ্ণৰূপে অসমীয়াই আছে। এই কথাকে লক্ষ্য কৰি কোচ-বিহাৰ ৰাজ্যৰ সুসন্তান বঙ্গদেশৰ কাউন্সিলৰ ভূতপূৰ্ব্ব সভ্য ৰায় চাহাব শ্ৰীযুক্ত পঞ্চানন বৰ্ম্মা, এম-এ, বি-এল, ডাঙৰীয়াই মোলৈ লিখিছিল :—

"আপুনি কোচ-বিহাৰক সাহিত্যৰ অনুসন্ধান ক[ৰি]... আহা জানি আহ্লাদিত হলোঁ। কোচ-বিহাৰ, গোৱাল[পাৰা], কামৰূপ, ৰংপুৰ, জলপাইগুৰি আদি স্থান[ৰ] সাহিত্য, সভ্যতা, ৰীতি-নীতি ইত্যাদি সকলো বিষয়[ত] একভাবাপন্ন। সাহিত্যৰ লগে লগে আমাৰ সেই মলি[ন] পৰা প্ৰাচীন ভাবো যাতে উজ্জ্বল হয়, তাৰ বাবে য[ত্ন] কৰিব লাগে"—ইত্যাদি।

কোচ-বিহাৰ আচলতে ৰাজবংশী জাতিৰ ৰাজ্য। ৰাজ্যৰ সৰহখিনি প্ৰজাই ৰাজবংশী। ৰাজবংশীবিলাক[ৰ] অনেকে এতিয়া বৰ্ম্মন উপাধি গ্ৰহণ কৰি উপবীতধাৰী হৈছে। ৰাজবংশীৰ জাতি সাধাৰণতঃ কৃষিজীবি। এওঁলোকে আহু শালি ছবিধ ধান, মৰাপাট আ[ৰু] ধপাতৰ খেতিকে প্ৰধান ভাবে কৰে। ৰাজবংশী[ৰ] বাহিৰে কুৰি আৰু খেন জাতিৰ মানুহো ইয়াতে কি[ছু] আছে। খেনবিলাক প্ৰাচীন খেনৰজাসকলৰ জাতি[ৰ] মানুহ। কুৰিবিলাকক ঠায়ে ঠায়ে মধুকুৰিও বোলে। এওঁবিলাক সাধাৰণতঃ বৈষ্ণৱ। বৃন্দাবনত বৈষ্ণ[ৱ] সকলৰ ভিক্ষা বৃত্তিক মধুকৰি বোলে। এই মধুকৰি শব্দৰ লগত কুৰি বা মধুকৰি জাতিৰ সংশ্ৰৱ থকা অনুমান কৰিব পাৰি। এই কুৰি জাতীয় লোক[ৰ] বাসস্থানৰ বাবেই ৰংপুৰৰ এখন মহকুমাৰ নাম কুৰিগ্ৰা[ম] হৈছে।

ব্ৰাহ্মণ, কায়স্থ আদি আন জাতিৰ আচল স্থা[য়ী] বাসীন্দা মানুহ নাই বুলিলেও বেচি কোৱা নহয়। যি অলপ আছে, প্ৰায় সকলো আধুনিক। ব্যৱসায় ব[া] চাকৰি আদিৰ বাবে বঙ্গদেশৰ পৰা কিছু পৰিমানে বৈশ্য কায়স্থ, ব্ৰাহ্মণ আদি উচ্চ বৰ্ণৰ লোক আহি বাস কৰিছে। পৌৰোহিত্য ব্যৱসায়ী কামৰূপৰ ২১৪ ঘ[ৰ] ব্ৰাহ্মণেও ইয়াত বিয়া-বাৰু কৰাই স্থায়ী বাসিন্দা হৈছে।

বৰ্ত্তমানত পৌৰোহিত্য ব্যৱসায়ী প্ৰায় সকলো বামুণে[ই] কামৰূপী। এওঁবিলাক ইয়াৰ স্থায়ী বাসীন্দা নহয়। সকলোৱে[ই] লৰা তিৰুতা দেশত থাকে। এওঁবিলাকৰ ভিতৰতে ২১৪ জন লোক মফস্বল অঞ্চলত প্ৰতিষ্ঠাপন্ন হৈ উঠিছে। অনেকে ব্যৱসায় আদিও কৰিছে। আৰু কোনো কোনোৱে মাটি বাৰি কিনি লৈ জোতদাৰী কৰিছে।



আচল জমীদাৰী প্ৰথা ( বঙ্গদেশৰ নিচিনা চিৰস্থায়ী বন্দবস্ত ) কোচ-বিহাৰত নাই। কোচ-বিহাৰ ৰাজ্যত আচল জমীদাৰ এঘৰ মাত্ৰ আছে। এওঁলোকৰ বৰ্ত্তমান জমীদাৰৰ নাম শ্ৰীযুক্ত সুশীলকুমাৰ চক্ৰবৰ্ত্তী। এওঁলোকো পূৰ্ব্বত কামৰূপ জিলাৰ ওপৰ বৰভাগ মৌজাৰ নগাৰকুচি গাৱঁৰ মানুহ আছিল বুলি কোনো কোনোৱে কয়। দুৰ্ভাগ্যক্ৰমে এওঁৰ লগত মোৰ দেখা নহ'ল।

মহাৰাজ নৰনাৰায়ণ আৰু চিলাৰায়ে কামৰূপৰপৰা ১৪ ঘৰ কায়স্থ আৰু ১২ ঘৰ ব্ৰাহ্মণ নি, কোচ-বিহাৰত মাটি, বৃত্তি, দাস, দাসী দি স্থাপন কৰে। সেই ব্ৰাহ্মণবিলাকেই কোচ-বিহাৰৰ আচল পঞ্চগ্ৰামী ব্ৰাহ্মণ আছিল। ৰজাদিৰৰ পৌৰোহিত্য তেওঁলোকেই কৰিছিল। আৰু ৰজাঘৰৰ পৰা নিমন্ত্ৰণ দান দক্ষিণা আদিও তেওঁলোকেই পাইছিল। দুখৰ বিষয় এতিয়া পঞ্চগ্ৰামী সমাজত সেই-সকলৰ সুকীয়া পৰিচয় পোৱা নাযায়। কিন্তু আগৰ সেই প্ৰথা অনুসাৰে এতিয়াও খাগড়াবাৰী ময়নাগুৰি টাকাগাছ প্ৰভৃতিৰ পঞ্চগ্ৰামী ব্ৰাহ্মণেই ৰজাঘৰৰ নিমন্ত্ৰণ দান দক্ষিণা আদি পাই আছে

সেই প্ৰাচীন ১৪ঘৰ কায়স্থৰ বংশধৰ সকলৰ ভিতৰত জমীদাৰ শ্ৰীযুত শৰৎকুমাৰ বাকচীৰ ঘৰৰ পৰিচয়হে পোৱা যায়। আনবিলাকৰ এতিয়া কোনো পৰিচয় নাই। শ্ৰীযুত শৰৎকুমাৰ বাগচী মহাশয়ৰ মুখে শুনিলোঁ এতিয়াও তেওঁলোকৰ ভাগীবংশ আসামৰ নগাঁও অঞ্চলত আছে। এই পৰ্য্যন্ত কামৰূপৰ কায়স্থ সমাজত তেওঁলোকৰ বিবাহ আদি চলি আছে। বৰ্ত্তমানতো কামৰূপৰ নলবাৰী অঞ্চলত শুকেকুচি গাঁৱৰ জীয়াৰী বিধবা এগৰাকী তেওঁলোকৰ ঘৰত আছে। এই বিধবা গৰাকী শ্ৰীযুত শৰৎকুমাৰ বাগচী মহাশয়ৰ জ্যেষ্ঠা ভাতৃবধূ।

মহাপুৰুষীয়া আৰু দামোদৰীয়া সম্প্ৰদায়ৰ সত্ৰ কোচ-বিহাৰত কেইখনো আছে। আৰু সেইবিলাকৰ প্ৰভাৱো কম নহয়। তাৰ ভিতৰত মধুপুৰ, ভেলাডাঙ্গা প্ৰভৃতি সত্ৰবিলাকলৈ আমাৰ যোৱা হৈছিল। সেইবিলাক সত্ৰ, নামে, প্ৰসঙ্গে, আচাৰে ব্যৱহাৰে সম্পূৰ্ণ অসমীয়া। বহুকালৰ পৰা আসামৰ লগত যোগ নথকাতো তাৰ কোনো বিকৃতি ঘটা নাই। মধুপুৰত পাহ কটা চুলিৰে সৈতে কেৰণীয়া ভকতক দেখা মাত্ৰেই আপোন ভাব জন্মে। ভকতৰ আলধৰাবোৰো আচাৰে ব্যৱহাৰে কথাই বাৰ্ত্তাই নিভাঁজ অসমীয়া যেন লাগে।

এইবিলাক সত্ৰত এতিয়াও অসমীয়া সাহিত্যৰ চৰ্চ্চা হয়। সদায় পুৰাণধুলি কীৰ্ত্তন ঘৰত অসমীয়া পুথি পঢ়া আৰু অসমীয়া ধৰণে নাম-প্ৰসঙ্গ কৰা হয়, অসমীয়া গীত-পদ গোৱা হয়। অসমীয়াৰ নিচিনাকৈ বৰতাল বজাই নাম গোৱা হয়। লগতে এই কথাও কোৱা যাওক যে আমি জনাত তলত লিখা গাওঁবিলাকতো ঘোষা-কীৰ্ত্তন গাই বৰতাল বজাই নাম গায়।

গিলাব পাৰ ২। সিদ্ধেশ্বৰী ৩। বৈকুণ্ঠপুৰ ৪। নিজ বাণেশ্বৰ ৫। চাকাতি ৬। খুটাপাৰ ৭। চক্চকা ইত্যাদি। এই প্ৰসঙ্গতে আৰু এটা কথা উল্লেখ কৰিলোঁ ;—বৰ্ত্তমানত ভেলাডাঙ্গাসত্ৰৰ দুয়োগৰাকী বিধবা মহিলা কামৰূপৰ। এগৰাকী সৰুখেত্ৰী মৌজাৰ হালধি বাৰী সত্ৰৰ, আন গৰাকী ধৰ্ম্মপুৰ মৌজাৰ কৈহাটী সত্ৰৰ।

ৰাজবংশৰ কুলদেৱতা মদনমোহনৰ মন্দিৰতো মহা পুৰুষ শ্ৰীশঙ্কৰৰ প্ৰভাৱ দেখি। বঙ্গদেশৰ সকলো স্থানতে ৰাধা-কৃষ্ণৰ একে লগে পূজা হয়। বঙ্গদেশত ৰাধাশূন্য কৃষ্ণ নাই। কিন্তু কোচ-বিহাৰত বঙ্গদেশৰ এই সাধাৰণ নিয়ম নাই। কোচ-বিহাৰৰ মদনমোহন অকলশৰীয়া। কোচ-বিহাৰত কৃষ্ণৰ কাষত ৰাধা নাই। ই শ্ৰীমন্ত শঙ্কৰৰ প্ৰভাৱৰ বাহিৰে অইন একো নহয়। শ্ৰীমন্ত শঙ্কৰৰ আন আন সত্ৰবিলাকত যিদৰে কৃষ্ণ পূজা প্ৰচলিত অৰ্থাৎ সত্ৰবিলাকত অকল কৃষ্ণ মূৰ্ত্তিহে প্ৰতিষ্ঠিত আছে, কোচ-বিহাৰতো সেই দৰে অকল মদনমোহন (কৃষ্ণ) মূৰ্ত্তিহে প্ৰতিষ্ঠিত আছে। কিম্বদন্তি আছে যে, মদনমোহন বিগ্ৰহো সৰ্ব্বপ্ৰথমে শ্ৰীশ্ৰীশঙ্কৰ দেৱৰ পৰামৰ্শ মতেহে স্থাপিত হৈছিল। আৰু সেই বিগ্ৰহৰ প্ৰথম পূজাৰী আছিল প্ৰসিদ্ধ অসমীয়া কবি অনন্ত কন্দলী। এই কিম্বদন্তিৰ কথা কোচ-বিহাৰৰ প্ৰত্নতত্বজ্ঞ পণ্ডিত শ্ৰীযুত আমানত উল্লা আহ্মদ চৌধুৰী ডাঙৰীয়াই মোক মুখে মুখে কৈছিল।

কোচ-বিহাৰৰ সাধাৰণ মানুহৰো আচাৰ ব্যৱহাৰ ৰীতি-নীতি হুবহু অসমীয়াৰ লগত মিলে। কোচ-বিহাৰৰ মানুহেও অসমীয়া মানুহৰ দৰে কলগছ পুৰি **খাৰু** কৰি খায়। **তামোলৰ থোক, মাহ কাতি, নেহাৰু কাতি** খাবো কোচ-বিহাৰৰ মানুহে ব্যৱহাৰ কৰে। অসমীয়াৰ নিচিনাকৈ কোচ-বিহাৰী সকলবো খাবৰ আগ্ৰা নহলে খোৱাৰ জুতি নালাগে। এই কাৰণে বঙ্গালী মানুহে অসমীয়া মানুহক খাৰখোৱা অসমীয়া বুলি উপলুঙ্গা কৰাৰ নিচিনাকৈ কোচ-বিহাৰৰ মানুহকো **চেকা-খোৱা** বুলি উপলুঙ্গা কৰে। চেকি উলিওৱাৰ কাৰণে কোচ-বিহাৰত বঙ্গালীবিলাকে খাৰক চেকা বোলে।

কোচ-বিহাৰ, জলপাইগুড়ি আৰু উত্তৰ ৰংপুৰৰ প্ৰাচীন তিৰীবিলাকেও কামৰূপৰ প্ৰাচীন তিৰীবিলাকৰ নিচিনাকৈ **আগুৰাণ পাতেনি** ব্যৱহাৰ কৰে। আৰু আগুৰাণ, পাতেনি নামো অবিকৃত ভাৱেই আছে। অসমীয়া সমাজৰ নিচিনাকৈ কোচ-বিহাৰৰ সমাজতো বিধবা বিবাহ অৰ্থাৎ ঢেমনী বা পাচুৱা মানুহ নিয়া প্ৰথা প্ৰচলিত আছে। এই প্ৰথাক কামৰূপৰ নিচিনাকৈ কোচ-বিহাৰতো "পাচুৱা নিয়া" বোলে। আসামৰ কোনো কোনো জাতিৰ ভিতৰত প্ৰচলিত থকাৰ দৰে কোচ-বিহাৰৰ সমাজতো ৰাক্ষসী বিবাহ অৰ্থাৎ বলেৰে ছোৱালী ধৰি নি বিয়া কৰা দস্তুৰ প্ৰচলিত আছে। আন কি আসামৰ বিহু গোৱা প্ৰথাও কোচ-বিহাৰত অবিকৃত ভাবে এতিয়াও অনুষ্ঠিত হয়। কোচ-বিহাৰৰ বিহুও সাধাৰণতে প্ৰায় ৰহাগ মাহ বিয়াপি হয়। কোচ-বিহাৰৰ কোনো অংশত ইয়াক বিহুপূজা কোনো অংশত হুতোমদেও পূজা আৰু কোনো অংশত যাগৰ গান বোলে।

আসামৰ বিহুৰ নিচিনাকৈ কোচ-বিহাৰৰ বিহুপূজাও গাঁৱৰ বাহিৰত কোনো গছৰ গুৰিত নাইবা তেনেকুৱা আন উপযুক্ত ভাল ঠাইত পতা হয়। তিৰোতাবিলাকে তাত নানা প্ৰকাৰ আমোদ উৎসৱ কৰে; গীত পদো গায়। এইবোৰ গীত প্ৰায় অশ্লীল হয়। কেতিয়াবা বিহু উৎসৱ মানুহৰ কোনো বাৰিৰ ঘৰতো পতা হয়।

কোচ-বিহাৰৰ আচল কথিত ভাষাকো অসমীয়া বুলিব পাৰি। অন্ততঃ এই ভাষাৰ যে বঙ্গলা ভাষাতকৈ অসমীয়া ভাষাৰ লগত বিশেষ সাদৃশ্য আছে, তা কোনোৱে হুই কৰিব নোৱাৰে। কোচ-বিহাৰত অসমীয়াৰ দৰে জ্যেষ্ঠা ভগিনীক "বাই" হে বোলে, কেতিয়াও "দিদি" নোবোলে সেই দৰে মাকক "আই" ভিনিহাক "ভিন্চি" আতাক "আজু" তাৱৈক "তাৱাই" ইত্যাদি বোলে। এনেকুৱা ৰক্তঘটিত সম্বন্ধসূচক পদবিলাকে ে এক সমাজ আৰু এক জাতিৰ পৰিচয় দিয়ে তাৰ সকলো জনা লোকে স্বীকাৰ কৰিব।

অকল এনেকুৱা শব্দৰ সাদৃশ্য থকাৰ বাবেই মই কোচ-বিহাৰৰ ভাষাক অসমীয়া বোলা নাই। শব্দ সাদৃশ্যৰ বাহিৰেও বিভক্তি প্ৰত্যয় আদি যিবোৰ ভাষাৰ বিভিন্নতাৰ বিশিষ্ট চিন সেইবোৰো বঙ্গলা ভাষাৰ লগত নিমিলে, মিলে অসমীয়া ভাষাৰ লগতহে। **ন, এ ম,** ব্যৱহাৰো কোচ-বিহাৰী ভাষাত ক্ৰিয়াপদৰ আগত হয়। বঙ্গলাৰ নিচিনাকৈ ক্ৰিয়াপদৰ পিচত নহয়। যেনে অসমীয়া "নেযাওঁ" কোচ-বিহাৰী "নাজাং" বঙ্গালী "যাবনা"। কোচ-বিহাৰী ভাষাৰ স্বৰূপ বুজিবৰ অৰ্থে ইয়াত কেষাৰী মান কোচ-বিহাৰী ভাষাৰ পুৰণি আৰু নতুন পদ তলত তুলি দিলোঁ। এইবিলাক দেখিলে কোনেও কেতিয়াও কব নোৱাৰে যে **কোচ-বিহাৰী মানুহ বঙ্গালী** আৰু **কোচ-বিহাৰৰ ভাষা বঙ্গলা ?**

প্ৰাচীন পদ

"কাঁয় কয় ই গলা কতা কাঁয় আৰ পইতায়
সোয়ামীৰ সতে গেইলে তিৰীক বাঘে খায়।
এনায় দুষ্ট বনেৰ বাঘ তিৰী পুৰুষ বাছিয়া খায়।
গি থানত বনৰ বাঘ খাইব ধৰিয়া।
নিশ্চয় কৰি পাণেৰ পতি মোক পলাই ছাৰিয়া।

নতুন পদ।

"খালি মোৰ মোৰ বুলি চিক্ৰী মৰোং
খিং নাপাওঁ মুই কুণটু মোৰ।
মুইযে কাঁয় আৰ কোনটৈ হাতে
আহলু সেতাৰ নাপাও গোৰ।
যাঁয় চেনেনা আপুন জনা
তাঁৰ কেনেৰে এমন হয়।
যেটায় দেখে এই জগতোৰ
সেইটাই মোৰ এই কতা কয়।"



কোচ-বিহাৰৰ মানুহবিলাকৰ বঙ্গালী বা ভাটীয়া বিদ্বেষ প্ৰবল। তেওঁলোকে ভাবে যে বঙ্গালীবিলাক বেলেগ জাতিৰ মানুহ। তেওঁবিলাকে কেৱল আমাক শোষণ কৰিবলৈহে আহিছে। আমাৰ ভালৰ বাবে তেওঁলোকৰ কোনো যত্ন নাই। বঙ্গালীবিলাকেও যে কোচ-বিহাৰৰ মানুহবিলাকক অলপ ঘিণ নকৰে বা অলপ হীন ভাবে নাচায় এনে নহয়।

সাধাৰণতঃ কোচ-বিহাৰৰ মানুহে বঙ্গালীতকৈ অসমীয়াকে ভাল পায় বুলি ধৰিব পাৰি। আসামৰ ( কামৰূপৰ ) প্ৰাচীন গৌৰৱকো নিজৰ গৌৰৱ বুলি ভাবে। বঙ্গালী ভাষা যে তেওঁলোকৰ মাতৃ ভাষা নহয় এই কথা সকলো শিক্ষিত লোকে স্বীকাৰ কৰে। সাধাৰণ লোকৰ শিক্ষাৰ অৱস্থা বেয়া; গতিকে গাঁৱলীয়া জনসাধাৰণৰ মনত ভাষা, সাহিত্য ইত্যাদিৰ বিশেষ ধাৰণা নাই। আমাৰ দেশতো নাই। বঙ্গালী ভাষা মাতৃ ভাষা নহয় বুলি জানিলেও অনেক কালৰ পৰা বঙ্গালীৰ সংসৰ্গত থকাত আৰু অনেক কালৰপৰা বঙ্গলা ভাষাৰ পঠন পাঠন হোৱাত শিক্ষিত লোকবিলাকৰ লিখিত ভাষা এতিয়া বঙ্গালী হৈছে। অৱশ্যে ঘৰুৱা ভাষা কোচ-বিহাৰী বা প্ৰাচীন কামৰূপী ভাষাৰ অনুৰূপে আছে। আজি কালিৰ দুই এজন শিক্ষিত ডেকাৰ মাতৃ ভাষাৰ ওপৰত চকু পৰাত তেওঁলোকে আচল কোচ-বিহাৰী ভাষাত দুটি এটি গান, পদ্য লিখিবলৈ ধৰিছে। এনেকুৱা লিখা তেওঁলোকৰ গৌৰৱৰ চিন বুলিহে ভাবে।

ভূমিকা স্বৰূপে কোচ-বিহাৰৰ সাধাৰণ অৱস্থাৰ কথা সংক্ষেপকৈ কোৱা হ'ল। এতিয়া আচল কথা আৰম্ভ কৰা হওক।

কোচ-বিহাৰত মুঠতে ৩৯২ খন পুথি পৰীক্ষা কৰা হয়। অৰ্থাৎ পুথিৰ নাম, গ্ৰন্থ কাৰৰ নাম, লেখাৰ বা নকল কৰাৰ সময়, ( যিটো পোৱা যায় ) আৰু আৱশ্যক অনুসৰি ঠায়ে ঠায়ে দুই চাৰি শাৰী পদ টুকি লোৱা হয়। পদ টুকি লোৱাত কোনো নিৰ্দ্দিষ্ট ঠাইৰপৰা কোনো মনোমত পদ তুলি লোৱা হোৱা নাই। পুথি মেলি চাই য'তে চকু পৰিছে তাৰে পৰা তুলি লোৱা হৈছে। মুঠ ৩৯২ খন পুথিৰ ভিতৰত ৰাজকীয় পুথি ভঁৰালত ২৫৩ খন আৰু আন আন ঠাইত ১৩৯ খন পোৱা হয়। ইয়াৰ ভিতৰত অসমীয়া পুথি ১৩৮ খন সংস্কৃত পুথি ১৯৯ খন আৰু বঙ্গালী পুথি মুঠতে ৬০ খন মাত্ৰ।

সাধাৰণতঃ পুথিবিলাকৰ অৱস্থা ভাল নহয়। অনেক পুথি জৰাজীৰ্ণ হৈছে। অনেক পুথি বহুদিন লৰচৰ নকৰা বাবে মেলিবই নোৱাৰা হৈছে। পাতে পাতে এইদৰে জাপ খাই গৈছে যে মেলিব খুজিলেই ফাটি যায়। কাৰণ অনুসন্ধান কৰাত জনা গল, এইবোৰ কোনেও মেলিয়েই নাচায়। গতিকে, তাৰ এনে দুৰাৱস্থা হৈছে। দুই চাৰিখন পুথি একেবাৰেই নষ্ট হৈছে। পুথিভঁৰালৰ অতি প্ৰাচীন দপ্তৰীজনে কলে যে তেওঁৰ জীৱনত এইবোৰ মাত্ৰ তিনিবাৰ মেলি চোৱা হৈছে। প্ৰথম বাৰ শ্ৰীযুত হেমচন্দ্ৰ গোস্বামী দেৱে, দ্বিতীয় বাৰ শ্ৰীযুত আমানত উল্লা আহ্মদ চৌধাৰী ডাঙৰীয়াই আৰু তৃতীয় বাৰ মই। পুথিবিলাকৰ নামৰ তালিকা এই প্ৰবন্ধৰ শেহত দিয়া হ'ল।

কোচ-বিহাৰত বঙ্গালী ভাষাৰ পুথিত কৈ অসমীয়া ভাষাৰ পুথিৰ সংখ্যাধিক্যো এটা লক্ষ্য কৰিব লগীয়া বিষয়। ইয়াৰ দ্বাৰায়ো কোচ-বিহাৰত যে আগেয়ে বঙ্গালীতকৈ অসমীয়াৰ প্ৰভাৱ আৰু প্ৰতিপত্তি বেছি আছিল তাক নিঃসন্দেহে বুজিব পাৰি। পুথিবিলাকৰ আখৰ সম্বন্ধেও একাষাৰ কথা ক'ব লগীয়া আছে। অসমীয়া পুথিবিলাকৰ আখৰ নিভাঁজ অসমীয়া; লহকৰপুৰীয়া গঢ়ৰ আখৰ ৰ, ৱ আদিৰ ব্যৱহাৰো ভাল দৰে আছে। সাঁচি পাতত লিখা পুথিৰ সংখ্যা কম। সৰহ ভাগ পুথি পুৰণি তুলাপাতত লিখা।

বঙ্গলা পুথিবোৰৰ সৰহ ভাগেই মহাৰাজ হৰেন্দ্ৰ নাৰায়ণৰ দিনত সংস্কৃতৰ পৰা অনুবাদ কৰোৱা। মহাৰাজ হৰেন্দ্ৰ নাৰায়ণৰ ৰাজত্বৰ কাল ১৭৮০ খৃষ্টাব্দৰ পৰা

১৮৩৯ খৃষ্টাব্দলৈ। গতিকে বঙ্গলা পুথিবিলাকৰ বয়স মোটা-মুটি ভাবে ১০০ বছৰৰ ওপৰ বুলি ধৰিব নোৱাৰি। মহাৰাজ হৰেন্দ্ৰ নাৰায়ণৰ ৰাজত্বৰ আগত কোচ-বিহাৰত বঙ্গলা ভাষাৰ প্ৰভাৱ নাছিল। মহাৰাজ হৰেন্দ্ৰ নাৰায়ণৰ সময়ত কোচ-বিহাৰত বঙ্গালী মানুহৰ প্ৰাদুৰ্ভাৱ বেছি হোৱাত আৰু মহাৰাজৰ শিক্ষা-দীক্ষাত বঙ্গালীৰ প্ৰভাৱ পৰাত ধীৰে ধীৰে কোচ বিহাৰৰ শিক্ষিত লোকৰ সাহিত্যিক ভাষা বঙ্গলা হৈ আহিল। বিশেষতঃ মহাৰাজ হৰেন্দ্ৰ নাৰায়ণৰ সময়ত ৰাজ সভাসদ পণ্ডিতসকল আৰু প্ৰধান কৰ্ম্মচাৰীসকল প্ৰায়ে বঙ্গালী আছিল। মহাৰাজ হৰেন্দ্ৰ নাৰায়ণৰ আদেশ অনুসাৰে সেই পণ্ডিতসকলেই বা সেই ৰাজকৰ্ম্মচাৰীবিলাকৰ ভিতৰতে কোনোৱে নিজে কোনোৱে বা ভাই ভতিজাৰ দ্বাৰাই সংস্কৃত পুথিবোৰ অনুবাদ কৰাইছিল।

সেই নিমিত্তেই মহাৰাজ হৰেন্দ্ৰ নাৰায়ণৰ সময়ত ৰচিত পুথি প্ৰায় বিলাক বঙ্গালী ভাষাৰ। তাৰ আগেয়ে কোচ-বিহাৰৰ ৰজাসকলৰ আদেশত ৰচিত পুথি অসমীয়া ভাষাৰ। মহাৰাজ মোদ নাৰায়ণৰ সময়তো কোচ-বিহাৰত অসমীয়া পুথি ৰচনা কৰা হৈছিল। তাৰ পিচত কেজন-মান ৰজাৰ ৰাজত্ব কালত কোনো বিশেষ পুথি পত্ৰ ৰচিত হোৱা নাই। ৰাজনৈতিক অশান্তিয়েই তাৰ কাৰণ। বৰ্ত্তমান কোচ-বিহাৰত বঙ্গলা ভাষাৰ চৰ্চ্চা হোৱাৰ আৰু এটা শকত কাৰণ আছে। সেই কাৰণ হৈছে—সস্তা দামত **বটতলাৰ পুথি প্ৰচলন।** অসমীয়া ভাষাৰো প্ৰবল প্ৰচাৰ ইচ্ছা কৰিলে বটতলাৰ পুথিৰ নিচিনাকৈ সস্তা দামৰ পুথি অসমীয়াত হব লাগে। এক অনা ডেৰ অনা সংস্কৰণৰ পুথিয়ে যি দৰে জন সাধাৰণৰ মনত সাহিত্যৰ আগ্ৰহ জন্মাব পাৰে, ভাল ভাল নিৰ্ব্বাচিত গ্ৰন্থ জনসাধাৰণৰ মাজত প্ৰবেশ কৰিব নোৱৰাত সেইবিলাকে সেই দৰে জনসাধাৰণৰ মনত সাহিত্যলৈ আগ্ৰহ জন্মাব নোৱাৰে। এটা সাধাৰণ পাঠকশ্ৰেণী দেশত গঠিত নহলে সাহিত্যৰ প্ৰচাৰ আৰু বিস্তাৰ নঘটে।

মুঠতে কোচ-বিহাৰত ৪৭ জন অসমীয়া কবিৰ নাম আৰু পুথি পোৱা হৈছে। মহাৰাজ হৰেন্দ্ৰ নাৰায়ণৰ দ্বাৰাই ৰচিত প্ৰায় পুথিবিলাকেই বঙ্গলা ভাষাত হলেও মহাৰাজৰ অনেক পদত অসমীয়া লেখাৰ ঠাচ আছে। তথাপি মই ইয়াত মহাৰাজক অসমীয়া কবি বুলি নধৰিলোঁ। কিন্তু পণ্ডিত জানকীনাথ প্ৰভৃতি লো[ক] সকলৰ ৰচনাৰ ভাব, ভঙ্গী, ভাষা আদি অসমীয়া, গতিকে সেই সকল কবি কোচ-বিহাৰ বাসী হলেও অসমীয়া কবিৰ ভিতৰত হে তেওঁলোকক ধৰিব পাৰি। কবি সকলৰ নাম তলত লিখা হল।

১। ৰঘুৰাম দ্বিজ * ২। সতানন্দ বা সাৰদানন্দ।
৩। কদ্ৰদেৱ * ৪। শ্ৰীনাথ * ৫। শঙ্কৰ সে[ন]
৬। গোবিন্দ মিশ্ৰ * ৭। মুকুন্দ ভাৰতী।
৮। গোপীৰাম দ্বিজ * ৯। জগন্নাথ দ্বিজ।
১০। পীতাম্বৰ * ১১। অনন্ত কন্দলী
১২। কবি কালীদাস * ১৩। মাধৱ কন্দলী
১৪। সাৰ্ব্বভৌম ভট্টাচাৰ্য্য * ১৫। দেৱনাথ দ্বিজ।
১৬। দেৱী নন্দন * ১৭। মহিনাথ *
১৮। ভূতনাথ * ১৯। ধম্মেশ্বৰ * ২০। মাধৱ সে[ন]
২১। দ্বিজ ভূষণ ২২। দ্বিজ গোপীনাথ পাঠক *
২৩। যদুমনি * ২৪। বলৰাম * ২৫। পৰমানন্দ।
২৬। লক্ষ্মীৰাম * ২৭। পণ্ডিত জানকীনাথ *
২৮। কবি শেখৰ * ২৯। কবি কংসাৰী
৩০। নাৰায়ণ * ৩১। জগৎ সিংহ।
৩২। বিদ্যা পঞ্চানন * ৩৩। দ্বিজ কবিৰাজ।
৩৪। জয়দেৱ * ৩৫। অনিৰুদ্ধ ৩৬। মাধৱ
৩৭। অদ্ভুত আচাৰ্য্য * ৩৮। ৰাজা ৰামচন্দ্ৰ।
৩৯। পুৰুষোত্তম গজপতি ৪০। নৰোত্তম
৪১। শ্ৰীধৰ কন্দলী ৪২। কৃষ্ণ কিঙ্কৰ *
৪৩। গোপাল * ৪৪। দৈত্যাৰী ৪৫। কবি চন্দ্ৰ।
৪৬। ৰাম নাৰায়ণ * ৪৭। সোমেশ্বৰ *

ইয়াৰ ভিতৰত তাৰকা চিহ্নিত সকল নতুন কবি। এই সকলৰ নাম আমি আগেয়ে জনা নাছিলোঁ। এই দৰে আন আন ঠাইতো অনুসন্ধান কৰিলে যে অনেক নতুন অসমীয়া কবিৰ নাম আৰু অসমীয়া পুথি পোৱা যাব পাৰে তাত কোনো সংশয় নাই। ৰংপুৰ অঞ্চলতো বহুত অসমীয়া পুথি থকাৰ বাতৰি পোৱা হৈছে। তাৰ ভিতৰত ৰংপুৰ সাহিত্য পৰিষদতো অনেক পুথি থকাৰ খবৰ আমি কোচবিহাৰত থকা সময়তে পাইছোঁ। আৰু সেইবোৰ পুথি পৰীক্ষা কৰি চাবৰ অনুমতিও ৰংপুৰ সাহিত্য পৰিষদৰ সম্পাদকৰ পৰা পোৱা হৈছিল। আমাৰ যোৱাৰ সুবিধা নোহোৱা বাবেহে সেইবোৰ পুথি চাব পৰা নহল। এতিয়াও আমাৰ সাহিত্য সভাৰ পৰা সেইবোৰ ঠাইত অনুসন্ধান কাৰ্য্য চলোৱা উচিত। জলপাইগুড়িতো অনেক অসমীয়া পুথি আছে বুলি আমি শুনিছো।

সৰহ নালাগে ২০০।২৫০ বছৰৰ আগতো যে ৰংপুৰ অঞ্চলত অসমীয়া ভাষাৰ প্ৰবল প্ৰচাৰ আছিল আৰু ৰংপুৰৰ মানুহেও অসমীয়া ( প্ৰাচীন কামৰূপী ) ভাষাত পুথি লিখিছিল এই কথা ৰংপুৰৰ পঙ্গা নামে ঠাইৰ ৰাজা ৰামচন্দ্ৰই লিখা ভাগৱতসাৰ পুথিৰ পৰাই নিঃসন্দেহে প্ৰমাণিত হয়।

ভাগৱতসাৰ পুথি আচল অসমীয়া ভাষাত লিখা। এই পুথিখন কোচ-বিহাৰৰ মক্তলীয়া স্কুলৰ প্ৰধান শিক্ষক শ্ৰীযুত নিবাৰণ চন্দ্ৰ ভট্টাচাৰ্য্য মহাশয়ৰ ওচৰত পোৱা হৈছে। পণ্ডিত মহাশয়ে পুথিখন আসাম সাহিত্য সভালৈ দিম বুলি স্বীকাৰ কৰিছে; এই পুথিখনত দুই একাধাৰ পদ গোবিন্দ মিশ্ৰ, শঙ্কৰদেৱ প্ৰভৃতিৰ পদৰ লগত মিল থকা দেখা যায়। এই মিলৰ পৰা সাধাৰণতে এইটো অনুমান কৰিব পাৰি যে কবিয়ে উক্ত কবি সকলৰ পুথি ৰবৰৈক পঢ়িছিল। সেই কাৰণেই কবিৰ দুই একাধাৰ পদ অবিকল মিলি গৈছে। আৰু এইটো জনা যায়, যে সেই সময়ত শঙ্কৰদেৱ গোবিন্দ মিশ্ৰ প্ৰভৃতিৰ পদৰ ৰংপুৰ অঞ্চলত বৰ প্ৰচাৰ আছিল। নহলে ইমান বেচিকৈ পঢ়াৰ চিন নেথাকিল হেতেন। ভাগৱতসাৰ পুথিৰ গ্ৰন্থকাৰ ৰাজা ৰামচন্দ্ৰই পুথিৰ ভিতৰতে নিজৰ এখন বংশাৱলী লিপিবদ্ধ কৰি গৈছে। সেইখন ইয়াত তুলি দিয়া হল :—

"শিৱে আসি জন্ম ভৈলা, বিশ্ব সিং নাম লৈলা।
বধিয়া অৰিক যত, ৰাজা ভৈলা বেহাৰত॥
তাৰ ঘৰে পুত্ৰ ভৈলা, নৰসিংহ নাম লৈলা।
কৰিলা বিবিধ কাম, কত লৈব তাৰ নাম॥
তান পুত্ৰ বৃষকেতু, ভৈলা যেন ধৰ্ম্মসেতু।
কৈলা যুধিষ্ঠিৰ কৰ্ম্ম, দাতা ভৈলা কৰ্ণ সম॥
যত দান ধৰ্ম্ম কৰি, কোনে গনিবাক পাৰি।
তাৰ গৃহে ভৈলা যাত, মধুসুদন মহাৰাজ॥
খড়্গা ধৰি মহাবল, নি-অৰি কৈল ধৰাতল।
বধ যত শত্ৰু দুই, তান পত্নী চক্ষু দুই॥
দুইয়া বহিল নদী, হেন কৈল নৰপতি।
তাহাৰ সন্ততি অতি, ভৈল ৰাজা পশুপতি॥
নানা গুণে অনুপাম, নাহি তাৰ সম আন।
তাহাৰ যে সন্ততি, বাসুদেৱ নৰপতি॥
পৰম ধাৰ্ম্মিক অতি, সূক্ষ্মবুদ্ধি নৰপতি।
দৰ্পত ইন্দ্ৰৰ প্ৰাই, দাতা যেন বলীৰাই॥
ভক্ত উদ্ধৱৰ সম, যোগে শুক সনাতন।
অধৰ্ম্মত নাহি ৰতি, কেৱল ধৰ্ম্মত মতি॥
বুদ্ধি যেন বৃহস্পতি, শাস্ত্ৰত নিছল অতি
নাহি আন কাৰ্য্যে মতি, কেৱল বিষ্ণুত ভক্তি॥
তাহা সযে পটেশ্বৰী, যেন লক্ষ্মী সমসৰি।
হিৰণ্যপ্ৰিয়া যে নাম, ধৰ্ম্মে অতি অনুপাম॥
দেৱ গুৰু স্বামী স্থানে, ভক্তিযুতা অনুক্ষণে।
তাৰ গৰ্ভে যাত অতি, ৰামচন্দ্ৰ অল্প মতি॥
জানা তান সুত দুই, কপৰ্দ্দী কৰালী দুই।
বংশাৱলী এহি মানে, জানিবাহা সৰ্ব্বজনে॥

এইপদৰ পৰা পোৱা গল ১। বিশ্বসিংহ ২। নৰসিংহ ৩। বৃষকেতু ৪। মধুসুদন ৫। পশুপতি ৬। বাসুদেৱ ( স্ত্ৰী হিৰণ্যপ্ৰিয়া ) ৭। ৰামচন্দ্ৰ ৮। ৰামচন্দ্ৰৰ দুই পুত্ৰ কপৰ্দ্দী আৰু কৰালী। এই তালিকাৰ পৰা দেখা গল যে ৰাজা ৰামচন্দ্ৰ মহাৰাজ মোদ নাৰায়ণৰ সম সাময়িক। মহাৰাজ মোদ নাৰায়ণৰ ৰাজত্ব কাল ১৬৬৫ খৃষ্টাব্দৰ পৰা ১৬৮৩ খৃষ্টাব্দলৈ। গতিকে ভাগৱতসাৰ পুথি ৰচনাৰো এটা মোটামোটি সময় পোৱা হল। এই সময় আজিৰ পৰা প্ৰায় ২০০।২৫০ বছৰৰ ওচৰা-ওচৰি।

ৰাজা ৰামচন্দ্ৰৰ নিচিনাকৈ সকলো কবিৰ পৰিচয় পুথিৰ ভণিতাৰ পৰা নেপালেও দুই এজন কবিৰ সংক্ষেপ পৰিচয় ভণিতাৰ পৰা পোৱা যায়। তাৰ ভিতৰৰ পৰা কবি শ্ৰীনাথৰ সংক্ষেপ পৰিচয় তলত উল্লেখ কৰা হল।

কবি শ্ৰীনাথে নিজে লিখিছে :—

"মল্ল মহীপালৰ কনিষ্ঠ সহোদৰ।
শুক্লধ্বজ নামে দেৱ ভোগে পুৰন্দৰ॥
তাহাৰ পাঠক মহামাত্য ভৱানন্দ।
কামৰূপ দ্বিজ কুল কুমুদিনী চন্দ্ৰ॥
নামত পণ্ডিত ৰায় তাহাৰ তনয়।
ৰঘুদেৱ নৃপতিৰ পাত্ৰ মহাশয়॥
তাহাৰ কনিষ্ঠ ৰামেশ্বৰ শুদ্ধ মতি।
শ্ৰীনাথ হইল জ্যেষ্ঠ তাহাৰ সন্ততি"॥

শ্ৰীনাথ বৰ ডাঙৰ পণ্ডিত আছিল। এওঁ সংস্কৃত ভাষাত "বিশ্বসিংহ চৰিতম্‌" বুলি এখন মহা কাব্যও ৰচনা কৰিছিল। সংস্কৃত ভাষাত মূল গ্ৰন্থ নিলিখি কথিত ভাষাৰে সংস্কৃতৰ অনুবাদ কৰাত এওঁৰ বিশেষ মন নাছিল। আৰু এনেকৈ পদ কৰাটো শ্ৰীনাথে লঘু কাৰ্য্য বুলি ভাবিছিল। তেওঁ নিজে এঠাইত লিখিছে :—

"ইহাক কৰিলে নাই প্ৰতিষ্ঠা বিশেষ।
তথাপি কৰিতে লাগে ৰাজাৰ আদেশ॥

শ্ৰীনাথ মহাৰাজ প্ৰাণনাৰায়ণৰ সমসাময়িক। আৰু প্ৰাণনাৰায়ণৰ আদেশত তেওঁ পুথিও লিখিছিল। মহাৰাজ প্ৰাণনাৰায়ণ, মহাৰাজ নৰনাৰায়ণৰ নাতি। পিতামহৰ নিচিনাকৈ নাতিও অসমীয়া সাহিত্যৰ পৰম উৎসাহদাতা আছিল। শ্ৰীনাথৰ কেবাখনো অসমীয়া পুথি আছে।

শ্ৰীনাথৰ পিচতে কবি পীতাম্বৰৰ নাম উল্লেখযোগ্য কবি পীতাম্বৰে কুমাৰ সমৰ সিংহৰ আদেশত কেবাখনো অসমীয়া পুথি লিখে। তাৰ ভিতৰত দশম স্কন্ধ ভাগৱত আৰু মাৰ্কণ্ডেয় পুৰাণ প্ৰধান। সমৰসিংহ মহাৰাজা নৰনাৰায়ণৰে এটা উপাধি আছিল। মহাৰাজ নৰনাৰায়ণে ৰাজপাতত বহাৰ আগতে পীতাম্বৰ কবিৰ হতুৱাই পুথি লিখাইছিল। কোচ-বিহাৰ সাহিত্য সভাৰ সুযোগ্য সম্পাদক প্ৰত্নতত্ত্বজ্ঞ শ্ৰীযুত আমানত উল্লা চৌধুৰী ডাঙৰীয়াই কবি পীতাম্বৰ আৰু প্ৰসিদ্ধ স্মৃতিগ্ৰন্থ কৌমুদী বিলাকৰ ৰচক পীতাম্বৰ সিদ্ধান্ত বাগীশ একেজন মানুহ বুলি কয়। কিন্তু এই মত সঁচা বুলি মানিবলৈ বহুত প্ৰতিবন্ধক আছে।

নতুনকৈ যিবোৰ অসমীয়া পুথি পোৱা হল সেই সকলোবোৰৰে বিৱৰণ, ভাষাৰ নমুনা আদিৰ বিষয়ে লিখিবলৈ গলে বৰ বাহুল্য হয়; বিশেষতঃ সেই আটাই-বোৰকে এনেকুৱা এটা প্ৰবন্ধৰ ভিতৰত ঠাই দিয়াও অসম্ভৱ। গতিকে সেইবোৰ ইয়াত নিলিখি ক্ৰমে ক্ৰমে সাহিত্য সভা পত্ৰিকাত প্ৰকাশ কৰিবলৈ বুলি থৈ দিয়া হল।

কিছুমান পুথি এনে জৰাজীৰ্ণ হৈছে যে তাক নকল নকৰিলে ২।১ বছৰতে সেইবোৰ কালৰ কৰাল গ্ৰাসত পৰি ধ্বংশ হ'ব। অনেক পুথি পাতে পাতে জাপ খাই এনে হৈছে যে মেলিবই নোৱাৰি। সেইদেখি অতি সোনকালে নকল কৰাব লগা পুথিৰ নাম আৰু সেই পুথি ক'ত আছে তাক তলত লিখা হল।

ৰাজকীয় পুথি ভঁৰালত নকল কৰাব লগীয়া পুথিৰ তালিকা :—

১। মাৰ্কণ্ডেয় পুৰাণ ——পীতাম্বৰ কবিৰ ৰচিত
২। গড়ুৰ কৃষ্ণাৰ্জ্জুন সংবাদ—শ্ৰীশঙ্কৰ দেৱৰ ৰচিত
৩। শিৱাগম——লিখক অজ্ঞাত
৪। ষট স্কন্ধ —— জগন্নাথ দ্বিজ
৫। সভাপৰ্ব্ব ——গোপীনাথ দ্বিজ
৬। সুবৰ্ণ ঘটিকা————যদুমনি
৭। আদি পৰ্ব্ব————শ্ৰীনাথ
৮। মনসা উপাখ্যান————জানকীনাথ
৯। গীত গোবিন্দ ( আধুৰুৱা )—জগত সিংহ
১০। কৰ্ণপৰ্ব্ব ————বিদ্যা পঞ্চানন।
১১। উদ্যোগ পৰ্ব্ব ————দ্বিজ কবিৰাজ।
১২। দ্বিতীয় স্কন্ধ ————অনিৰুদ্ধ।

ভেলাডাঙ্গা সত্ৰত নকল কৰাব লগীয়া পুথিৰ তালিকা :—

১। বনগীতা ————কবি কালীদাস
২। দশম স্কন্ধ ————কবি পীতাম্বৰ
৩। শঙ্কৰ মাধৱ সংবাদ————লিখক অজ্ঞাত
৪। ভক্তি ৰত্নাকৰ লিখক অজ্ঞাত

খাগৰাবাড়ীৰ শ্ৰীযুত ভৱশঙ্কৰ শ্ৰুতিৰত্ন মহাশয়ৰ ঘৰত নকল কৰাব লগীয়া পুথিঃ—



১। সংক্ষিপ্ত মহাভাৰত ——ৰাম নাৰায়ণ ৰচিত।

কোৱা বাহুল্য যে ওপৰত লিখা আটাইবিলাক পুথি অসমীয়া। সংস্কৃত বা বঙ্গলা নকল কৰাব লগা পুথিৰ কথা উল্লেখ কৰা নাই।

ৰাজকীয় পুথিভঁৰালৰ পুথিবোৰ নকল কৰাব লাগিলে কোচ বিহাৰ ৰাজ্যৰ 'ৰিজেঞ্চি' কাউন্সিলৰ ভাইচ্‌ প্ৰেচিডেণ্ট মহাশয়ৰ অনুমতি লব লাগিব। গতিকে এই সমন্ধে সাহিত্য সভাই কিবা কৰিব খুজিলে ভাইচ্‌ প্ৰেচিডেণ্ট মহাশয়ৰ লগত পত্ৰ ব্যৱহাৰ কৰিব লাগিব। নকল কৰি অনাৰ অনুমতি সহজে পোৱা যাব।

পুৰণি পুথিত থকা হেঙ্গুল হাইতালৰ ছবিৰ দুই চাৰিখনৰ ফটোগ্ৰাফ কৰি অনাৰ ইচ্ছা আছিল। পিচত অনুসন্ধানৰ ফলত জনা গল যে ভাল ভাল ছবি বিলাকৰ সৰহখিনিৰে তৈয়াৰী ব্লক আছে। সেইবোৰ তৈয়াৰ কৰোৱা হৈছিল কোচ-বিহাৰৰ পৰা ওলোৱা "পৰিচাৰিকা" কাগজত দিবলৈ। এতিয়া "পৰিচাৰিকা" কাকত বন্ধ হোৱাত সেইবোৰ এনেয়ে পৰি আছে। গতিকে আমাৰ সাহিত্য সভাৰ পত্ৰিকাত দিবলৈ সেইবোৰকে খাবলৈ পাবৰ সম্ভাৱনা আছে। সেই দেখি সেই বোৰ ছবিৰ ফটো তুলি অনা নহল। আমাৰ পত্ৰিকা সম্পাদকে নাইবা প্ৰধান সম্পাদক মহাশয়ে "পৰিচাৰিকাৰ" ভূতপূৰ্ব্ব সহকাৰী সম্পাদক শ্ৰীযুত জানকীবল্লভ বিশ্বাস মহাশয়ৰ লগত চিঠি চলালে সেইবোৰ আনিব পাৰিব। "শ্ৰীযুত জানকীবল্লভ বিশ্বাস মহাশয়, কোচ-বিহাৰ" বুলি চিঠি দিলেই পাব। বৰ্ত্তমান তেখেতে ভাইচ্‌ প্ৰেচিডেণ্টৰ অফিচত কাম কৰে।

উপসংহাৰত এইটো কথা কোৱা উচিত যে কোচ বিহাৰ অনুসন্ধান কাৰ্য্যত কোচ-বিহাৰ নিবাসী যি কোনো ভদ্ৰলোকৰ ওচৰত যি কোনো সাহায্য বিচৰা হৈছে তেওঁ পৰাপক্ষত সেই সহায় কৰিবলৈ কৃপণালি কৰা নাই। ৰাজকৰ্ম্মচাৰী সকলেও অনুসন্ধান কাৰ্য্যৰ সকলো সুবিধা কৰি দিছে। আৰু বিশেষকৈ উল্লেখ কৰিব লাগে কোচ-বিহাৰ সাহিত্য সভাৰ সম্পাদক প্ৰত্নতত্ত্বজ্ঞ শ্ৰীযুত আমানত উল্লা চৌধুৰী ডাঙৰীয়াৰ কথা। তেখেতে প্ৰায় সদায় মোৰ লগতে থাকি অনুসন্ধান কাৰ্য্যৰ অনেক সুবিধা কৰি দিছে। অনেক পুথি তেখেতে নিজেও পৰীক্ষা কৰিছে। তেওঁৰ বিশেষ আগ্ৰহতে কোচ-বিহাৰ সাহিত্য সভাত অসমীয়া সাহিত্যৰ সম্পৰ্কে এটি বক্তৃতা দিয়া হয়। সেই বক্তৃতা শুনিবলৈ কোচ-বিহাৰৰ প্ৰায় সকলো শিক্ষিত ভদ্ৰলোক আহিছিল। তেখেতসকলে অসমীয়া ভাষাৰ প্ৰাচীন সম্পদৰ কথা শুনি বিস্ময় প্ৰকাশ কৰিছিল। আৰু সেই সভাতে পণ্ডিত শ্ৰীযুত অখিলচন্দ্ৰ পালিত মহাশয়ে বঙ্গালীসকলকো প্ৰাচীন আৰু নবীন অসমীয়া সাহিত্যৰ আলোচনা কৰিবলৈ অনুৰোধ কৰে। এই বক্তৃতাৰ পিচত অনেক শিক্ষিত ভদ্ৰলোকে অসমীয়া সাহিত্যৰ বিষয়ে অনেক কথা মোক সুধিছে। তাৰ ভিতৰৰে দুই এজন লোকে ভাল ভাল অসমীয়া কিতাপ ভিঃ পিঃ কৰি পঠাবলৈ কৈছে। কোচ-বিহাৰ ব্ৰাহ্মণ সমাজতো এদিন বক্তৃতা দিবলৈ আহ্বান কৰিছিল। তাতো প্ৰসঙ্গক্ৰমে মহাৰাজ নৰনাৰায়ণ আৰু প্ৰাচীন অসমীয়া সাহিত্যৰ কথা কোৱা হৈছিল। ( অৱশ্যে আমাৰ জ্ঞান অনুসৰি )

আৰু এটা বিশেষ কথা ইয়াত উল্লেখ কৰা উচিত বুলি ভাবোঁ। কোচ-বিহাৰৰ সকলো পুৰোহিত কামৰূপীয়া ব্ৰাহ্মণ। এওঁলোকে গাঁৱে গাঁৱে বাস কৰি আছে। আৰু এই ব্ৰাহ্মণবিলাকৰ প্ৰভাৱতে অনেক কামৰূপীয়া গোঁসাই গৈ কোচ-বিহাৰ, ৰংপুৰ, জলপাইগুড়ি আদি ঠাইত অনেক লোকক শৰণ ভজন দি শিষ্য কৰিছে। এই পুৰোহিত আৰু গোসাঁইসকলৰ কোচ বিহাৰ আদি ঠাইৰ সকলোতে প্ৰভাৱো কম নহয়। এওঁ লোকে চেষ্টা কৰিলে দেশৰ হকে, অসমীয়া সাহিত্যৰ হকে নানা প্ৰকাৰ ভাল ভাল কাম কৰিব পাৰে। তাৰ ভিতৰত অসমীয়া সাহিত্যৰ প্ৰচাৰ যাই বুলি ধৰিব পাৰি। কোচ-বিহাৰত কীৰ্ত্তন, দশম, নাম-ঘোষা, ৰত্নাৱলী, গীতা প্ৰভৃতি পুথিৰ সহায়ত অসমীয়া সাহিত্যলৈ অনুৰাগ জন্মাব পাৰি। ধৰ্ম্ম পুথিবোৰ মানুহে পঢ়ি ভাল পালে আইন অইন কিতাপ পত্ৰও পঢ়িবৰ ইচ্ছা কৰিব।

কিন্তু দুখৰ বিষয় এই গোসাঁই আৰু বামুণ বিলাকৰ ভিতৰত তেনে ধৰণৰ শিক্ষিত লোক সৰহ নথকাত এনেকুৱা কোনো কাৰ্য্যই হোৱা নাই। এওঁলোকে কেৱল

যজমানি আৰু শিষ্য ব্যৱসায় কৰিছে আছে। এই বিলাক লোকৰ মাজত সভা-সমিতি পাতি এনেবোৰ কাৰ্য্যৰ বাবে আগ্ৰহ জন্মাব পাৰিলে, মনত এটি প্ৰেৰণা দিব পাৰিলে তেওঁলোকৰ দ্বাৰাই অনেক ভাল ভাল কাম কৰাব পাৰি।

মফচলৰ কোনো কোনো ঠাইৰপৰা সভা সমিতি পাতি, আমাক নিবলৈ মানুহ আহিছিল। বোধ কৰোঁ এই কামো বামুণবিলাকৰ প্ৰভাৱতে হৈছিল। নহলে তাৰ মানুহে আন কোনো কাৰণত আমাক জনাৰ সম্ভাৱনা নাই। সি যি হওক, তেতিয়া বতৰ বৰ বেয়া থকাৰ গতিকে, বিশেষকৈ সেইবোৰ সভা সমিতি ৰাজ নৈতিক হোৱা কাৰণে আমাৰ আচল উদ্দেশ্যত কিবা ব্যাঘাত হব পাৰে বুলিও সেই বিলাকলৈ যোৱা নহল। অৱশ্যে অহা লোকসকলক কথা বতৰা কৈ বিশেষকৈ আমাৰ উদ্দেশ্যৰ কথা বুজাই সন্তুষ্ট কৰি পঠোৱা হৈছিল।

কোচ-বিহাৰ কলেজত অসমীয়া শিক্ষাৰ ব্যৱ সম্বন্ধেও তাৰ প্ৰিন্সিপাল মহাশয়ৰ লগত আলোচ হৈছিল। তেখেতে কলে, যে যদি ইয়াত এটা বন্দো নিচিনাকৈ ছাত্ৰ থাকে তেনেহলে তেওঁ তাত ভবিষ্য অসমীয়া শিক্ষাৰ ব্যৱস্থা কৰিবলৈ টানি ধৰিব। এ বছৰ কোচ-বিহাৰ কলেজত অসমীয়া ছাত্ৰ ৩৩ জ মানহে আছে।

ভগৱানৰ শ্ৰীপাদপদ্মত প্ৰণাম কৰি কোচ-বিহ অনুসন্ধান কাৰ্য্যৰ বিবৰণ ইয়াতে শেষ কৰা হ'ল। ভগৱানে আসাম সাহিত্য সভাৰ মঙ্গল কৰক। অসমীয় সাহিত্যৰ সৰ্ব্বপ্ৰকাৰ সমৃদ্ধি হওক।

ওঁ শান্তিঃ, ওঁ শান্তিঃ, ওঁ শান্তিঃ।

শ্ৰীপ্ৰতাপচন্দ্ৰ গোস্বামী

---

# কোচ-বিহাৰত পোৱা পুথিৰ তালিকা।

## অসমীয়া পুথি।

১। ত্ৰৈশিক পৰ্ব্ব। ২। আদি পৰ্ব্ব।
৩। ভীষ্ম পৰ্ব্ব। ৪। কৰ্ণ পৰ্ব্ব।
৫। দ্ৰোণ পৰ্ব্ব। ৬। দ্ৰৌপদীৰ সয়ম্বৰ।
৭। কিষ্কিন্ধ্যা কাণ্ড। ৮। হৰিশ্চন্দ্ৰ উপাখ্যান।
৯। বলিছলন। ১০। শ্ৰীমদ্ভাগৱত গীতা।
১১। জগন্নাথ মাহাত্ম্য। ১২। চানক্য শ্লোক।
১৩। গোপী-উদ্ধৱ সংবাদ। ১৪। স্যমন্তক উপাখ্যান।
১৫। মাৰ্কণ্ডেয় পুৰাণ। ১৬। ভাগৱত দশম (অনন্ত)
১৭। স্কন্দ পুৰাণ (ব্ৰহ্মোত্তৰ খণ্ড) ১৮। যম গীতা।
১৯। হৰিশ্চন্দ্ৰ উপাখ্যান। ২০। অমৃত মথন।
২১। বৰ গীত। ২২। লঙ্কা কাণ্ড।
২৩। স্বৰ্গ খণ্ড। ২৪। দশম স্কন্ধ।
২৫। কিষ্কিন্ধ্যা কাণ্ড। ২৬। ভক্তি প্ৰদীপ।
২৭। জন্মাষ্টমী ব্ৰতকথা। ২৮। শান্তি পৰ্ব্ব (বাজধৰ্ম
২৯। প্ৰস্থানিক পৰ্ব্ব। ৩০। কাশী খণ্ড।
৩১। ঋতু সংহাৰ। ৩২। মাৰ্কণ্ডেয় পুৰাণ।
৩৩। শিবাগম। ৩৪। মোহমুদ্গৰ।
৩৫। অৰ্জ্জুন সংবাদ। ৩৬। ভাগৱত ( ২য় স্কন্ধ)
৩৭। দশমস্কন্ধ ভাগৱত পীতাম্বৰ।
৩৮। কীৰ্ত্তন ( শঙ্কৰদেৱ ৰচিত )
৩৯। শঙ্কৰ মাধৱ সংবাদ। ৪০। ভক্তি প্ৰদীপ।
৪১। ভক্তিয়া পুথি। ৪২। ভাগৱত ১ম স্কন্ধ (শঙ্কৰদেৱ)
৪৩। মহামহন্তৰ গোপনীয় কথা। ৪৪। ভক্তিয়া পুথি।
৪৫। ভক্তি ৰত্নাৱলী। ৪৬। ৰুক্মিণী হৰণ।



৪৭। অজামিল উপাখ্যান। ৪৮। ভক্তি ৰত্নাকৰ।
৪৯। দশম। ৫০। অমৃত মথন।
৫১। বলিছলন। ৫২। তৃতীয়স্কন্ধ (শঙ্কৰ দেৱ)
৫৩। ভক্তিমা। ৫৪। পাণ্ডৱী গীতা।
৫৫। গীতা। ৫৬। শঙ্কৰ মাধৱ সংবাদ।
৫৭। নাম মালিকা। ৫৮। শঙ্কৰ চৰিত্ৰ।
৫৯। একাদশ স্কন্ধ (শঙ্কৰ দেৱ) ৬০। ভক্তি ৰত্নাৱলী।
৬১। উত্তৰাকাণ্ড। ৬২। একাদশ স্কন্ধ (শঙ্কৰ দেৱ)
৬৩। অৰণ্য কাণ্ড। ৬৪। অযোধ্যা কাণ্ড (ৰঘুৰাম )
৬৫। দ্ৰৌপদীৰ সয়ম্বৰ (শ্ৰীনাথ)। ৬৬। ষষ্ঠ স্কন্ধ (জগন্নাথ)
৬৭। ৰাজসূয়। ৬৮। দ্ৰৌপদীৰ সয়ম্বৰ।
৬৯। গড়ুৰ পুৰাণ (অসম্পূৰ্ণ) ৭০। ভীষ্ম পৰ্ব্ব (ৰঘুৰাম)।
৭১। গীতা। ৭২। সভাপৰ্ব্ব ( গোপীনাথ )।
৭৩। সভাপৰ্ব্ব ( পাঠক ) ৭৪। সুবৰ্ণ ঘটিকা (বহুমনি)।
৭৫। কৰ্ণ পৰ্ব্ব ( বলৰাম ) ৭৬। কৰ্ণ পৰ্ব্ব ( লক্ষ্মীৰাম )।
৭৭। কৰ্ণ পৰ্ব্ব ( পৰমানন্দ ) ৭৮। আদি পৰ্ব্ব (শ্ৰীনাথ)।
৭৯। কীৰ্ত্তন পুথি। ৮০। ৰুক্মিণী হৰণ।
৮১। শৈল্য পৰ্ব্ব। ৮২। মনসা উপাখ্যান।
৮৩। আদিকাণ্ড ৰামায়ণ। ৮৪। দ্ৰোণ পৰ্ব্ব।
৮৫। ঘোষ যাত্ৰা। ৮৬। বিৰাট পৰ্ব্ব।
৮৭। নাৰদ পুৰাণ। ৮৮। প্ৰথম স্কন্ধ।
৮৯। গীত গোবিন্দ। ৯০। গোপীউদ্ধৱ সংবাদ।
৯১। কৰ্ণ পৰ্ব্ব। ৯২। উদ্যোগ পৰ্ব্ব।
৯৩। ভক্তি ৰত্নাৱলী। ৯৪। আদি কাণ্ড।
৯৫। সভা পৰ্ব্ব। ৯৬। ভাগৱত ২য়স্কন্ধ (অনিৰুদ্ধ)।
৯৭। ৰাজপুত্ৰ উপাখ্যান। ৯৮। একাদশ স্কন্ধ।
৯৯। জন্ম ৰহস্য। ১০০। ভীষ্ম পৰ্ব্ব।
১০১। লৱ কুশ যুদ্ধ। ১০২। দশম স্কন্ধ।
১০৩। ভাগৱত সাৰ। ১০৪। অষ্টম স্কন্ধ।
১০৫। দশম স্কন্ধ। ১০৬। দ্বাদশ স্কন্ধ।
১০৭। একাদশ স্কন্ধ। ১০৮। কীৰ্ত্তন।
১০৯। নামঘোষা। ১১২। কুৰুক্ষেত্ৰ।
১১০। নাম মালিকা। ১১১। ৰাজসূয়।
১১৩। ৰুক্মিণী হৰণ। ১১৪। জন্মৰহস্য।
১১৫। জন্ম নিৰ্ণয়। ১১৬। দীপিকাছন্দ।
১১৭। ভক্তি ৰত্নাৱলী। ১১৮। আদিকাণ্ড।
১১৯। হৰিশ্চন্দ্ৰ উপাখ্যান। ১২০। তৃতীয় স্কন্ধ।
১২১। ভক্তি প্ৰদীপ। ১২২। প্ৰেমাৱলী।
১২৩। বৈষ্ণৱামৃত। ১২৪। কৃষ্ণ গুণমালা।
১২৫। কুৰুক্ষেত্ৰ যাত্ৰা। ১২৬। অৰ্জ্জুন গীতা।
১২৭। বৰগীত। ১২৮। দধিমথন যাত্ৰা।
১২৯। জন্মাষ্টমী ভাওনা। ১৩০। সীতা সয়ম্বৰ।
১৩১। প্ৰেম কলহ। ১৩২। শঙ্কৰ চৰিত্ৰ।
১৩৩। আদি কাণ্ড। ১৩৪। কিষ্কিন্ধ্যা কাণ্ড।
১৩৫। অযোধ্যা কাণ্ড। ১৩৬। নাম ঘোষা।
১৩৭। সংক্ষিপ্ত মহাভাৰত। ১৩৮। আদি পৰ্ব্ব।

## সংস্কৃত পুথি।

১। ভীষ্ম পৰ্ব্ব। ২। অদ্ভুত ৰামায়ণ
৩। শান্তি পৰ্ব্ব মোক্ষধৰ্ম্ম ৪। লঙ্কা কাণ্ড ৫। ৰাজ ধৰ্ম্ম
৬। সুন্দৰা কাণ্ড ৭। কিষ্কিন্ধ্যা কাণ্ড ৮। অৰণ্য কাণ্ড
৯। অযোধ্যা কাণ্ড ১০। শান্তি পৰ্ব্ব—দানধৰ্ম্ম
১১। ভীষ্ম পৰ্ব্ব ১২। উদ্যোগ পৰ্ব্ব ১৩। হৰি বংশ
১৪। দ্ৰোণ পৰ্ব্ব ১:। ভীষ্ম পৰ্ব্ব ১৬। বিৰাট পৰ্ব্ব
১৭। কৰ্ণ পৰ্ব্ব ১৮। লঙ্কা কাণ্ড ১৯। অগস্ত্য সংহিতা
২০। ভাগৱত ( ১ম স্কন্ধ ) ২১। ভাগৱত ( ২য় স্কন্ধ )
২২। ভাগৱত (৩য় স্কন্ধ) ২৩। অগ্নি পুৰাণ ২৪। গোগ্ৰাস মন্ত্ৰ
২৫। মহানিৰ্ব্বাণ তন্ত্ৰ ২৬। হৰি নামামৃত ব্যাকৰণ
২৭। বালবোধ ব্যাকৰণ ২৮। পঞ্চক্ৰোশ যাত্ৰা
২৯। জগদ্ধাত্ৰীপূজা পটল ৩০। শিৱৰাত্ৰিপূজা পদ্ধতি
৩১। শান্তি পৰ্ব্ব--মোক্ষধৰ্ম্ম ৩২। জ্যোতি মুক্তাৱলী
৩৩। দীক্ষা দৰ্শন ৩৪। প্ৰত্যঙ্গিৰা স্তোত্ৰ
৩৫। প্ৰয়োগ তন্ত্ৰ ৩৬। দশকৰ্ম্ম বিধি
৩৭। গ্ৰহযাগ বিধি ৩৮। সৰ্ব্ব দেৱ দেৱী পূজা
৩৯। ৰত্নমালা অভিধান ৪০। মাৰ্কণ্ডেয় পুৰাণ
৪১। কুমাৰী পূজা বিধি ৪২। বৃহৎনাৰদীয় পুৰাণ
৪৩। নৰসিংহ পুৰাণ ৪৪। স্ত্ৰী পৰ্ব্ব
৪৫। আশ্ৰমবাসীক পৰ্ব্ব ৪৬। মৌষল পৰ্ব্ব
৪৭। মহা প্ৰস্থানিক পৰ্ব্ব ৪৮। অশ্বমেধ পৰ্ব্ব

৪৯। শল্য পৰ্ব্ব ৫০। আদিকাণ্ড ৰামায়ণ
৫১। বৃহদ্ধৰ্ম্ম পুৰাণ ৫২। অৰণ্য কাণ্ড
৫৩। কিষ্কিন্ধ্যা কাণ্ড ৫৪। সুন্দৰা কাণ্ড
৫৫। গীতা ৫৬। সভা পৰ্ব্ব ৫৭। স্ত্ৰী পৰ্ব্ব
৫৮। স্বৰ্গাৰোহণ পৰ্ব্ব ৫৯। স্কন্দ পুৰাণ
৬০। হৰি বংশ ৬১। অযোধ্যা কাণ্ড
৬২। উত্তৰা কাণ্ড ৬৩। ভাগৱত পুৰাণ
৬৪। হৰি বংশ ৬৫। ব্ৰহ্ম বৈবৰ্ত্ত ৬৬। আদি পৰ্ব্ব
৬৭। অদ্ভুত উত্তৰাকাণ্ড ( ৰামায়ণ )
৬৮। বামণ পুৰাণ ৬৯। ভক্তি ৰত্নাৱলী ৭০। সভা পৰ্ব্ব
৭১। কাশী খণ্ড ৭২। গদা পৰ্ব্ব ৭৩। দেবী ভাগৱত
৭৪। ঐশিক ৭৫। সৌপ্তিক পৰ্ব্ব ৭৬। সৌপ্তিক পৰ্ব্ব
৭৭। ঐশিক পৰ্ব্ব ৭৮। মৌষল পৰ্ব্ব
৭৯। মহা প্ৰস্থানিক পৰ্ব্ব ৮০। স্বৰ্গাৰোহন
৮১। আশ্ৰমবাসীক পৰ্ব্ব ৮২। কালীকা পুৰাণ
৮৩। অশ্বমেধ পৰ্ব্ব ৮৪। কৰ্ণ পৰ্ব্ব ৮৫। কাৰিকা
৮৬। ৰত্নমালা ব্যাকৰণ ৮৭। গঙ্গা স্তোত্ৰ
৮৮। লক্ষ্মী স্তোত্ৰ ৮৯। বটুকাস্তব ৯০। মঙ্গল স্তোত্ৰ
৯১। ঘটস্থাপন বিধি ৯২। কালীশতনাম স্তোত্ৰ
৯৩। শান্তি স্তোত্ৰ ৯৪। যোগী স্তোত্ৰ
৯৫। শিবশতনাম স্তোত্ৰ ৯৬। পূৰ্ণাভিষেক বিধি
৯৭। তাৰাপূজা বিধি ৯৮। একজটা স্তোত্ৰ
৯৯। তাৰাকবচ ১০০। নিত্যপূজাবিধি ১০১। দুৰ্গা স্তোত্ৰ
১০২। দুৰ্গা কবচ ১০৩। বলিদান বিধি
১০৪। দুৰ্গাশতনাম স্তোত্ৰ ১০৫। অশৌচ বিবেক
১০৬। দত্ত বিবেক ১০৭। বিজয়টীকা (গীতগোবিন্দৰ)
১০৮। কৃৎ প্ৰকৰণ দীপিকা ১০৯। দিন ভাস্কৰ
১১০। ব্যৱস্থাসাৰ সঞ্চয় ১১১। অশৌচ নিৰ্ণয়
১১২। উদ্বাহ নিৰ্ণয় ১১৩। লিঙ্গ সংগ্ৰহ ১১৪। হাস্তাৰ্ণৱ
১১৫। দান খণ্ড ১১৬। সৰস্বতী তন্ত্ৰ
১১৭। ব্ৰহ্ম জ্ঞানাৰ্ণৱ তন্ত্ৰ ১১৮। কবি কল্পলতা
১১৯। ৰামায়ণ আদিকাণ্ড ১২০। ব্ৰহ্ম বৈবৰ্ত্ত (ব্ৰহ্ম খণ্ড)
১২১। কাশী খণ্ড ১২২। গনেশ খণ্ড ( ব্ৰহ্ম )
১২৩। অমৰ কোষ ১২৪। বঙ্গ সূচী
১২৫। পঞ্চ মকাৰ ১২৬। কালীকা স্তোত্ৰ
১২৭। মেধাসাম্ৰাজ্যপ্ৰদ—কালীকা শতনাম স্তোত্ৰ।
১২৮। অৰ্দ্ধনাৰীশ্বৰ স্তোত্ৰ ১২৯। মহিম্ন স্তোত্ৰ।
১৩০। দুৰ্গাপূজা পদ্ধতি। ১৩১। ৰুদ্ৰযামাল।
১৩২। ৰামায়ণ আদি কাণ্ড ১৩৩। ভাগৱত-২য়স্কন্ধ
১৩৪। তুলসী মাহাত্ম্য ১৩৫। ব্ৰহ্মাণ্ড পুৰাণ
১৩৬। কাশী খণ্ড ১৩৭। দানধৰ্ম্ম পৰ্ব্ব ১৩৮। আদি পৰ্ব্ব
১৩৯। ক্ৰিয়াযোগসাৰ (পদ্মপুৰাণ) ১৪০। ২য় শীৰ্ষ পঞ্চৰাত্ৰ
১৪১ তিথ্যাদি কৃত্য ১৪২। মৎস্য সূক্ত
১৪৩। তাৰা কল্প ১৪৪। ক্ৰিয়াকৰ্ম্ম বিধি
১৪৫। ৰাধা তন্ত্ৰ ১৪৬। দণ্ডনীতি ১৪৭। নীলতন্ত্ৰ
১৪৮। তন্ত্ৰসাৰ ১৪৯। তন্ত্ৰোক্তপ্ৰায়শ্চিত্ত সংগ্ৰহ
১৫০। বৃহৎ যোগিনী তন্ত্ৰ ১৫১। পূজাবিধি
১৫২। গনেশ পুৰাণ ১৫৩। মুণ্ডনাদি বিধি
১৫৪। শিব গীতা ১৫৫। মিতাক্ষৰা
১৫৬। শাস্ত্ৰ দীপিকা ১৫৭। শ্যামাৰহস্য তন্ত্ৰ
১৫৮। তীৰ্থ কল্পলতা ১৫৯। নিৰুত্তৰ তন্ত্ৰ
১৬০। ৰাধাতন্ত্ৰ ( বাসুদেৱৰহস্যান্তৰ্গত )
১৬১। অশৌচ ব্যৱস্থা ১৬২। ৰত্নমালা ব্যাকৰণ
১৬৩। জ্যোতি মুক্তাৱলী ১৬৪। কাল কৌমুদী
১৬৫। তীৰ্থযাত্ৰা পদক ১৬৬। জ্যোতিষসাগৰসাৰ
১৬৭। জ্যোতি মুক্তাৱলী ১৬৮। আচাৰ কৃত্য
১৬৯। প্ৰায়শ্চিত্ত বিবেক ১৭০। মলমাস তত্ত্ব
১৭১। একাদশী তত্ত্ব ১৭২। হৰিনামামৃত ব্যাকৰণ
১৭৩। নানা প্ৰকাৰ ক্ষুদ্ৰ ক্ষুদ্ৰ তন্ত্ৰ
১৭৪। বিৰাট পৰ্ব্ব ১৭৫। উদ্যোগ পৰ্ব্ব
১৭৬। হৰিবংশ ১৭৭। নানা প্ৰকাৰ ছিন্ন পত্ৰ
১৭৮। তন্ত্ৰৰ পুস্তক ১৭৯। কৰ্ণ পৰ্ব্ব
১৮০। চণ্ডীৰ টীকা ১৮১। ব্ৰহ্মবৈবৰ্ত্ত পুৰাণ
১৮২। অধ্যাত্ম ৰামায়ণ ১৮৩। উৎকল খণ্ড
১৮৪। সত্যনাৰায়ণ ব্ৰত কথা ১৮৫। সৰ্ব্বন্যাস তন্ত্ৰ
১৮৬। ৰামগীতা ভাষ্য ১৮৭। জৈমিনীৰ লব কুশ উপাখ্যান
১৮৮। আধ্যাত্ম ৰামায়ণ ১৮৯। নিগম কল্পদ্ৰুম
১৯০। সৎকৰ্ম্ম সন্দৰ্ভ ১৯১। শক্তি গীতা
১৯২। গীতা সাৰ ১৯৩। কালীউদ্ধাৰ তন্ত্ৰ
১৯৪। ব্ৰহ্মজ্ঞানাৰ্ণৱ তন্ত্ৰ।



## বঙালী পুথি।

১। বিষ্ণুপুৰাণ ২। আশ্ৰমিক পৰ্ব্ব ৩। উত্তৰাকাণ্ড
৪। শিব কীৰ্ত্তণ ৫। ব্ৰহ্ম খণ্ড ৬। অৰণ্য কাণ্ড
৭। গদাপৰ্ব্ব ৮। ধৰ্ম্ম পুৰাণ ৯। শিব পুৰাণ
১০। গঙ্গাভক্তি তৰঙ্গিনী ১১। নল দময়ন্তী
১২। অশ্বমেধ পৰ্ব্ব ১৩। শিশু বোধক ১৪। বৈষ্ণৱ গ্ৰন্থ (১২ মাসী) ১৫। পদ্মপুৰাণ (মনসাউপাখ্যান)
১৬। পদ্মপুৰাণ ( অসম্পূৰ্ণ ) ১৭। লঙ্কাকাণ্ড ১৮। বৃহদ্ধৰ্ম্ম পুৰাণ ১৯। দ্বাত্ৰিংশত পুত্তলিকা ২০। ভ্ৰমৰ গীতা
২১। কিষ্কিন্ধ্যা কাণ্ড ২২। ব্ৰহ্ম বৈবৰ্ত্ত পুৰাণ ( প্ৰকৃতি খণ্ড ) ২৩। মুষল পৰ্ব্ব ২৪। স্বৰ্গাৰোহণ ২৫। লঙ্কা-কাণ্ড ২৬। ৰূপ সনাতন চৰিত্ৰ ২৭। সাধন ভক্তি চন্দ্ৰিকা ২৮। ৰাধাকলঙ্কভঞ্জন ২৯। হংস দূত
৩০। হংস দূত ৩১। হৰি নাম কবচ ৩২। বৃন্দাবন ধ্যান
৩৩। ভক্তি বিবচণ ৩৪। সহজ চৰিত্ৰ ৩৫। চৈতন্য-গীতা
৩৬। বৈষ্ণৱ বন্দনা ৩৭। বৈষ্ণৱ চৰিত্ৰ
৩৮। নাম নথকা বৈষ্ণৱ গ্ৰন্থ ৩৯। নাম নথকা বৈষ্ণৱ গ্ৰন্থ
৪০। ৰামায়ণ অযোধ্যা কাণ্ড ৪১। সুন্দৰা কাণ্ড ৪২। চণ্ডী
৪৩। হিতোপদেশ ৪৪। শৈল্য পৰ্ব্ব ৪৫। বৃহদ্ধৰ্ম্ম পুৰাণ
৪৬। কৰ্ণ পৰ্ব্ব ৪৭। কৰ্ণ পৰ্ব্ব ৪৮। শিব পুৰাণ
৪৯। আতুৰ সন্ন্যাস ৫০। হিতোপদেশ ৫১। অৰ জৰা মন্ত্ৰ
৫২। ভৌতিক মন্ত্ৰ ৫৩। চণ্ডিকাৰ ব্ৰত কথা
৫৪। ধৰ্ম্ম পুৰাণ ৫৫। ক্ৰিয়া যোগ সাৰ ৫৬। শান্তি পৰ্ব্ব ( দানধৰ্ম্ম পৰ্ব্বাধ্যায় ) ৫৭ উপকথা ৫৮। কোচ-বিহাৰ ইতিহাস ৫৯। সুন্দৰা কাণ্ড ৬০। ৰাম ৰামায়ণ।

এই তালিকাত একে পুথিৰে নাম একাধিক বাৰ উল্লেখ কৰা হৈছে। তাৰ কাৰণ, কোচ-বিহাৰত আচ-লতে কিমানখন পুথি পোৱা গৈছে তাৰ সংখ্যাটো দেখুওৱা।

শ্ৰীপ্ৰতাপচন্দ্ৰ গোস্বামী।

---

## মাতৃ-পূজা।

শৰাই ঘাটত মোগল সেনাই পাতিছে আজি তুমুল ৰণ
অসম দেশৰ সকলো সেনাই জীৱণ মৰণ কৰিছে পণ।
দুইদলে আজি মনত ভাবিছে "আমাৰেই হ'ব নিশ্চয় জয়"
স্বদেশ প্ৰেমত মজিছে সকলো নাই কৰা কেৰে প্ৰাণৰ ভয়।
এনেয়ে সবহ মোগল সেনা তা'তে ৰাজপুত লগত আছে
তথাপি তাকৰ অসম সেনাৰ স্বদেশ-প্ৰেমত হিয়াই নাচে।
লাচিত ফুকন সেনাপতি নিজে প্ৰাণক উছৰ্গি পাতিছে ৰণ,
অন্তৰত কিন্তু ভাবিছে ফুকনে হবনে নহব বিজয় ৰণ।
মন্ত্ৰণা কৰিছে ৰাতি থাকোতেই গড় বন্ধা কাম কৰিব শেষ,
দুৰ্জ্জয় শত্ৰুক মোগলক জিনি উদ্ধাৰ কৰিব অসম দেশ।
মোমাই তামুলীৰ ভাগত পৰিছে গড়ৰ সকলো কামৰ দায়।
ল'ৰা বুঢ়া ডেকা সকলো লাগিছে নেখাটিলে কাৰো এৰণ নাই।
তিনিপৰ ৰাতি তামুলী ঘূৰিছে গড়ৰ কাৰ্য্য সকলো চাই,
নাই বহু ৰাতি, ক্লান্ত সকলোটি গড় শেষ আজি ন'হব হায়।
যদি আজি ৰাতি গড় বাকী থাকে জনমভূমীৰ কি দশা হ'ব
দুৰন্ত শত্ৰুক মোগল সেনাই অচিৰতে আহি আক্ৰমি ল'ব।
এচুকত গৈ দেখিলে পাচত শুই আছে সেনা টোপনি বৰ,
ভাবিছে তামুলী কি কৰা উচিৎ নহ'ব নহ'ব ৰাতিতে গড়।
দিনৰ দিনতো ৰণত ভাগৰি আকৌ গড়ত কৰিছে দুখ.
খন্তেক মাথোন লভিছে জিৰণি নজগাওঁ বাক নিদিওঁ দুখ।
এনে ভাবি ভাবি বহিল তামুলী নিজেও অলপ জিৰাওঁ বুলি,
বহি থাকোতেই আহিল টোপনি হঠাৎ তামুলী পৰিল ঢলি।
যদিও ফুকনে নাই লোৱা নিজে গড়ৰ অলপো কামৰ ভাৰ,
তথাপি সকলো ফুৰিছিল চাই যাতে তাত একো নেথাকে আঁৰ
অলপ পাচত দেখিলে ফুকনে মোমাই তামুলী আছেহি শুই,
কৰ্ত্তব্য কামত আওহেলা দেখি ফুকনৰ গাত জ্বলিল জুই।
সিংহৰ দৰে গৰ্জ্জনি মাৰি দুলিলে ফুকনে খঙৰে অতি—
এয়েনে তোমাৰ কৰ্ত্তব্য পালন এয়েনে প্ৰেম দেশৰ প্ৰতি ?

উঠি ততালিকে মোমাই তামুলী কৰবোৰ কৰি মাতিলে মাত—
অৱশ শৰীৰ উঠিব নোৱাৰো কিমান সহিম বুঢ়াৰ গাত ?
থন্তেক মাত্ৰ বিশ্ৰাম কৰিছোঁ নাই থোৱা মই কৰ্ত্তব্য ভুলি,
এই মাত্ৰ মই লাগিম কামত ক্ষমা কৰাঁ বাপা মোমাই বুলি।
গঙ্গত ফুকনে কপি থৰ-থৰি, বুলিলে ছুনাই বজ্ৰৰ স্বৰে—
নীচ কাপুৰুষ দেশদ্ৰোহী তই ক্ষমা বিচাৰিছ ভীৰুৰ দৰে ;
আজি ৰাতি যদি গড় হৈ নুঠে, ৰাতি পুৱালেই কি দশা হব,
দুৰন্ত শত্ৰুৱে অসমৰ মোৰ স্বাধীনতা ধন হায় কাঢ়ি লব !
এনে সময়ত জ্ঞান নাই তোৰ শুবিৰ মাজত আছহি শুই,
ৰাতি পুৱালেই গোটেই দেশত ধমধম্ কৰি জ্বলিব জুই ;
দেশৰ ৰজাৰ সকলোৰে দ্ৰোহী, কৰ্ত্তব্য পাহৰি জিৰণি ললি,
মোমাই হলেও দেশৰ পূজাত দিওঁ আজি তোক অবাধে বলি ;
দেখক জগতে মোমাই কদাপি দেশৰ সমান ডাঙৰ নহয়,
মোমাইৰ তেজেৰে মাতৃপূজা কৰোঁ গোৱাঁ সকলোৰে
"আসাম জয়"।

ফুকনৰ সেই খোলা তৰোৱাল চিকি-মিকি কৈ ডিঙিত পৰি
তামুলীৰ মূৰ মাটিত পেলালে সকলোকে অতি তবধ কৰি
যেতিয়া পৰিল মূৰটো উফৰি আন সকলোৰে আছিলে চাই,
প্ৰাণৰ ভয়ত দুগুণ উৎসাহে কামত সকলো লাগিল যাই
নিশা থাকোতেই বন্ধা হল গড়, পুৱা ৰণ হল গড়ৰ বাহে
ৰণত নোৱাৰি মোগলৰ সেনা উভটি পলাল মনত লাজে।
আপোন মোমাক বলি দিলে নিজে লাচিৎ দুফুকে
আপোন হাতে
স্বদেশ—প্ৰেমৰ অতুল কাহিনি কৰলৈ যাক বাক্যেৰে নাটে
দেশ মাতৃকাৰ পূজাৰ কাৰণে আপোন মোমাৰ বলি[illegible] প্ৰাণ
ধন্য লাচিৎ আজিও জগতে আনন্দেৰে গায় তোমাৰ গান

শ্ৰীদত্তদেৱ গোস্বামী।

---

# ভাষাৰ বিশুদ্ধতা।

সাহিত্যৰ অঙ্গ দুটা। এটা হৈছে ভাব আৰু দ্বিতীয়তো হৈছে বাক্য-গঢ়। এই দুটাৰ ভিতৰত ভাব প্ৰধান। কিন্তু ভাষা গঢ়িত নহলে সাহিত্যৰ সৌন্দৰ্য্য নেথাকে। অকল সেয়ে নহয়, আগটো ভাষাৰ কথাষাৰ মনত ভালকৈ নোসোমায়, জীণ নেযায়। আজি কালি ভাবৰ অভাৱ নাই। অইন ভাষাৰপৰা অনেক ভাব সহজে আমি ধাৰ কৰি আনিব পৰা হৈছোঁহক। আমি কেৱল তৰ্জ্জমানবিছৰ কাম কৰিও আমাৰ পুথিৰ ভৰাঁল চহকী কৰিব পৰা হৈছোঁ আৰু কৰিছোঁও। কিন্তু সেইবোৰ ভাব প্ৰায়েই পুথিতেইহে থাকে। আমাৰ মনত জীণ নোযোৱাকৈয়ে এফালে সোমাই আন ফালে ওলাই যায়। আমাৰ ভাষাৰ যিটো জাতিগত গঢ়, তাৰ সাঁচত ঢালিলেহে ভাববিলাক আমাৰ মনত দকৈ বহে। তদুপৰি সাহিত্য এটা মনোহৰ কলা। সৌন্দৰ্য্যই হৈছে তাৰ প্ৰধান অঙ্গ। অসমীয়া মানুহ খোৱা পিন্ধাত যেনেকৈ সৰল, অতিৰঞ্জিত নহয়, সেইদৰে অসমীয়া ভাষাৰ সৌন্দৰ্য্যও সৰলতা আৰু বিশুদ্ধতাৰ ওপৰতে নিৰ্ভৰ কৰে। অসমীয়া মানুহে নিজৰ স্বভাৱ অনুযায়ী বৰ মেৰপাক থোৱা কথা ভাল নেপায়। আঙ্গা পাচনিত যেনেকৈ সৰহকৈ মচলা নেথায়, ভাষাটো অতি বংচা ভাল নেপায়। ভাষাৰ গঢ় বোলা বস্তুটো প্ৰত্যেক জাতিৰে স্বকীয়া। সেই গঢ় এৰি অইন গঢ় ললে ভাষা অস্বাভাবিক আৰু অশুৱনী হয়। কিজানি অস্বাভাবিক গঢ়ত লিখা ভাষাই আমাৰ ভাবোন্নতিৰ পথত বাধাহে দিয়ে। ভাষাক স্বাভাবিক ৰূপত গঢ়িলে ভাব আনন্দদায়ক হয়। সেই কাৰণেই কেতিয়াবা একোটা গৰথীয়া নামেও আমাৰ মনত যিমান আনন্দ দিয়ে, বিদেশী ভাল কবিতা এটাৰ আগটো তৰ্জ্জমাই সিমান নিদিয়ে।



আজি কালি ভালেমান কাৰণৰ গুণে আমাৰ সাহিত্যত স্বজাতীয় শব্দ, বাক্যৰ ধৰণ, আৰু বৈয়াকৰণিক ৰূপবিলাক ক্ৰমে পিচলৈ হুঁহকিছে। আৰু সিহঁতৰ ঠাইত বঙ্গলুৱা বা অইন বিদেশী শব্দ, লেখাৰ ঠাচ, আৰু বৈয়াকৰণিক ৰূপবিলাক সোমাইছেহি। এইটো বৰ বেজাৰৰ কথা। ইয়াৰপৰা বুজা যায়, অসমীয়া শিক্ষিত লোকসকলে তেওঁলোকৰ ভাষাটো অইনৰ ভাষাতকৈ হীন বুলি ভাবে আৰু নিজৰ ভাষাৰ শুদ্ধাশুদ্ধিলৈ আওকাণ কৰে। কোনোৱে কব পাৰে বিদেশীৰ শব্দ আৰু গঢ় লোৱাৰপৰা আমাৰ ভাষা চহকী হৈছে ; কিন্তু সেইটো ভুল। এই পৰিবৰ্ত্তনৰ দ্বাৰাই, আমাৰ ভাষাৰ যি এটা স্বাভাবিক সৌন্দৰ্য্য আছে, সেইটো ক্ৰমে লুপ্ত হৈছে। দ্বিতীয়ত, মাত-কথাবোৰ হেনা-হচা হৈছে। আৰু অৱশেষত ভাষাটো এটা মিহলি ভাষা হবগৈ ; তেতিয়া তাৰ আদৰ নাইকিয়া হব। তখন দেশৰ সীমাত থকা মিহলি ভাষাত কেতিয়াও ওখ ধৰণৰ সাহিত্য হব নোৱাৰে। পাচলৈ আমাৰ ভাষাৰো তেনে অৱস্থা হবগৈ, যদিহে তাৰ বিশুদ্ধতা ৰাখিবলৈ আমি এতিয়াই চেষ্টা নকৰোঁহক। আমাৰ ভাষাই এতিয়া কেনেকুৱা বাট লৈছে তাৰ গোটাচেৰেক নমুনা তলত দিয়া হল :—

কিছু দিনৰ আগতে এখন আলোচনীত এই দৰে লিখিছে—"মোহনৰ সাধ মিটা নাই। কাৰো মিটিছেনে ?" এইষাৰ কথানো বাৰু অসমীয়াইনে বঙালীয়েই কিবা তত ধৰিব পাৰিবনে ? "মোহনৰ হেপাহ পলোৱা নাই। কাৰনো বাৰু পলাইছে ?" বোধকৰো লিখকে এইটোকে অৰ্থ বুজাব খুজিছিল। সেই কাগজ খনৰে অইন এটা অধ্যায়ত লিখিছিল—"দৰ্পণত নিজৰ নিজৰ প্ৰতিকৃতিৰ পিনে ফিৰিও নেচায়, এইয়ে দুঃখ'। আসাম সাহিত্য সভাৰ এখন অভ্যৰ্থনা সমিতিৰ কাৰ্য্যকাৰকসকলে এই বুলি নিমন্ত্ৰণী চিঠি ছাপা কৰিছিল—"ইয়াত জাৰ পৰিছে, সকলোৱে গৰম কাপোৰ লৈ আহিব"। বৰ দুখৰ বিষয়, চাৰিওফালপৰা মুগাৰ চুৰীয়া পিন্ধি যোৱা মানুহ এজনে সেই চিঠিমতে গৈ বৰ কষ্ট পালে। কাৰণ, তেওঁ "জাৰ পৰিছে" বুলি লিখাত ভাবিলে, জাৰ পাতলিছে আৰু সেই ভাব "গৰম কাপোৰ লৈ আহিব" বোলা কথাষাৰে সমৰ্থন কৰিলে। কাৰণ, অসমীয়া ভাষাত জাৰকালি লোৱা কাপোৰক জাৰ কাপোৰ বোলে। "জাৰকাপোৰ" নিবলৈ নকৈ যে "গৰম" কাপোৰ নিবলৈ কৈছে, তাৰ বাবে সৰল নিভাঁজ অসমীয়া মানুহজনে জাৰ কাপোৰ নিনি কষ্ট পালেগৈ। এয়ে আমাৰ ভাষাৰ উন্নতি ! অসমীয়া বৰ্ণমালাৰ সমস্যা তুলি এজনে এবাৰ লিখিছিল—"অ:খৰ বোৰৰ উচ্চাৰণ অসমীয়া ভাষাত কোন নিৰ্দ্দিষ্ট নহয়। গতিকে সিহঁতৰ অনেক বোৰ বাদ দি যি কেইটাৰে কাম চলাব পৰা যায় সেই বোৰহে ৰাখিব লাগে"। বোধ কৰো লিখকে বুজাব খুজিছিল—"অসমীয়া ভাষাত আখৰবোৰৰ কোনো নিৰ্দ্দিষ্ট উচ্চাৰণ নাই। এতেকে যি কেইটাৰে কাম চলাব পাৰি, সেই কেইটা ৰাখি বাকী বোৰ বাদ দিব লাগে" ; কিন্তু কথাবোৰ অগাপিচা হল। "যি কেইটা" ৰ পাচত "সেই কেইটা" বুলিলেহে ভাল শুনি 'সেই বোৰ' বুলিলে ভাল নেলাগে। এইবোৰ যদিও সামান্য কথা যেন লাগে, তথাপি তাৰ দ্বাৰা ভাষা দুৰ্বলা বা কঠুৱা হয়। ব্যাকৰণলৈ আওকাণ কৰাৰ বাবতহে এনেকুৱা আউল লাগে। অসমীয়া ব্যাকৰণ বৰ Logical ; সেই দেখি, অসমীয়া ভাষাত ব্যাকৰণলৈ পিঠি দি লিখিলে কথাবোৰৰ আউল লাগে। আগৰ দিনত ব্যাকৰণৰ আৱশ্যকতা বৰ নাছিল। কাৰণ মাক বাপেকৰ বা গঞা ভূঞাৰ লগত কথা পাতোতেই শুদ্ধ অসমীয়া লৰাই সৰুৰেপৰা শিকি আহে। কিন্তু আজি কালি বাৰে বঙ্গলুৱা মানুহৰ লগত কথা পাতি আৰু বঙ্গলা কিতাপ পঢ়ি সিহঁতৰ মতে কথা আৰু বাক্যৰ ঠগ আমি অজানিত ভাবে গ্ৰহণ কৰি লৈছো ; এতিয়া কোন বোৰনো নিখুত অসমীয়া আৰু কোনবোৰনো বিজুতৰীয়া তাক ঠিক কৰা টান হৈ পৰিছে। তাতে পশ্চিম ফালৰপৰা ভাবৰ সোঁত আমাৰ দেশলৈ দ ঠাইলৈ পানী সোমোৱাদি ইমান বেগেৰে বৈছে, যে লিখাকসকলে সেই ভাববিলাক বুটলিবলৈ একানপতিয়া হৈ লাগিছে, ভাষাৰ গঢ় আৰু ব্যাকৰণলৈ চাবলৈ আহৰি নাই। "বঙ্গলা ভাষাই অসমীয়া ভাষাটো খাই পেলাব বুলি আমুকাই বৰ ভয় কৰিছে" এই বুলি কিছুমানক হহাঁ দেখা যায়। কিন্তু

বাস্তৱিকতে তলে তলে বঙ্গলা ভাষাই অসমীয়া ভাষাটো খুলি খাইছে। এদিন এজন চাহাবে "আটাইবোৰ" "আটাইবোৰ" বুলি আটাহ পাৰিছেহে পাৰিছে, তলতীয়া অসমীয়া কৰ্ম্মচাৰীজনে একোপধ্যে বুজিব পৰা নাই। পিচে অইন এজনে যেতিয়া "চব খিনি" বুলি কলে, তেতিয়াহে তেওঁ বুজিলে। এজন সাহিত্যিকে উপন্যাস কিতাপ এখনত "তুমিনো বুজিব নোৱাৰানে?" নিলিখি, লিখিছে "তুমি কি বুজিব নোৱাৰা?"* এইষাৰ কথাৰ আচল অৰ্থ অসমীয়া জনা বঙ্গালীয়েহে বুজিব পাৰিব। অসমীয়া মতে তাৰ অৰ্থ "তুমি অৰ্থ বুজিব নোৱাৰা কথাটো কি?" আসাম সাহিত্য সভাই প্ৰতিযোগীতাৰ পুৰস্কাৰ দিওঁতে এইবোৰ কথালৈ চকু দিলে ভাল। আৰু সাহিত্যিকসকলে অসমীয়া ভাষাৰ Idiom বোলা বস্তুটোৰ ওপৰত বিশেষ চকু ৰখা উচিত। এই Idiom বিলাক যুক্ত ক্ৰিয়া (Compound verb) বিলাকত বিশেষৰূপে প্ৰতিফলিত হৈছে। আধুনিক ভাৰতীয় ভাষাবো যুক্ত ক্ৰিয়া আৰু লগৰীয়া ক্ৰিয়া বিলাক এটা বিশেষত্ব। যেনে আল ধৰ, পিচ পৰ, খাই ধৰ, তল যা, উচাপ খা, তল পৰ, চুৰ কৰ, জাপ মাৰ ইত্যাদি শব্দ বিলাকৰ পাচৰ অংশ যদি ভুল হয় তেতিয়া তাৰ অৰ্থৰ ব্যতিক্ৰম ঘটে আৰু কথাষাৰ বিজতৰীয়া হয়। বঙ্গালী ভাষাত যি স্থলত 'উঠ' বুলিব অসমীয়াত হয়তো সেই স্থলত 'পৰ' বুলিলে স্বাভাবিক হব। বঙ্গালী মতে নৰীয়া টান হৈ 'উঠিল'; অসমীয়া মতে নৰীয়া টান হৈ 'পৰিল'। বঙ্গালী মতে জ্বৰ 'পৰিছে', অসমীয়া মতে জ্বৰ 'চৰিছে।' বঙ্গালী মতে বৰষুণ 'পৰিছে', অসমীয়া মতে বৰষুণ 'দিছে'; বঙ্গালী মতে জাপ 'দিয়ে', অসমীয়া মতে জাঁপ 'মাৰে'; অসমীয়াই 'লাগিছে' বুলিলে বঙ্গালীয়ে 'ৰাহিছে' বোলে; বঙ্গালীয়ে 'লাগিছে' বুলিলে অসমীয়াই 'খাইছে' বোলে; বঙ্গালীয়ে কৰা 'যায়' বোলে অসমীয়াই কৰা 'হয়' বোলে।

সৰহীয়াকৈ কিছুমান সংস্কৃত শব্দ দি ভাষাৰ জাক জমক বঢ়ালে সাহিত্য উৎকৃষ্ট হয় বুলি এসময়ত এ[ই] বিশ্বাস আছিল। আধুনিক বঙ্গলাৰ প্ৰথম জাগৰণত তেনেকুৱা সাজ সাহিত্যই পিন্ধিছিল। কিন্তু সে[ই] ভাষাতো এতিয়া তেনেকুৱা শব্দাড়ম্বৰ পাবলৈ নাইকিয়া হৈছে। আজি কালি 'খাদৰ' কাপোৰৰ যুগত সৰল সহজে বুজি পোৱা পোনপটীয়া ভাষাৰহে আদৰ বাঢ়িছে। এতিয়া আৰু আমাৰ লিখকসকলে বঙ্গলা কিতাপত পোৱা সংস্কৃতীয়া শব্দ সৰহকৈ ভৰাই অসমীয়া সাহিত্যত বঙ্কিম বাবুৰ যুগ প্ৰবৰ্ত্তাবলৈ বেলি হল।

শ্ৰীদেৱানন্দ ভৰালী।

---

# স্বপ্ন।

সুৰদী শুৱাগী শাৰদী সন্ধীয়া জোনালী ৰাতিটি পৰিছে সৰি,
আতৰে আতৰে পথাৰে পাহাড়ে আন্ধাৰী জীয়াৰী উঠিছে চৰি।
জিলিকি জিলিকি পিৰঠি পছাৰি লাহৰি তৰাটিইতিয়ে নাচে
লাহতী জীয়াৰী প্ৰকৃতি কুঁৱৰী আদৰি সাদৰি সম্পদ যাচে।

* এনেকুৱা ঠাচৰ লিখাৰে দেশ ভৰিল। অসমীয়া লিখাত এনে ঠাচ তেনেই আপচু। আমাৰ লিখকসকলে যেন এই কথালৈ চকু দি[য়ে]।
— সম্পাদক।



চকলা চকলা শুকুলা ডাৱৰ কমোৱা তুলাৰ জোলাটি দৰে,
নিৰীহ নিমাতী শুৱনী তৰাটি ঢাকো ঢাকো কৰি আমনি কৰে।
লুইটে নিৰলে আনিছে সাদৰে জোন তৰা থকা আকাশ খনি,
শৰত শুৱলা বৰনৈ উতলা গা'তে বাছিলে তৰাৰে মণি।
পৰ্ব্বতে পৰ্ব্বতে মেলিলে দেপোতে জুই আঙনিৰে এধাৰি মলা,
প্ৰকৃতী দেৱীৰ গাত শোভা পালে কোন শিপিনীৰ শিল্প কলা।
লুইটৰ লীলা আছে একেদৰে আছে একেদৰে শাৰদী ৰাতি,
পথাৰে পাহাড়ে মৰমে মিলেৰে উজলে সোণৰে দেশৰে মাটি।

* * * *

কিয়বা উজ্বল নীলাচল আজি আচৰিত হলো হঠাতে দেখি,
হকুযে যেনিবা পোহৰ পঠালে কলা ডাৱৰত জ্যোতিৰে লিখি।
পৰ্ব্বতৰ ষিটো অতি ওখ টিং তাতে উজলিছে শুকুলা দল,
নোৱাৰিলো কৰ বগালো কেতিয়া, ভৰি যেন মোৰ আপুনি গল।
উজলি উজলি মলিন মু'খনি দেশৰে লখিমী বহিছে তাতে,
চকুৰে মুখেৰে অতি মৰমেৰে কাৰবাক যেন কাতৰে মাতে।
দেশৰে লখিমী দেখাতে গোসানী প্ৰাগ্‌জ্যোতিষৰ পুৰণি ৰানী,
সুন্দৰ মুখত সত্য প্ৰকাশে মলিন যদিও সৌন্দৰ্য্য ৰাণী।

* * * *

তেতিয়াও আছে কোচত একোচ মণি মুকুতাৰ বিভূতি ভৰা,
হাতত শোভিছে সোণালী ধানৰ এথোক যদিও ৰূপত চৰা।
সকলোটি আছে মাতৃ আদৰৰ সাদৰৰ পো পৰত ভোল,
দুদিনত যদি আতৰে সুদিন তাতেনে হেৰাব নিজৰে মোল।
মূৰৰ ধুনীয়া মুকুত মাটিত মলি লাগি আজি পৰিছে সৰি,
আউলী বাউলী জননীৰ হায় হল পৰো পৰো চকুলো জৰি।
এখুজি দুখুজি কৰি আগ বাঢ়ি ভয়ে ভয়ে আহি চাপিলো কাষ,
চৰণত ধৰি মাতিব খুজিলো অধম দুখীয়া দাসৰো দাস।
চাপো চাপো কৰো চাপিব নোৱাৰো ধৰো ধৰো কৰো নপৰে ধৰা,
চাপিছো যিমানে আতৰে সিমানে কেনে এনা-পুৰি মায়াৰে ভৰা।
আদৰি মাতিছে "সাদৰী সোণাই আহাঁ ঘৰ চাপি ঘৰৰে লৰা,
চোৱাঁহি তোমাৰ জননীৰ হেৰা আছে ধন সোণ সম্ভৰা ভৰা।
সুৰদী শুৱলা জননীৰে ভাষা নিমিণি দুখিয়া যদিও লোৱাঁ,
ৰাণী বিনাপানী আহিব আপুনি মোৰ বুলি যদি সকলে কোৱাঁ।
পৰৰ ঘৰৰ আদৰ সাদৰ সদাই নেথাকে দুদিন সাৰ,
দুদিনৰ পাচে ভাবিব পাৰিবা কাৰনো আপোন পৰবা কাৰ।

নিজকেই ভাবি প্ৰবল কোনোৱে দুৰ্ব্বল তোমাক মাতিছে চোৱা,
পুৰুষ পোৱালী নহয় ভিখাৰী নিজৰ ঘৰলৈ উভটি যোৱা।
নিজৰ জননী হব পাৰে দীনা, হীনাতো নহয় পুত্ৰৱতী,
জননীৰ যত মান অপমান সকলোটিৰেই তুমিহে গতি।
জুপুৰি তলৰে খুদকণ মুঠি অমৃত বৰষে নিজৰে জানি,
পৰৰ ঘৰৰ ৰাজভোগ হেৰা সাৰ হব মাথো চকুৰ পানী।
থাকোতে আপোন জননী তোমাৰ নেযাবা আতৰি উভটি আহাঁ,
কত পুৰুষৰ ৰোৱা আছে গছ শান্তি বিচাৰি তলতে বহাঁ।
নিজৰ পোৱালী দেখিব নোৱাৰোঁ পৰৰ ঘৰত ভিখাৰী হোৱা,
নেলাগে একোকে ভিখাৰী সমন জননী-বুকত জিৰণি লোৱাঁ।
আছে শুভমতি শকতি তোমাৰ বীৰৰ বেশেৰে আতৰি যোৱাঁ,
আনা জয় কৰি ভয় নাই হেৰা আনন্দে ঘৰত চপাই লোৱাঁ।
আহাঁ হেৰা মোৰ শত গৌৰৱৰ স্মৃতিবিজৰিত চকুৰ মণি,
জননী তোমাৰ ঘিণ কৰি আজি নেলাগে কৰিব পৰক ধনী।"

* * * *

নিৰৱ জননী একোটি সুগুনি আৰু জিলিকিলে জিলিকা মুখ,
আৱৰি ধৰিলে কৰবাৰপৰা জ্যোতি ৰূপ আহি সৰগী সুখ।
ঘৰৰ লৰা ঘৰৰ ফাললৈ উলটি আহিলে বিজয় বেশ,
চিনিলে সাদৰী জননী নিজৰ চিনিলে শুৱনী নিজৰ দেশ।
জননী কোঁচৰ মাণিক বিচাৰি চাপিলে সেৱক সুপুত্ৰ দল,
দেশ বিদেশৰ সম্পদ চপাই আনিলে যতেক আশাৰ ফল।
শিৰৰ মুকুত শিৰত উঠিলে উজলি উঠিলে গোটেই দেশ,
মাতৃ মূৰতি সত্য সুন্দৰ মনোহৰ কিনো সৰগী বেশ।
কোনোৱে যোগালে মণি মাণিকৰ বাছকুৱনীয়া মূলীয়া ডলা,
কণ্ঠত কোনোৱে পিন্ধালে উজ্বল সঙ্গীত কবিতা ফুলৰে মলা।
ধনী মানী গুণী সন্তান সন্ততি চাপিলে সন্তাৰ-সকুৰা লৈ,
এচাটি বতাহে উলাহে বিলাহে "উঠা" বুলি আহি গলেহি কৈ।
উঠিলে জননী দেশৰে গোসানী তুখৰে আমনি দিলেহি ভাটী,
সঙ্গীত বিজ্ঞান কবিতা সম্পদে সোণাপুৰ দেশ পেলালে ছাটি।

* * * *

জগতবাসীৰ প্ৰাণৰ সাৰথি কৰ্ত্তব্য কোৰৰে দিলেহি দেখা,
দিঠক নহয় সপোন দেখিলো বঢ়ালে মাথোন মনৰে বেথা।
সপোনৰ কথা ফলিব বুজিছো দুস্বপ্ন নহয় সুখেৰ দেখা,
পুবেৰুণ দিয়ে সুখৰ হৃদয়ে সোণালী আখৰে গৌৰৱ লেখা।

শ্ৰীবিনন্দচন্দ্ৰ বৰুৱা৭

# অসমীয়া জাতিৰ ধ্বংসলৈ গতি।

মহাকালে অসমীয়া জাতিক নিৰ্ম্মূলকৈ পুতি থোৱাৰ কাৰণে এটি ডাঙৰ গাঁত খানি ৰখা দেখা যায়। অসমীয়াৰ যে কি সঙ্কট সময় উপস্থিত হৈছেহি তাক কোনেও চিন্তা কৰি চোৱা নাই। অসমীয়াক এটি ঐতিহাসিক স্বতন্ত্ৰ জাতি কৰি চিৰকাললৈ ৰক্ষা কৰাৰ প্ৰধান উপায় হৈছে যাইকৈ মাতৃ ভাষাক ৰক্ষা কৰা আৰু তাক বহলাই শিক্ষা দি, প্ৰচাৰ কৰা। অতিকৈ যাই কাম হৈছে আসামত শিৰকুটা হৈ থকা আৰু থাকিবলৈ অহা আন প্ৰদেশৰ বিদেশীবিলাকক নিজা ভাষা একৰাই অসমীয়া ভাষাৰ দ্বাৰাই অসমীয়া কৰি লোৱা। এই কথাৰ গুৰিত প্ৰধান অন্তৰায় হৈছে Bengals Assamese বা Domiciled আসামত উপজি ইয়াতেই খুটি পোতা বঙালীবিলাক। এইসকলে আসামৰ চাউল খায়, গুণ গায় বঙ্গদেশৰ। এইসকলৰ লৰা-ছোৱালীক বঙলা ভাষাহে পঢ়ায় অসমীয়া নপঢ়ায়। কালক্ৰমে এওঁলোকৰ সংখ্যা যেতিয়া বাঢ়ি যাব তেতিয়া অসমীয়া ভাষাৰ পিৰি উঠি যাব হেন বোধে ধৰে। এই কথা যে ঘটিব বৰ্ত্তমান তাৰ এটি অশুভ লক্ষণ দেখা যায় যে, স্কুল-কলেজত Domiciled বঙালী লৰাক বঙালী ভাষা শিক্ষা দিয়া হয়, কিন্তু বঙ্গদেশত অসমীয়া লৰা-ছোৱালীক পঢ়াবলৈ স্কুলে অসমীয়া মাষ্টৰ ৰখা নহয়, অসমীয়া লৰা-ছোৱালীক বঙলা ভাষা শিকিবলৈহে দিয়া হয় এইদৰে যুক্তপ্ৰদেশত, উত্তৰ পশ্চিম অঞ্চলত আৰু আন আন প্ৰদেশতো অনেক বঙ্গদেশী লোকে বাস কৰি থকা স্থলতো গৱৰ্ণমেণ্টৰ খৰচত বঙলা ভাষা শিক্ষা দিয়া নহয়। তাৰ ডমিচাইল্ড্ বঙালী লৰা-ছোৱালীয়ে সেই সেই প্ৰদেশৰ মাতৃ-ভাষাহে শিকিবলৈ বাধ্য হয়। এতিয়া মৈমনছিঙীয়া আহি অসম জুৰিলেহি, সিহঁত শিৰ-কুটা হৈ চিৰকাল এই দেশতেই অসমীয়া হৈ থাকিব; শুনা যায় নগাওঁৰ ফালে সিহঁতৰ লৰা-ছোৱালীক বঙলা ভাষা পঢ়াবলৈহে পঢ়াশালি পাতি দিয়া হৈছে। সিহঁত চিৰকাল যি স্থলত আসামতেই থাকিব, তেনেস্থলত সিহঁতৰ লৰা-ছোৱালীক বঙলা ভাষা পঢ়িবলৈ দিয়াৰ মানে কি? অসমীয়াৰ শিক্ষিত ক্ষমতাশালী লোক সকলে এই কথাটিলৈ চকু দিছেনে? যি কোনো জাতিৰ মাতৃ ভাষা লোপ পালে আন জাতিৰ ভাষাই তাৰ ঠাই অধিকাৰ কৰি তাৰ জাতীয় অস্তিত্ব লোপ কৰে যে, ই বুৰঞ্জীয়ে দেখুওৱা কথা। অসমীয়া ভাষাক যে, তলে তলে বঙলা ভাষাই গ্ৰাস কৰি আহিব ধৰিছে এই কথাৰ আমাৰ বি, এ, এম. এ, বিদ্যাৰ উপাধি লোৱা হাকিম, উকীল, বাৰিষ্টাৰ প্ৰভৃতি লোকসকলে বুজ ৰতৰা লৈছেনে? ভাষাক উন্নত কৰি থিহে তোলে তালৈ শিক্ষিতসকলে চেষ্টা কৰিছেনে? ভাষাৰ নাগেই যে, যি কোনো জাতিৰ নাম, এনে ভাষাক বিদেশী উন্নত ভাষাই গ্ৰাস কৰিলে নিজা জাতিটোৰ নাম একে-বাৰে লোপ পায় যে। হে শিক্ষিত, ধনী আমাৰ অসমীয়া ভাইসকল, গবুৰ কৈ চিন্তা কৰি চাইছাইকনে? লিখা কথাবোৰেই ভাষা। এনে ভাষায়েই সাহিত্য। সাহিত্য শব্দটি সহিত শব্দৰ পৰা উৎপত্তি। কিহৰ সহিত? ধৰ্ম্মৰ সহিত আৰু যি সময় যি কোনো জাতিৰ ভূত, বৰ্ত্তমান আৰু ভবিষ্যত ভাবময় ৰাজ্য গঠন হৈছিল, হৈছে আৰু আগলৈ হবলৈ উন্মুকিয়াইছে তাৰ সহিত। ভাষাৰ উন্ন-তিয়েই জাতীয় উন্নতি প্ৰমাণ কৰে যে, ই ভুল নোহোৱা কথা। কোন জাতি কিমান উন্নত, কিমান সভ্য তাক সাহিত্যয়েই প্ৰমাণ কৰে, তাক বহলাই কবৰ প্ৰয়োজন নাই, দেখা কথা। কোনো জাতিৰ উন্নত সাহিত্যে যে, আন কোনো জাতিৰ অনুন্নত সাহিত্য তল পেলাই ৰাখি পাচে ক্ৰমে ক্ৰমে তাৰ অস্তিত্ব লোপ কৰে ই কথাও ভুল নথকা সত্য। আমাৰ দেশৰ মানুহৰ নিজা মাতৃভাষাৰ প্ৰতি শ্ৰদ্ধা নথকা হেতুকে ভাষাৰ উন্নতি এই পৰ্য্যন্ত হৈ উঠা নাই; এই হেতুকে কালক্ৰমে অসমীয়া ভাষা নিৰ্ম্মূল কৰিবলৈ কেবাটিও অমঙ্গল চিনে দেখা দিছেহি। যাই অমঙ্গল-চিন হৈছে ওপৰত উল্লেখ কৰা প্ৰায় শিক্ষিত-সকলে অসমীয়া সাহিত্য নিলিখে আৰু নপঢ়েও।

ইয়াৰ প্ৰথম কাৰণ গমি পাওঁ মাতৃভাষাক ঘিণ কৰি তাৰ আলোচনা নকৰা, আৰু তাক শুদ্ধকৈ লিখিবলৈ নিশিকা; দ্বিতীয় কাৰণ হৈছে ইংৰাজী আৰু বঙলা ভাষাৰ উন্নত সাহিত্যত শিক্ষিত ডাঙ্গৰীয়াসকলৰ মনত অসমীয়া ভাষাত তেনে ধৰণৰ সাহিত্য নেপাই তাৰ প্ৰতি তুচ্ছ জ্ঞান হোৱা। মাতৃভাষাৰ সাহিত্যক আওহেলা কৰি অনাদৰ কৰা কাৰণেই অসমীয়া কিতাপ, বাতৰি কাকত আৰু আলোচনী বিক্ৰী নহয় যে, ই ধ্ৰুপ কথা। এইবিলাক কথাই অসমীয়া ভাষাক এই পৰ্য্যন্ত আগ বাঢ়িব দিয়া নাই, তাক নহয় বুলিব নোৱাৰি। তৃতীয় কাৰণ হৈছে ভাল সাহিত্যলিখকৰ অভাব। ভাবিলে তথ লাগে আসামত চিন্তাশীল মানুহৰ অভাৱ এনে হৈ পৰিছে যে, বৰ্ত্তমান যুগত সাহিত্যলিখক একেবাৰে কম দেখা যায়। পুৰণি কালৰ বৰ গীতকেই ধৰি থাকিলে এতিয়া গা নৰয়। বৰ্ত্তমান যুগৰ কাৰণে যেনে সাহিত্যৰ প্ৰয়োজন, তাক লিখি প্ৰচাৰ নকৰিলে, অকল সাহিত্যই যে ধ্বংস প্ৰাপ্ত হব এনে নহয়, তাৰ লগে লগে জাতিৰো নাম লোপ হব। অসমীয়া ভাষা আৰু জাতিৰ এনে যে হবগৈ তাৰ চিন এতিয়াই ওলাই পৰিছে। বঙলা ভাষাৰ বাতৰি কাকত, আলোচনী আদি অসমীয়াসকলে যেনে আগ্ৰহৰে ধন দি লয় অসমীয়া কাকত-আলোচনী তেনে দৰে নলয়; এই কাৰণে আসামত বাতৰি কাকত কি আলোচনী ওলাই কিছুদিন থাকি মৰি মৰি যায়। এই যে ৰোগটিয়ে অসমীয়া জাতিক ধৰিছে, এয়ে পিচে পৰে মাতৃ ভাষাক নিৰ্ম্মূল কৰিব। কি দেখিছা? গোটেই আসাম খন বঙালী কাকত-কিতাপেৰে ভৰিল দেখোন! মানুহে বৰ্ত্তমান যুগৰ শিক্ষা আৰু উদাসীন ভাব অসমীয়া কাকতত নেপাইহে বঙ্গালী কাকত লয়, অথচ কোনো এখন বঙালী কাকতকেই আসামৰ হিত চিন্তা কৰা দেখা নাযায়, বৰঞ্চ অসমীয়া জাতিক প্ৰায় নিন্দা কৰাহে দেখা যায়। গুৱালপাৰা জিলাখন বঙাল দেশলৈ কাটি নি তাত ভুক্ত কৰাৰ কাৰণে এনে এখন বঙালী কাকত নাই যি লিখা নাই। তথাপি আমি নিলাজ অসমীয়াই বঙালী কাকতকেহে লওঁ। নিজৰ দেশত এখন ওখ দৰৰ কাকত উলিয়াবলৈ হলে চেষ্টা নকৰোঁ। বাতৰি আৰু আলোচনী কাকত ওলাই কেইমাহমান থাকি মৰি মৰি যায়, গতিকে পোনতে কোনো অসমীয়া কাকত ওলালে ধন দি মানুহে লবলৈ কোঁচ খায়। এই কথাৰ মূল কাৰণ হৈছে অজ্ঞান... সকলো দেশতেই স্বদেশপ্ৰেমিক কবি, দাৰ্শনিক ... সাহিত্য সেৱী লোকবিলাক স্বভাৱতেই প্ৰায় দৰিদ্ৰ... সৰস্বতীয়ে যাক লাগ দিয়ে লক্ষ্মী তাৰ ওচৰ নাচাপে। কিন্তু লক্ষ্মী পুত্ৰই যশস্বী হবলৈ, আন ... জ্ঞানী সভ্য দেশত হলে সাহিত্যিকক সাহিত্য প্ৰচাৰ কৰি দেশৰ গৌৰৱ ওখ কৰি তুলিবলৈ ধনেৰে সহায় কৰে; আমাৰ আসাম দেশত এনেকথা দেখা নেযায়। আমাৰ দেশত বিদ্যা-ধন আৰু ক্ষমতা হৈছে শাস্ত্ৰই কোৱাৰ দৰে "বিদ্যা বিবাদায় ধনং মাদায়, শক্তি পৰেষাং পৰিপীড়নায়।" ... বেজাৰত মুখৰপৰা অপ্ৰিয় সত্য ওলালেও ... পাঠক পাঠিকা-সকলে মোক ক্ষমা কৰে। আমাৰ দেশত বিদ্যাশিক্ষাই দেখা যায় ঘাইকৈ বিবাদৰ শাস্ত্ৰখনি কেহে মেলি দেখুৱাইছে। ধন হলে মানুহ অহঙ্কাৰী ইন্দ্ৰিয় সেৱী আৰু আত্মসুখলোভী বিলাসী হয়, ক্ষমতা পালে আমাৰ দেশৰ মানুহে আনৰ বা দেশৰ উপকাৰ নকৰি অপকাৰহে কৰে। অসমীয়া ভাষাৰ প্ৰতি প্ৰায় উকীল, হাকিম, মৌজাদাৰ আৰু ধনী মানুহবিলাকৰ অকণো ৰাপ নাই। দেশৰ মাতৃভাষাৰ উন্নতি নহলে জ্ঞানৰ উন্নতি হোৱা টান যে, এইসকল মানুহে নাভাবে হবলা। উকীলৰ বিবাদ শাস্ত্ৰখনি মেলি গোচৰকৈৰৰ চলাওঁতেই দিন যায়, হাকিমে হুকুমৰ কাম কৰোঁতে সময় নেপায়, মৌজাদাৰ হলে কেনেকৈ ৰায়তৰপৰা সন্মান পাব পাৰে, তেওঁক যেন সকলোৱে দেউতা বোলে, সৰাহ হৰিসেৱাত শৰাই পাব পাৰে, শিৰৰ ... লৈ, কঠ-পঙ্গা-দলিছাৰ ওপৰত বহিব পাৰে, এনেবিলাক কথাতেই ব্যস্ত থাকে। এনে অৱস্থাত এইসকল মাতৃভাষাৰ উন্নতিৰ অৰ্থে সাহিত্য লিখিবলৈ আৰু বাতৰি বা আলোচনী কাকত পঢ়িবলৈ সময় পায় কত? কোন দেশত এনে মানুহ আছে যি দেশৰ ভবিষ্যত চিন্তা নকৰে আৰু দেশ প্ৰেম কি তাক বুজ নেপায়? বৰ্ত্তমান কালৰ সোঁতত স্বদেশ স্বজাতিক উটাই নি কেনি ভবিষ্যত অন্ধকাৰময় গাঁতত পেলাবৰ সম্ভৱ, এই কথালৈ যি মানুহে দৃষ্টি নাৰাখে তেনে মানুহ পশুৰ দৰে চিৰকাল পৰৰ গোলাম্। ... বি অৱস্থা, ভবিষ্যত নভবা আৰু জ্ঞানৰ উন্নতি নসধা মানুহৰো সেই অৱস্থা। গৰু, গাহৰি, কুকুৰ আদি জন্তুৱেও খায় আৰু পোৱালী জগায়; মানুহৰো অকল ... কামনে কি? এই জ্ঞান যুগৰ দিনত যুগ-সাহিত্য স্বৰূপ বাতৰি আলোচনী আদি কাকতেই হৈছে জনসাধাৰণক শিক্ষা দিয়াৰ সহজ উপায়। পিচ কালৰ সভ্য দেশবিলাকৰ কথা নকওঁ, ভাৰতৰ আন আন প্ৰদেশবিলাকত প্ৰায় প্ৰত্যেকখন জিলাৰেপৰা মাতৃভাষাৰে জনসাধাৰণক সহজে জ্ঞান-বোধ দিয়াৰ অৰ্থে বাতৰি-আলোচনী কাকত ওলোৱাৰ অন্ত নাই, ধনী মানুহে এনে বিলাক যুগ-সাহিত্য প্ৰচাৰৰ কাৰণে পুঁজি দি সহায় কৰে, চিন্তাশীল লিখকবিলাকে উৎসাহেৰে সেইবিলাক কাকতত লিখিবলৈ ত্ৰুটী নকৰে। এই কাৰণে সেইবিলাক প্ৰদেশত সাহিত্য-উন্নতি অতি বেগেৰে হৈছে। আমাৰ অসম দেশৰ কথা বেলেগ; ইয়াত শিক্ষিত বোলোৱা প্ৰায় ডাঙ্গৰীয়াসকলে অসমীয়া কাকত নপঢ়ে, কোনোৱে কোনোৱে ওপৰে ওপৰে অলপমান পঢ়িলেও ডাঙ্গৰ প্ৰবন্ধটি ... পঢ়িবলৈ এলাহ কৰে। আমাৰ দেশত মাতৃ-ভাষাৰ ... ইমানেই। গুৱালপাৰাৰপৰা সদিয়ালৈকে এই ডাঙ্গৰ দীঘল দেশখনত মাথোঁ এখনি বাতৰি কাকত, আলোচনী কাকত নাই বুলিলেই হয়। কানিৰ টিকিৰা হুপি তিনি ... মুখত সাৰ পোৱা, এখন দুখন আলোচনী কাকত ওলাই অসমীয়া ভাষাৰো ভাল উন্নতি সাধিছে আৰু দেশকো নিস্তাৰ কৰিছে! আসাম-সাহিত্য-সভাই যোৰহাটকেই কেন্দ্ৰ ঠাই পাতিছে। যোৰহাটেনো সাহিত্য পত্ৰিকাখন মাহিলি আলোচনী কৰি তুলিব নোৱাৰেনে?* যেই সেই সাতদিনিয়া, পখেকীয়া আৰু মাহিলি কাকতে ওলোৱা মাত্ৰকেই গ্ৰাহকৰপৰা ধন পাই ধনথোৱা ঠুনুপাকটি ভৰাব পাৰিব এনে আশা কৰা এবছৰ দুবছৰ পৰ্য্যন্ত নাযায়। মাড়োৱাৰীৰ দৰে লাভৰ খাতাৰ হিচাপ ধৰিলে পোনতে যি কোনো কাকত চলোৱা অসম্ভৱ। সাহিত্যৰ উন্নিৰ অৰ্থে আৰু অজ্ঞান প্ৰকৃতিপুঞ্জক সুবাট দেখুৱাই জ্ঞানৰ পোহৰলৈ অনাৰ কাৰণে ত্যাগ স্বীকাৰ নকৰিলে কাৰ্য্য সিদ্ধি নহয় যে, ই ভুল নথকা কথা। এই হেতুকে সাহিত্যৰ দ্বাৰাই জনসজ্যৰ ভাব পোহৰ কৰি তুলিবলৈ হলে যি কোনো কাকতৰ সোৱাদ ওপোজাই গ্ৰাহকৰ সংখ্যা বঢ়াবলৈ এবছৰ দুবছৰ কিছু কিছু লোকচান ভৰিও কাকত চলাবলৈ পিচ হুহকিব নেলাগে। দেশৰ হিতৰ অৰ্থে লোকচান দিবলৈকো গা নেবেজোৱা ধনী মানুহে বাতৰি কি আলোচনী কাকত নচলালে অসমীয়া সাহিত্যৰ উন্নতি সৰ্ব্ব টান আৰু তাৰ লগে লগে দেশৰ মানুহৰ সাহিত্যৰ প্ৰতি অনুৰাগ জন্মোৱাও অসম্ভৱ। আমাৰ দেশত বৰ্ত্তমান বাতৰি-আলোচনী কাকতৰ সংখ্যা নবঢ়ালে, অসমীয়া জাতিৰ দেশ-প্ৰেম ওপজাই দেশৰ নিমিত্তে আত্মজীৱন বলি দিবলৈ আৰু স্বাৰ্থত্যাগ কৰিবলৈ শিক্ষা দিয়া আশা সপোনৰ অগোচৰ যেন বুজা যায়। অনেকখন কাকত অনেক অৰ্থহীন মানুহে মনৰ বেগত উলিয়াই সিদ্ধি কৰি তুলিব নোৱাৰিলে। অকল অৰ্থ নোহোৱা বাবেই নহয়, সুলিখকৰ অভাৱতো বঙলা দেশৰ কাকতৰ সৈতে অৰিয়া অৰি কৰি চলিব নোৱাৰা কাৰণেই শেহত কাকত বাইজে এৰাই পেলোৱাত লোপ পায় যে, তাৰ ভুল নাই। অসমীয়া ভাষাক নমৰাকৈ জীয়াই ৰাখিবলৈ হলে, এতিয়া ধনী আৰু গুণীসকলে গা চাপি ধৰাতকৈ আন উপায় একো নেদেখি। এতিয়া মৰিও মৰকামোৰ নেৰাকৈ অনেক কালৰ বিপদৰপৰা অসমীয়া ভাষাক উদ্ধাৰ কৰিবৰ চেষ্টা কৰি, নগা, আবৰ, মিকিৰ, গাৰো, ৰাভা, খাচিয়া আৰু অসমীয়া সুবুজা দাঁতি কাষৰীয়া বড়ো-কছাৰী কুলৰ মানুহবিলাকক মহাপুৰুষীয়া ধৰ্ম্মত শৰণ দি, এক কুলত তুলি অসমীয়া ভাষা ভাষী হবলৈ শিক্ষা দি, এক অসমীয়া জাতি কৰি লব নোৱাৰিলে, অসমীয়া জাতি ক্ৰমে লোপ পাব যে, এই কথা মই দঢ়াই দঢ়াই কৈছোঁ। অসমীয়া ভাষা লোপ কৰাত প্ৰথম হৈছে ঘাইকৈ প্ৰৱসুৱা বঙালীবিলাক, তাৰ নামনাচত খ্ৰীষ্টিয়ান

* ইয়াৰ উত্তৰ আমাৰ এই বছৰৰ ১ম সংখ্যাত দিয়া আছে। পত্ৰিকাখন যোৰহাটৰ নহয়, সাহিত্যসভাৰ। সাহিত্য সভাই সম্প্ৰতি মাহিলি কৰি উলিওৱাটো উচিত বিবেচনা কৰা নাই।

—সম্পাদক।

মিচনেৰি ইউৰোপ-আমেৰিকাৰ পাদ্ৰীসকল, যিসকলে ৰোমান আখৰেৰে খাচিয়া দোৱান, গাৰো দোৱান আদিক ভাষা সৃষ্টি কৰি পঢ়াশালিবিলাকত পঢ়াইছে। প্ৰবঞ্চনা বঙ্গালীবিলাকেই বৰ্ত্তমান গুৱালপাৰত অসমীয়া ভাষা চলাবলৈ গৌৰিপুৰৰ জমিদাৰক শিখণ্ডি পাতি বাধা জন্মাইছে। ৰংপুৰ, জলপাইগুৰি আৰু কোচবিহাৰ এই তিনিখন জিলা আসাম-কামৰূপৰ লগৰ। তাক বঙ্গালীয়েই হেজাৰ মানুহবিলাকক ভুৱা দি বঙ্গালী ভাষা চলাই দখল কৰি ললে। গুৱালপাৰখন তেনেদৰে বঙ্গালী ভাষাৰে Denationalises জাতি চ্যুত কৰি অসমীয়া জাতিৰ লোক সংখ্যা কমাই আনিছে। স্বমাত-ভাষাক পৰভাষাই দখল কৰিলে একেবাৰে জাতীয় অস্তিত্ব লোপ পায়। ভাগ্যৰ শুভ চিন এফেৰি জিলিকি উঠা দেখা গৈছে যে, গুৱালপাৰবাসী সদৌ কুলৰ অসমীয়া সকলে এতিয়া নিজক আৰু নিজ মাতক চিনি পাই আহিব ধৰিছে। গুৱালপৰীয়া অসমীয়া ৰাইজৰ একতা বান্ধ টান হৈ উঠিলে, অসমীয়া ভাষা তাত চলাৰ বিৰুদ্ধে প্ৰবঞ্চনা স্বাৰ্থ-পৰ বঙালীসকলে গৌৰীপুৰৰ জমিদাৰক শিখণ্ডি পাতি যি কাৰচাজি লগাইছে, গুৱালপাৰৰপৰা বঙালীৰ টান মুঠি একৰা টান কথা হৈ পৰিছে। এনে স্থলত তাৰ শিক্ষিত অসমীয়াসকল একমত হৈ একো একো জনে স্বাৰ্থত্যাগ কৰি নিৰ্ভীক মনে ঠায়ে ঠায়ে সভা পাতি ৰাইজক বুজাই নুকুৰিলে এই সঙ্কটৰ পৰা হাত সাৰিবৰ উপায় নাই। ভাষা লোপ হব লাগিলে মনেধৰে ছাইমন কমিশ্যনৰ দিহা, গুৱালপাৰক বঙ্গালী ভাষা ভাষী পাতি বঙাল দেশৰ গৰ্ভত সুমাই থোৱা কৰিব যে, ই অতি শঙ্কাৰ বিষয়। গুৱালপাৰখন খিৰতী গাই পাতি বঙালী ভাইসকলে খাই আছিল, এই গতিকে গুৱালপাৰক বঙাল দেশৰ চামিল, আমাৰ গোটেই ভাৰতক একে কৰিব খোজা বঙালী ভাইসকলে কৰিব পাৰিলে তেওঁবিলাকৰ যুক্তি লাগি পৰে। গুৱালপাৰৰ ৰাইজে এই কথাটি যেন দকৈ গমি চাই এতিয়াৰেপৰা অহো পুৰুষাৰ্থ কৰে। গুৱাল-পাৰখন বঙালী ভাষা ভাষী দেখুৱাবৰ মনেৰে আগৰে পৰা বঙালী ভাইসকলে জমিদাৰসকলৰ লেমটৌ হৈ আয়োজন কৰি আহিছে, তাক এতিয়া বহলাই দেখাবৰ প্ৰয়োজন নকৰে। গুৱালপাৰবাসীয়ে বৰ্ত্তমান বুজি উঠিছে। কিন্তু যোৱা লোক গণনাত (চেন্সেচত) বঙালী ভাষা ভাষী মানুহৰ সংখ্যা কুট বুদ্ধি লগা এই শত্ৰুসকলে যে সৰং দেখুৱালে এইকথাৰ অ… গুৱালপাৰবাসীৰ ভিতৰত কোনেও ধৰিব নোৱাৰা বুলি মনে ধৰে। নহলেনো কছাৰী আৰু ৰাজবংশীক বঙালী জাতিৰ শাৰীত পেলায় কেনেকৈ? বৰ্ত্তমান এই কথাখেই ধৰি স্বাৰ্থপৰসকলে গোটেই গুৱালপাৰখনকেই বঙালী ভাষা ভাষী মানুহ পাতি বঙাল দেশৰ বুকুত সুমাই খোজে। গুৱালপাৰবাসী ৰাইজ সাৱধান!!

আমাৰ আসামৰ দেশৰ ৰাইজক, আসাম দেশখন এক ভাষাভাষী হৈ থকা অতীজৰ স্বকীয়া জাতি এটা কেনেকৈ সৰু কৰি তুলিবলৈ ধৰা হৈছে দেখাওঁ। ৰংপুৰ, জলপাইগুৰি, কোচবিহাৰক কাল ৰাহুৱে গিলি কামৰূপী ভাষাও ধ্বংস কৰিলে আৰু Denationalise জাতিচ্যুত কৰি মানুহবিলাকক বঙালীৰ সেৱক কৰি পেলালে। এতিয়া গুৱালপাৰখনলৈও আমাৰ শঙ্কাৰ কথা হৈ পৰিছে। আমাৰ অসমীয়া ভাষা কালক্ৰমে লোপ পাই অসমীয়া জাতিৰ নাম সুমাবৰ আয়োজন কেনেকৈ হৈ আহিব ধৰিছে, হে অসমীয়াসকল, তাক এবাৰ মন কৰি চোৱা। কাছাৰখন আমাৰ ঐতিহাসিক আসাম, তাত কছাৰীৰ সংখ্যা ১১ লাখ, মনিপুৰীয়া মানুহৰ সংখ্যাও তিমানেই হব পায়, তাত বঙলা ভাষা শিক্ষা দিয়া হয়। কাছাৰৰ কছাৰী দোৱানে সৈতে আসামৰ কছাৰী দোৱান একে নহয়, এই কাৰণে আসামৰ কছাৰীৰে সৈতে এক জাতৰ মানুহ হৈ জ্ঞানৰ উন্নতি সাধিবলৈ অসমীয়া ভাষা বিনা উপায় নাই। বড়ো-কছাৰী দোৱান আহোমৰ ভাষাৰ দৰে ওপৰ আসামৰ ফালে লোপ পাইছে, গতিকে জলপাইগুৰিৰেপৰা কাছাৰ আৰু সদিয়া পৰ্য্যন্ত সদৌ কছাৰী জাতি এক হবলৈ অসমীয়া ভাষাকেই স্ব ভাষা পাতি লব লগাত পৰে, কছাৰী জাতৰ মানু-হৰেইহে আসাম দেশ। ৰাজবংশী কুল আৰু কছাৰী জাতেই গুৰিত পণ্ডিতসকলক পোহপাল দি কামৰূপী ভাষা সৃষ্টি কৰে, এতেকে তেওঁবিলাকৰ অসমীয়া ভাষা ইহে চাবলৈ গলে মাতৃভাষা। এনে মাতৃভাষাক কো…



-ৰাজবংশী কুলে আৰু কছাৰী জাতৰ মানুহে, অসমীয়া এৰি বঙালী ভাষা গ্ৰহণ কৰিলে তেখেতসকলে অকল নিজ খোকৰকেইহে যে লোপ কৰিব এনে নহয়, স্বকুল, স্বজাতৰ মানুহবিলাকো থাং বাং কৰি পেলাব। কামৰূপ আদিৰ জিলাৰ ৰাজবংশী আৰু কছাৰী মানুহে অসমীয়া ভাষাৰে কথা কোৱাকুই কৰে; গুৱালপাৰৰ কোচবিহাৰ আদিৰ মানুহে বঙলাভাষাৰে কথা পাতে। এনে অৱস্থাত তেখেত সকল এক হৈ এককুল, একজাতিৰ মানুহক বুজাই অসমীয়া জাতি হৈ পৰে কেনেকৈ? জাতি শব্দটিয়ে কি বুজায়? কুল আৰু জাত শব্দই কি বুজায়? এই কথালৈ মন কৰি চাব লাগে। জাত ইংৰাজী ভাষাত Race, কুল, Caste বুজায়; আমাৰ অসমীয়া ভাষাতো জাত আৰু কুল এই দুটি শব্দ তেনেদৰে ব্যৱহাৰ কৰিব লাগে। সকলো জাত, কুলৰ মানুহ মিলি এটি জাতি হয়। গুৰিত মানুহৰ বংশৰ লুৰিয়ে লুৰিয়ে জাত কুলৰ সৃষ্টি হৈ আহিছে, এই বিষয় আন বাৰলৈ সমালোচনা কৰিবলৈ ৰাখি এতিয়া যি কথা ধৰি এই প্ৰবন্ধটি লিখা হৈছে তাৰ বিষয়হে আলোচনা কৰা যাওক। সুখৰ বিষয় গুৱালপাৰ আৰু আন আন ঠাইত যিবিলাক বড়ো-কছাৰী সন্মিলন-সভা হৈ গৈছে তাত দূৰদৰ্শী তীক্ষ্ণ বুদ্ধিথকা শিক্ষিত কছাৰী ডেকাসকলে, কছাৰী জাতৰ মানুহলৈ, সদৌ ঠাইৰ কছাৰীসকলক এক কৰাৰ কাৰণে অসমীয়া ভাষাহে অতিকৈ লাগতিয়াল বুলি প্ৰস্তাৱ দাঙ্গি ধৰিছে আৰু পঢ়াশালি, স্কুলবিলাকত অসমীয়া শিক্ষা দিয়াৰ নিমিত্তেহে আগ্ৰহ প্ৰকাশ কৰিছে। এই সম্পৰ্কে আসাম জননীৰ সুসন্তান শ্ৰীযুত কীৰ্ত্তিনাথ খাখলাৰিক অশেষ ধন্যবাদ দিওঁ। গৌৰীপুৰৰ জমিদাৰৰ মন এসময় স্বদেশ প্ৰেমৰ আদৰ্শ স্বৰূপ হৈ বৰ্ত্তমান সম্ভৱতঃ পৰৰ কুবুদ্ধিত অসমীয়া ভাষাৰ ঘোৰ বিৰোধী হৈ পৰিছে। এনে মনৰ সংকীৰ্ণতাই তেখেতক লগ ধৰিলে যে, বড়ো-কছাৰীসকলকো অসমীয়া ভাষাৰ ঠাইত নিজৰ দোৱান ভাষাকেই চলাবলৈ কয়। এখ উদাৰ মনৰপৰা কোনো মানুহৰ পতন দেখিলে মনত বৰ দুখ লাগে।

মাতৃভাষাইহে কোনো এটি জাতিৰ অস্তিত্ব নুমুমোৱাকৈ ৰখাৰ মূল শক্তি, পটন্তৰ দেখাই বাৰেবাৰে কৈ আহিছো; এতিয়া আমাৰ বৰ্ত্তমান কৰ্ত্তব্য কি তাৰ বিষয় আলোচনা কৰা যাওক। অসমীয়া ভাষা-শিক্ষা বিস্তাৰ কৰাই হৈছে আমাৰ যাই কৰ্ত্তব্য। ওখ প্ৰকাৰৰ সাহিত্য নোলালে কোনো জাতিৰ ভাষাৰেই অস্তিত্ব নাথাকে যে, ইয়াক বঢ়াই কবৰ প্ৰয়োজন নকৰে। শঙ্কৰী যুগৰ ধৰ্ম্ম-সাহিত্য আৰু সংস্কৃতৰপৰা অনুবাদ হৈ ওলোৱা ৰামায়ণ, মহাভাৰত আদি নানা পুৰাণবিলাকেইহে এই পৰ্য্যন্ত অসমীয়া ভাষা জীয়াই ৰাখিছে; কিন্তু এতিয়া অকল পুৰণি সাহিত্যই গা নাৰাখে, আমাক সাহিত্য-উন্নতি সাধন কৰিবলৈ হলে এনে সাহিত্যৰ প্ৰয়োজন, যি সাহিত্যই পৃথিৱীৰ সকলো দেশৰ জ্ঞানী মানুহ বিলাকৰ জ্ঞান একেঠাইতে মিলাই জ্ঞান-ভঁৰাল পাতিব পৰা যায়। বৰ্ত্তমান যুগত বাতৰি আৰু আলোচনী কাকতেই প্ৰত্যেক দেশৰ প্ৰত্যেক জাতিক সদৌ মানৱ জাতিৰ নতুন জ্ঞানৰ উন্নতি কি দৰে হৈছে তাক বিজাই চাবলৈ দিনৌ যোগাল দি আছে; কিন্তু দুখৰ বিষয় আমাৰ নিজা মাতৃভাষা আগৰ যেনে, প্ৰায় এতিয়াও তেনেই আছে, এনে ভাষাক আন উন্নত জাতিৰ বিদেশী ভাব-ধৰ্ম্ম সোমাই মাৰি নেপেলাব কিয়? কোনো এজাতিৰ ভাষা উন্নত কৰি বিস্তাৰ কৰিবলৈ গলে নানা তৰহৰ জ্ঞান সাধাৰণ প্ৰকৃতিপুঞ্জক শিক্ষা দিবলৈ দেশত যথেষ্ট বাতৰি-আলোচনী কাকতৰ প্ৰয়োজন। আমাৰ আসামৰ গাওঁৱোৰাকৈ ধন থকা ধনীমানুহৰ সংখ্যা দেশ চাই কম বুলি কব নোৱাৰি, কিন্তু তেখেতসকলৰ ভিতৰৰ প্ৰায় অনেকৰ দেশ-প্ৰেম ধনিষ্ঠামানো নাই বুলিলেই হয়। যোৰহাট-ডিব্ৰুগড়ৰ ফালে চাহ বাগিছাৰ গৰাকী যি কেইঘৰ ধনী মানুহ আছে তেখেতসকলে মন কৰিলে দেশত ভাল বাতৰি কাকত আৰু আলোচনী এখন দুখন উলিয়াই জ্ঞান প্ৰচাৰ কৰিব পাৰে। যোৰহাটৰপৰা যিখন সাহিত্য পত্ৰিকা প্ৰকাশিত হৈছে, ইয়াক তিনিমহীয়া গুচাই মাহেকীয়া কৰিব লাগে। এই আলোচনী কাকতত ৰাজনীতি বিষয় একো চৰ্চ্চা থাকিব নেলাগে। দেশৰ বতৰা আৰু ৰাজনীতি সম্বন্ধে কথা ৰাইজক বুজাবলৈ এখন পষেকীয়া আলোচনী কাকত যোৰহাটৰ ভাঙৰীয়াসকলে যুতীয়া কোম্পানী

পাতি প্ৰকাশ কৰিলে দেশৰ বৰ উপকাৰ সধা হয়। ধন নো কেলেই? এই কথাৰ উত্তৰ আগেয়ে আছিল হাতী কিনিবলৈ। এতিয়া এই প্ৰশ্নৰ উত্তৰ হৈছে মটৰ-লড়ি কিনি গা ঘেলাই ফুৰিবলৈ। অজ্ঞানতা দোষত ইপিনে অসমীয়া জাতিয়ে ধ্বংসৰ পিনে গতি কৰিছে আন পিনে মটৰগাড়ীয়ে ডেকা লৰাবিলাকক ঘোৰাত উঠি ফুৰিবলৈ শিক্ষা বন্ধ কৰি দুৰ্ব্বল কাপুৰুষ কৰি তুলিছে। হেজাৰে হেজাৰে টকা মটৰ গাড়িৰ দাম ইউৰোপ-আমেৰিকালৈ সোঁত বলাদি বলিছে তাৰ প্ৰতি কাৰো দৃষ্টি নাই, কোনেও নেভাবে। হায় দুৰ্ভগীয়া অজ্ঞান দেশ, ভাষাৰ উন্নতি আৰু জ্ঞানৰ উন্নতিৰ পিনে হলে পিচ হোইকা মাৰা। মাতৃভাষাৰ কিতাপ বাতৰি কাকত আদিত পইচা খৰচ কৰিবলৈ হলে পাই এটিও নোলায়, বিদেশী চাৰ্কছ, বাইগান, থিয়েটাৰ আদিত ধন ভাঙিবলৈ হলে মুঠিয়ে মুঠিয়ে ওলায়। হে শিক্ষিত ডাঙৰীয়াসকল, এটি কথা আপোনাসকলে মন কৰক; বঙালা ভাষাই অসমীয়া ভাষাক যেনে ঠেকত পেলাইছে আৰু ঠেকাই তুলিছে, এই সময় আমাৰ অতিকৈ সুবিবেচনাৰ কাম হৈছে জলপাইগুৰিৰেপৰা নিজা অসমীয়া বড়ো-কছাৰী ভাইসকলক চেনেহেৰে বুকত সুমাই লোৱা। ছুটিয়া ( দেউৰী আদি কৰি ) লালুং, কোচ, ৰাভা ইত্যাদি শাখাকুল বড়ো-কছাৰীৰহে অন্তৰ্গত। এই সদৌ বড়োসকলক জ্ঞান-শিক্ষা দিয়াহে আমাৰ জাতীয় অস্তিত্ব ৰক্ষা কৰাৰ প্ৰধান উপায়। এই বড়ো জাতীয় লোকসকলৰ ভিতৰত অসমীয়া পঢ়াশালি পাতিবলৈ আমাক টকাৰ এটি ডাঙৰ পুজি লাগে। বড়ো-কছাৰী সন্মিলননত সৰল মনে একে মাকৰ একেভাই হিচাপে সদৌ অসমীয়া ৰাইজে যোগ দিব লাগে। বড়োভাই সকলে স্বজাতি অসমীয়াৰ অস্তিত্ব ৰক্ষা নকৰিলে সময়ৰ গতি যেনে দেখা গৈছে সম্ভবতঃ অসমীয়াৰ নাম পৃথিবীৰ বুৰঞ্জীৰপৰা যাব। ইয়াৰ বাহিৰেও দুটি ৰাজবংশীকুলৰ মানুহ কোচ আৰু আহোম, কামৰূপ বা আসামৰ ৰাজ্য চলোৱা সম্প্ৰদায়ৰ; এখেতসকলক এতিয়া অজ্ঞানতা-এন্ধাৰে বেঢ়ি ধৰি নিজক নিচিনা হৈ পৰিছে; এই সকলৰ আত্মসন্মান জগাই তোলা অতিকৈ ঘাইকাম। দেশত ২।৪ খন কাকত নহলে কিহেৰে এইসকলৰ বুজুৱা যায়? কেইজন মান শিক্ষিত কছাৰী ডেকাই "প্ৰভাতী" আৰু "বিবাৰ" নাম দি দুখন আলোচনী কাকত উলিয়াইছে; তাক সদৌ অসমীয়াই বিশেষকৈ ধনী ডাঙৰীয়াসকলে Donation ধন দান নিদিলে কেনেকৈ কাকত টিকে আৰু সদৌ অসমীয়াৰ ভিতৰত একতা বাঢ়ে!

সামৰণি মাৰি আগলৈ উঠি অহা ডেকাসকলক এই কথা কওঁ—ভৱিষ্যতৰ আশা ভৰসা তোমালোকেইহে; তোমালোক সত্যৰ নিমিত্তে মৃত্যুভয় এৰি দিবাহৰ, নিৰ্ভীক হবা, অধম আদৰ্শ দেখাই মৰাতকৈ মনুষ্যত্বৰ আদৰ্শ দেখাই মৰাকেইহে স্বৰ্গবাসী হবলৈ যোৱাৰ কাৰণে মৰা বোলে। অহোপুৰুষাৰ্থ কৰি দেশৰ পৰা কুৰীতি কুআচাৰ গুচাই শ্ৰীশঙ্কৰ দেৱে যেনেকৈ গাড়ো গোবিন্দ আতৈ, নগা নৰোত্তম আতৈ, ভোট দামোদৰ আতৈ, ভোলামিৰি, নাৰায়ণ আতৈ, আৰু জয়হৰি, চান্দচা মুছলমান সকলেকো মিলাই গোটেই অসমীয়া জাতিটিক এক কৰি পেলাইছিল, তোমালোকেও ডাঙৰ সম্পাতি সকলো ধৰ্ম্মৰ সামঞ্জস্য কৰি সকলোকে গোটাই এক আসনৰ জাতি কৰিবৰ চেষ্টা কৰা। ধনৰ পুজি গোটাই দেশত পুণ্যৰ কাম কৰিবলৈ দলে দলে ভিখাৰীহৈ ঘৰে ঘৰে মাগি ফুৰা আৰু ধনীসকলৰ মন পমাই দেশপ্ৰেমিক কৰি পেলোৱাঁহক।

শ্ৰীকমলাকান্ত ভট্টাচাৰ্য্য।

---

# বাৰভুঞা।

## ( ৩ )

### শ্ৰীমন্ত শঙ্কৰদেৱৰ পুত্ৰ-নাতিসকলৰ কথা।

৩ পুত্ৰৰ কথা।

শ্ৰীমন্ত শঙ্কৰদেৱৰ তিনিটি পুত্ৰ আছিল। ৰামানন্দ, কমললোচন আৰু হৰিচৰণ। কমললোচন বাল্যকালতে স্বৰ্গী হৈছে। ৰামানন্দ আৰু হৰিচৰণ ঠাকুৰ গুৰু প্ৰয়াণৰ কিছুকাল পাচলৈ থাকে, কিন্তু কোনো এজনেও প্ৰচাৰ কৰা কাৰ্য্যত সহায় কৰা দেখা নাযায়। ৰামানন্দ ঠাকুৰ চিলাৰায় দেৱানৰ অনুৰোধ মতে কিছুদিন তেওঁৰ ৰবনগৰত থাকি ৰাজ্য-শাসনৰ কাম শিক্ষা কৰিছিল, কিন্তু গুৰু বেহাৰলৈ যোৱাৰ অলপ আগতে ঠাকুৰক অনায় আৰু বেহাৰলৈ লগত লৈ যায়। সুনীতি নামে চৌধুৰীৰ কন্যা এটি ৰামানন্দলৈ বিয়া কৰাইছিল।

ৰামানন্দ ঠাকুৰে গুৰু বেহাৰলৈ যোৱা সময়লৈ ধৰ্ম্ম গ্ৰহণ কৰা নাছিল; গুৰুৰ শেষ সময়ত ঠাকুৰে পিতৃ-পুৰুষত ধৰ্ম্মবস্তু বিচৰাত গুৰুৱে কয়, "ৰমা, তুমি পলম কৰিলা, মোৰ এতিয়া বাহটোহে আছে, সমস্ত সাৰ মাধৱে নিছে; তুমি ভক্তিভাৱে মাধৱক খুজিবা, তেওঁ দিব''।

ঠাকুৰ বৰপেটালৈ আহে; আৰু পাচত মাধৱদেৱৰ পৰা ধৰ্ম্ম গ্ৰহণ কৰে। কিন্তু সৰহ দিন তেৰা জীৱিত নাথাকিল। শ্ৰীমন্ত শঙ্কৰৰ সাম্বৎসৰিক উৎসৱৰ পাচ-তেই স্বৰ্গী হ'ল।

গুৰু প্ৰয়াণ কৰা সময়ত হৰিচৰণ ঠাকুৰৰ বয়স বেচি হোৱা নাছিল; মাধৱদেৱে হৰিচৰণ ঠাকুৰক পঢ়াই আছিল। গুৰু শেষ বাৰ বেহাৰলৈ যাওঁতে হৰিচৰণ ঠাকুৰলৈ ৰামচৰণ ঠাকুৰৰ ভণীয়েক বিষ্ণুপ্ৰিয়াক বা ৰামপ্ৰিয়াক বিয়া কৰাই থৈ যায়। এই সম্বন্ধে বিদ্যানন্দ কৃত ঠাকুৰ চৰিত্ৰত গুৰুৰ নাতি চতুৰ্ভুজ ঠাকুৰে কোৱাৰ ধৰণে আছে—

"নৱম বৎসৰত জানা আইৰ জোৰণ ভৈলা
পিতামহ সাক্ষাতে আছন্ত।
আইৰ বৎসৰ দশ প্ৰবেশ শঙ্কৰদেৱ
বৈকুণ্ঠ পয়াণ কৰিলন্ত॥

হৰিচৰণ ঠাকুৰো সৰহদিন থকা নাছিল। তেওঁৰ শেষ সময়ত ভ্ৰমো হৈছিল। মাধৱদেৱে বহুত চিকিৎসা কৰি কিছু ভাল কৰিছিল, পাচত মাধৱদেৱ চলাৰ কেই বছৰ মান পাচতে স্বৰ্গী হয়। এওঁ লিখা পঢ়া ভালকৈ শিকিছিল। এওঁৰ বিষয় বিদ্যানন্দই লিখিছে—

"হৰি চৰণ নামে ছোট বেটা শঙ্কৰৰ।
পৰম পণ্ডিত যেন গম্ভীৰ সাগৰ॥"

হৰিচৰণ ঠাকুৰৰ এক পুত্ৰ **চতুৰ্ভুজ ঠাকুৰ** আৰু দুই কন্যা **গোবিন্দ প্ৰিয়া** ও **কান্তী**। গোবিন্দ প্ৰিয়াৰ বংশধৰসকলেই বিখ্যাত **নৰোৱাৰ** গোসাঁইসকল।

নাতি পুৰুষোত্তম ঠাকুৰ।

ৰামানন্দ ঠাকুৰৰ এক পুত্ৰ পুৰুষোত্তম ঠাকুৰ। এওঁ ১৪৮৪ শকত অৰ্থাৎ গুৰু প্ৰয়াণৰ সাত বছৰ আগতে জন্মগ্ৰহণ কৰে। এওঁৰ বিষয় গুৰুৱে কৈছিল

"মোৰ ইতো মহা ধৰ্ম্ম নাতিত ৰহিব।
উপদেশ দিয়া বহু লোক নিস্তাৰিব।" ১০

ঠাকুৰৰ ৰূপ—

"পুৰুষোত্তম দেৱৰ যে সুন্দৰ শৰীৰ;
গৌৰ বৰ্ণ সুগম্ভীৰ নেথস্থে ৰুচিৰ॥
আয়ত লোচন যেন পদ্ম পত্ৰ সম।
পদ্ম সম বদন দেখিতে মনোৰম॥
অতি মৃদু বাক্য যেন কোকিলৰ স্বৰ।
কৃষ্ণ কৃষ্ণ নাম মহা সুগুছে মুখৰ॥ ১১৭
শঙ্কৰ দেৱৰ যেন শৰীৰৰ কান্তি।
আতাৰ শৰীৰ যেন তেজ প্ৰকাশন্তি॥

বিদ্যানন্দ।

ঠাকুৰে "ন ঘোষা" নামে এখনি ঘোষা শাস্ত্ৰ আৰু "বুঢ়া ভাইচ" নামে এখন তত্ত্ব পুথি ৰচনা কৰে। ইয়াৰ উপৰিও "পুৰুষোত্তম গোটা ভাগ" নামৰ এখন গুপুত পুথি আছে। আৰু কিবা পদ পুথি নাট আদি কৰিছিল যদি সেইবোৰ আমাৰ হাতত পৰা নাই। ন ঘোষাত শ্ৰীমন্ত শঙ্কৰদেৱৰ বিষয় এইদৰে প্ৰকাশ কৰিছে---

"শঙ্কৰ স্বৰূপে হৰি সমস্তে জগত জুৰি
ভকতি প্ৰদীপ লগাই থৈলা।
মাধৱ স্বৰূপে হৰি তাতে তৈল বৰ্ত্তি দিয়া
অজ্ঞান-আন্ধাৰ দূৰ কৈলা॥"

পুৰুষোত্তম ঠাকুৰৰ গুণৰ বিষয় —

"জয় জয় পুৰুষ উত্তম গুণে নাহি আৰ।
হৰিৰ ভকতি তেন্তে কৰিলা প্ৰচাৰ॥
পুৰুষোত্তম নাম ধৰি লোক নিস্তাৰিলা।
শঙ্কৰত বিনে গুৰু আন নকহিলা॥ ৮৯৭
পুত্ৰতো অধিক কৰি ভকতক পালিলা।
ভাগৱত শাস্ত্ৰ মানে কণ্ঠাগত কৈলা॥
তান্ত পৰে পৃথিবীত পণ্ডিত নাছিলা।
যতেক পণ্ডিত মানে তাহাতে ঘাটিলা॥" ৮৯৮

ভূষণ দ্বীজ।

ঠাকুৰে আচাৰ্য্য পদ গ্ৰহণ কৰা সম্বন্ধে —

"কীৰ্ত্তন মন্দিৰে পাছে ঠাকুৰক বৈসাইলন্ত
আপোনাৰ আগে মান্য কৰি।
সভাৰ মাজত গৈ মাধৱে জানু পাৰি
বুলিলা সবাকে লক্ষ্য কৰি॥
কোন এক গৃহস্থৰ চতুৰ চাকৰ আছে
পুত্ৰজন ভৈলা বোবা প্ৰায়।
নাতি একেটিবা আছে সিয়ো আতি শিশুমতি
গৃহ ধন ৰাখন নযায়॥ ৩০১
হেন মনে চিন্তি পাছে গৃহস্থে বুলিলা বাণী
চাকৰৰ হাতত ধৰিয়া।
পুত্ৰে একো নজানয় নাতি মোৰ শিশুমতি
গৃহধন থাকিবা ৰাখিয়া॥
সমৰ্থ ভৈলেক যেবে নাতি মোৰ সুবলিত
তেবে শোধাই দিবা সৰ্ব্বস্বক।
হেনয় বচনে পাছে চাকৰক শিক্ষা দিয়া
গৃহস্থ ভৈলেক পৰলোক॥
সেহিমতে ময়ো জানা শঙ্কৰৰ অনুচৰ
সৰ্ব্বস্বক আছোহোঁ ৰাখিয়া।
শঙ্কৰৰ মহা ধৰ্ম্ম সৰ্ব্বস্বক আজি ধৰি
ঠাকুৰক দিলোঁ নিবেদিয়া॥
জাপি লাঠি কৰঙ্গাৰ কণ্ঠা মোৰ অধিকাৰ
ভুঞ্জিবোহোঁ মই ভিক্ষা কৰি।
তুমি সবে আমাসাৰ কেহো বাক্য নলঙ্ঘিবা
থাকিবা ঠাকুৰ বাক্য ধৰি। ৩০৩
শ্ৰীপুৰুষোত্তম সন্ত দাতাবন্ত গুণবন্ত
অগাধ পণ্ডিত জানিবাহা।
শঙ্কৰৰ নাতি আৰু দ্বিতীয় শঙ্কৰ বুলি
সবেও ভকতে মানিবাহা॥
হেন শুনি সৰ্ব্বলোক হৰিধ্বনি কৰিলেক
. সবাহাৰে আনন্দ বঢ়াই।
দেখিয়া পুৰুষোত্তমে আসনৰ পৰা উঠি
মাধৱক আলিঙ্গিলা যাই॥
বুলিলা গোসাঁই তুমি অনাথ কৰিলা আজি
কোন মতে আমাক তেজিলা।
পক্ষীয়ে পুত্ৰক যেনে পাখায়ে ঢাকিয়া ৰাখে
সেহিমত আমাক পালিলা॥
এহিমতে মাধৱক ধৰিয়া পুৰুষোত্তমে
লোতকে ভিজায়া কান্দিলেক।
সুন্দৰীত ঠাকুৰক প্ৰবোধি মাধদেৱে
বেহাৰক প্ৰতি চলিলেক॥" ৩০৫

হৰিনাৰায়ণ আতা—কৰ্চুং সত্ৰাধিকাৰ।

বিদ্যানন্দ কৃত ঠাকুৰ চৰিত্ৰৰপৰা জনা যায় কোচ নৃপতি লক্ষ্মীনাৰায়ণ আৰু পৰীক্ষিতৰ কন্দলৰ ফলত ঢাকা নাবাবৰ সেনাপতি সত্ৰাজিতে বৰনগৰ অধিকাৰ কৰে। পৰীক্ষিত দিল্লীলৈ যাওঁতে বাটত মৃত্যু হয়। ঠাকুৰ সেই সময়ত বৰনগৰত উপস্থিত হোৱাত পৰীক্ষিতৰ



পত্নীসকলে আৰু কুমাৰ ৰূপনাৰায়ণে ঠাকুৰৰ ওচৰত শৰণ লয়। এই নগৰত কৃষ্ণবল্লভ নামে এজন সোল নামীয় ভক্ত আছিল—সম্ভৱতঃ এওঁ চৈতন্য পন্থী; এৱেঁ। নতুনকৈ ঠাকুৰত শৰণ লয়। ঠাকুৰৰ গুণ-গৰিমা দেখি নবাবৰ সেনাপতি সত্ৰাজিতেও ঠাকুৰৰপৰা ধৰ্ম্ম গ্ৰহণ কৰে। ঠাকুৰ বৰনগৰত কিছুদিন থাকি পাটবাউসীলৈ ঘূৰি আহে। তাৰ পাচত জানিয়ালৈ যায়।

"শঙ্কৰদেৱৰ নাতি অতি অনুপাম।
পৰম পণ্ডিত শ্ৰীপুৰুষোত্তম নাম॥ ৪৮১
গহীন গম্ভীৰ ধীৰ কৃষ্ণত ভকত।
ৰামকৃষ্ণ নাম সদা শুনুচে মুখত॥
দৰশনে পাপ হৰে আছে মহা গুণ।
অদ্যাপি প্ৰশংসে আৰু পণ্ডিত ব্ৰাহ্মণ॥
জৰনিয়া গ্ৰামে আসি তেহো ৰহিলন্ত।
বৎসৰ ছয়ক মানে ঐত আছিলন্ত॥
কৰিলন্ত সত্ৰ হৰি কথা দিনে ৰাতি।
তেহন্তে আমাক দয়া কৰিচন্ত আতি॥" ৪৮৩

ভূষণ দ্বিজ।

গ্ৰন্থকাৰ দ্বিজ ভুষণ পুৰুষোত্তমৰ শিষ্য। জৰনিয়াক আজি কালি জনিয়া বোলে—বৰপেটাৰ ওচৰতে। ঠাকুৰ বাউসীৰপৰা গৈ জনিয়াত প্ৰায় ছবছৰ থাকি সপৰিবাৰে বেহাৰলৈ যায়।

'আঢ়ৈ বৎসৰ বেহাৰত আছিলন্ত।
অনন্তৰে চলি পাছে বৈকুণ্ঠে গৈলন্ত"॥

বিদ্যানন্দ॥

তেৱা চলাৰ আগতে ধৰ্ম্মৱস্ত চতুৰ্ভুজ ঠাকুৰক দি যায়—

"বুঢ়ীৰ পো আতই গোপাল আতাই
দুইজনে সুধিলা গই।
তোমৰা পৃথিৱী এড়িবে যোজাকা
কাহাত ধৰ্ম্ম থাপি থই॥ ৯০৮
শুনিও গোপাল শুনিয়ো গোবিন্দ
তোমাত কহওঁ নিষ্ট।
ঘৰসিয়া* মধ্যে আচন্ত ঠাকুৰ
আমাৰ ভাতৃ কনিষ্ঠ॥
তান্তে ধৰ্ম্ম থৈলো নিষ্ট কৰি জানা
সবাৰে আগত কন্ত।
যেন হস্তী দন্ত এগোটা থাকন্ত
এগোটা মৰিয়া যান্ত॥ ৯০৯
এহি বাক্য কহি ঠাকুৰ ঈশ্বৰ
স্তুতি মৌন হুয়া ৰৈলা।
শ্ৰীশঙ্কৰক হৃদয়ে ধৰিয়া
বৈকুণ্ঠে চলি গৈলা॥

ভূষণ দ্বীজ।

(২) "মহাপুৰুষৰ সৰ্ব্বস্বক মাজ
তাহান্তেসে থাপি থৈলো।
আন জনে আৰ ভাগ নপাৰয়
চতুৰ্ভুজ শিৰে দিলোঁ॥ ১১৫

কেশৱ চৰিত—শ্ৰীচন্দ্ৰ দ্বিজ।

পুৰুষোত্তম ঠাকুৰ ১৫৫৫ শকৰ
"পুষৰ মাসত কৃষ্ণা চতুৰ্দ্দশী
বৈকুণ্ঠে চলিয়া গৈলা।
সমস্তে ভকতে কান্দিবে লাগিলা
অনাথিতি সবে ভৈলা"॥ ১১৬

কেশৱ চৰিত—শ্ৰীচন্দ্ৰ দ্বিজ।

পুৰুষোত্তম ঠাকুৰৰ ভাৰ্য্যা তিনি গৰাকী আছিল— ৰেৱতী, লক্ষ্মী আৰু ৰুক্মিণী—

"পুৰুষোত্তম দেৱৰ যে ৰেৱতী ভাৰ্য্যাত।
অনন্তপ্ৰিয়া নামে এক কন্যা ভৈলা জাত॥
ইন্দ্ৰজিত গাভৰুগিৰিত বিহা দিল।
এতেকে ডাঙৰ আই পৰলোকে গৈল॥
লক্ষ্মীপ্ৰিয়া নামে আৰো ভাৰ্য্যা বিহাইলন্ত।
তথাপি তাহান জানা পুত্ৰ নভৈলন্ত॥
কেহোপ্ৰিয়া, ভৱপ্ৰিয়া, দময়ন্তী নাম।
লক্ষ্মীপ্ৰিয়া গৰ্ভে তিনি ভৈলা অনুপাম॥"

জয়হৰি দ্বিজ।

*ঘৰসিয়া—সম্ভৱতঃ মিলাজাৰি সত্ৰ হব পাৰে; ই বৰনগৰৰ ওচৰত। পুৰুষোত্তম ঠাকুৰৰ সময়ত পৰীক্ষিতনাৰায়ণে এই সকলক বৰ সহায় কৰিছিল; সেই দেখি সত্ৰও ৰাজধানীৰ ওচৰতে পাতি দিয়া যেন অনুমান হয়।

ৰুক্মিণী দেৱী নিঃসন্তান। (১) ইন্দ্ৰজিতৰ বংশ কোন জানিব পৰা নাই। কেহো বা কেশৱপ্ৰিয়াক (২) নিৰঞ্জন গাভৰুগিৰিত বিয়া দিয়ে। এওঁৰ বংশধৰ দীঘলী, চামগুৰি আৰু আৰু ভোগবাৰী সত্ৰাধিকাৰ সকল। (৩) ভৱপ্ৰিয়া নাবালক অৱস্থাত মৃত্যু হয়।

পুৰুষোত্তম ঠাকুৰ স্বৰ্গী হোৱাৰ সময়ত দময়ন্তী নাবালক।

পুৰুষোত্তম ঠাকুৰৰ আজ্ঞাপৰ সত্ৰ—

"আত অনন্তৰে শুনা সাধু নিৰন্তৰ।
যেন মতে বাৰুজন ভৈলা আজ্ঞাপৰ॥
বালিগ্ৰামে গোবিন্দপুৰৰ গড়মাজে।
আছিল মকুন্দ গোসাঁই জানা সামৰাজে॥
মহা ধীৰ কত যোগী সিদ্ধ সমুদায়।
তান সঙ্গে দুইজন আছিলন্ত যাই॥
বসুন্ধৰা গ্ৰামে কৃষ্ণ পেনপেনি কাঠৰ।
নামত কেশৱ বিপ্ৰ কুৰঁৱাচুভৰ॥
কতো দিন অনন্তৰে মকুন্দ গোসাঁই।
দুইহান্তকো বুলিলন্ত সাদৰে বুজাই॥
নামত শঙ্কৰ মহা মহন্ত আছিল।
কৃষ্ণ দেৱ নাম ধৰ্ম্ম সমে প্ৰচাৰিলা॥
তানে নাতি আছে পুৰুষোত্তম মহাসন্ত।
পাটবাউসী সত্ৰে সেহি ধৰ্ম্ম প্ৰবৰ্ত্তান্ত॥
তান পাশে চলিয়া যায়োক তোৰা দুয়ো।
তান সঙ্গে থাকি কৃষ্ণ দেৱক ভজিয়ো॥
এহি বুলি দুইহানকো বিদায় দিলন্ত।
তাহান সঙ্গৰ লোক সব খেদিলন্ত॥ ৭০
অনন্তৰে আসাম ৰাজাৰ আজ্ঞা ভৈল।
মকুন্দ গোসাই অঙ্গে ছেদন কৰিল॥
সাত দিন বসুমতী কম্পিবাক লৈল।
হালধি ৰুধিৰ পঙ্ক মেঘে বৰষিল॥
কেশ কৃষ্ণ দুয়ো পাছে ভটিয়াই আসিল।
বাৰ্ত্তা পুছি জানিয়া গ্ৰামত প্ৰবেশিল॥
শঙ্কৰ দেৱৰ নাতি পুৰুষোত্তম নাম।
তান পাৱে দুয়োজন কৰিলা প্ৰণাম॥ ৭২
কৃষ্ণৰ চৰণে দুয়ো শৰণে পশিলা।
কিছু দিন থাকি দুয়ো উজানক গৈলা॥
ভাগতীপো পৰমানন্দ ৰত্নপুৰৰ।
ৰাম কৃষ্ণ নামে আৰু গোমস্থা বংশৰ॥
চতমীয়া গ্ৰামৰ যে বাসুদেৱ নামে।
পৰশুৰাম নামে অৰু কুলবাৰী গ্ৰামে॥
চেকেৰাতলীয়া গোপীনাথ অনুপাম।
এহি পাঞ্চজন জানা ব্ৰাহ্মণৰ নাম॥
মুৰাৰী নামত জানা বেঙ্গেনাআটি গ্ৰামে।
কৃষ্ণচৰণ যে চিপহা গ্ৰাম নামে॥
(কাঠপাৰ) কাঠৰ পো কমললোচন নাম যাৰ।
নামে হৰিচৰণ যে শাওকুচিয়াৰ॥ ৭৪
ঠকৰিয়াল নামে কমললোচন।
কেশৱ কৃষ্ণৰ সমে এহি বাৰ জন॥"

ঠাকুৰ-চৰিত—জয়হৰি দ্বিঃ

১৫ ১৬ শকত অৰ্থাৎ মহাপুৰুষ মাধৱদেৱৰ প্ৰয়াণ কৰা ২ বছৰমান পাচত চতুৰ্ভুজ ঠাকুৰৰ জন্ম হয়।* সেই সময়ত দাদাক পুৰুষোত্তমৰ বয়স ৩৫ বছৰ।

নাতি চতুৰ্ভুজ ঠাকুৰ। চতুৰ্ভুজ বেচি বুদ্ধিমান, ৰূপৱান আৰু তেজস্বী আছিল। লোকে তেওঁক দ্বিতীয় শঙ্কৰ বুলি পূজা কৰিছিল। ঠাকুৰে যঁতে তঁতে মহা-সম্প্ৰদায় কেৱল শ্ৰীশঙ্কৰৰ নাম লৈছিল; কাৰবাৰ মুখত অন্য কথা শুনিলে ভাল নাপাইছিল।

বিদ্যানন্দে ঠাকুৰৰ ৰূপ বৰ্ণাইছে—

'তাহান তনয় ভৈলা চতুৰ্ভুজ নাম।
গহীন গম্ভীৰ ধীৰ গুণে অনুপাম॥
পৰম সুন্দৰ দেহা মদন সমান।
ললিত বলিত বাহু পৰম সুঠান॥
পদ্ম সম বয়ন নয়ন ৰুচিকৰ।
দেখন্তে পৰম সুখ মিলে ভকতৰ॥
মহা ৰুচিকৰ দেখি চৰণ যুগল।
দৰশনে মাত্ৰ নষ্ট হোৱে অমঙ্গল॥" ৬৭

চতুৰ্ভুজ ঠাকুৰ সুন্দৰীত ডাঙৰ হয়। পুৰুষোত্তম ঠাকুৰ জনিয়াত থাকোঁতে বুঢ়ীমাক আৰু গুৰু-পত্নী লগত আছিল। বেচি দিন দাদাকৰ লগত থকা দেখি সৰু ঠাকুৰৰ অসহ্য হল, আৰু ভিনীহিয়েকক পঠাই আইক তাৰপৰা দোলাৰে অনায়। দোলা লোৱা লৈ বৰ হাহাকাৰ হৈছিল, বহুত ভক্তে দোলাৰ মাৰিত ধৰিবলৈ নাপাই নাটিত বাগৰি কান্দিছিল।

পুৰুষোত্তম ঠাকুৰ মধুপুৰত প্ৰয়াণ কৰা সময়ত চতুৰ্ভুজ ঠাকুৰ খিলাঞ্জাৰি বা ঘৰসিয়াত আছিল। শেষ সময় বুজি পুৰুষোত্তমে ভক্তসকলক কয়—

*   *   *   *

"শুনা ভক্তসব মই কহোঁ এক কথা॥
ঘৰসিয়া নগৰক যাহা এতিক্ষণ।
আনাগই ঠাকুৰক হওঁ দৰিশন॥" কণ্ঠভূষণ।

ঠাকুৰ গৈ নৌ পাওঁতেই পুৰুষোত্তমৰ শেষ সময় উপস্থিত হয়। ইয়াৰ পাচৰপৰা চতুৰ্ভুজ ঠাকুৰে ধৰ্ম্ম প্ৰচাৰ কৰি ফুৰিবলৈ ধৰে। ঘৰসিয়াত অভিমাজি নামে এজন ভক্ত আছিল; চতুৰ্ভুজ ঠাকুৰে এই মাজিৰ ঘৰত অলপ দিন থাকি ধৰ্ম্মপ্ৰচাৰ কৰে। পৰৱৰ্ত্তী কালত এয়ে এখন থান হৈ উঠে। তাৰ পাচৰপৰা গোৱালপাৰৰ "কলৰা তামৰঙ্গা (বিল) মাজে আনি নগৰ পাতিলা।"

পশ্চিম কালে নগৰীয়া ভকতক ঠাই দিয়ে; দক্ষিণ কালে বিদ্যালঙ্কাৰ গুৰুৱে ঘৰ কৰে। চতুৰ্ভুজ ঠাকুৰৰ

বিষ্ণুপুৰ। ভিনীহিয়েক বৰুৱা আতাই পূব দক্ষিণ হাটিত ঘৰ কৰে; তেওঁৰ লগত গৃহস্থী ভকতসকলেও ঘৰ কৰে। এইদৰে পূবহাটি, উত্তৰহাটি পাতিও ভকত বহুৱায়।

"সবাৰো মধ্যত জলে ঈশ্বৰৰ ঘৰ।
কৈলাশ শিখৰে যেন জলে ৰুচিকৰ॥
গোসাঁইৰ ঘৰক মঞি বৰ্ণাইবোহো কত।
আতাৰ মন্দিৰ জলে তাৰ ওচৰত॥
পৃথকে পৃথকে ঘৰ সজাইলা ৰুচিৰ।
ডাঙৰ আইৰ ঘৰ আই গোসাঁনীৰ॥
আনো আইসকলৰ ঘৰ সজাই দিলা।
পৰম কৌতুক মনে আতাও ৰহিলা॥
দ্বাৰকা নগৰখন সাগৰৰ মাজ।
যেনমতে নিৰ্ম্মাণ কৰিলা যদুৰাজ॥
সেহিমতে আতা পুৰখান নিৰ্ম্মিলন্ত।
চতুষ্পাশে বেঢ়ি আছে জল অপৰ্য্যন্ত॥ ১৬৩
প্ৰকাশন্ত স্থলখান দেখি অনুপাম।
পৰম কৌতুকে থৈলা বিষ্ণুপুৰ নাম॥"

বিদ্যানন্দ।

ঠাকুৰে বিষ্ণুপুৰত বিয়া কৰায়। পত্নী তিনি গৰাকী— কনকলতা, মকুন্দপ্ৰিয়া আৰু ৰেৱতী; কিন্তু কাৰো পুত্ৰ সন্তান নহল—

(১)

"ঠাকুৰ দেৱৰ তিনি পত্নী মিলি
কাহাৰো বংশ নৰৈল।
মধ্যমাৰ পুত্ৰ দৈৱকীনন্দন
তেহোঁ পৰলোকে গৈল॥" ৩৯২

হৰিনাৰায়ণ—ঠাকুৰ চৰিত।

(২)

"আমাৰ দ্বিতীয়া পত্নী মকুন্দপ্ৰিয়াৰ।
তানহন্তে জন্মিলন্ত এগুটি কুমাৰ॥" ১০১

ৰতিকান্ত দ্বিজ-ঠা, চ,।

কনকলতা আইৰ সুভদ্ৰা আৰু ৰেৱতী আইৰ সুমিত্ৰা নামে দুটি কন্যা মাত্ৰ আছিল। সুভদ্ৰাক ৰামদেৱ

---

* চতুৰ্ভুজে কৈছে—

"নৱ বৎসৰত জানা আইৰ যৌৱন ভৈল
পিতামহ সাক্ষাতে আছন্ত।
আইৰ বৎসৰ দশ প্ৰবেশ শঙ্কৰদেৱ
বৈকুণ্ঠে পয়াণ কৰিলন্ত॥
নকৈ বৎসৰ যেবে আইৰ সম্পূৰ্ণ ভৈল
কৰিলন্ত বৈকুণ্ঠ পয়াণ।
মহাপুৰুষ চলিবাৰ আশী বৎসৰ ভৈল
জানিবাহা প্ৰত্যেক প্ৰমাণ॥
পোন্ধৰ শ সম্ভৰি শকত কহিলা আতা
জানিবাহা সাধুসব যত।
*   *   *   *
পঞ্চাৰন বৎসৰত দাদা চলি যান্ত জানা
মোৰ ভৈল বৎসৰ চৌয়ন॥" ২৯৬ বিদ্যানন্দ

* আতা—চতুৰ্ভুজ ঠাকুৰ।

(যদু বৰুৱা) আৰু সুমিত্ৰাক গাভৰুগৰি নামৰ এক ভূঞা পোৱালীত বিয়া দিয়ে। ৰামদেৱৰ বংশধৰ সকলেই বিখ্যাত শলগুৰীয়া গোসাঁইসকল; গাভৰু গিৰিৰ বংশধৰসকলৰ কথা নাজানোঁ।

ঠাকুৰ বিষ্ণুপুৰৰপৰা গৈ কিছুদিন বৰনগৰত থাকে।

ঠাকুৰৰ ধৰ্ম্ম প্ৰচাৰ।

সেই সময়ত বৰনগৰত ৰূপনাৰায়ণ আছিল। তেওঁৰ পত্নীসকলে পোনতে ঠাকুৰৰ ওচৰত শৰণ লয়। বৰনগৰীয়া মানুহৰ সেই সময়ৰ ধৰ্ম্ম-ভাৱ সম্বন্ধে বিদ্যানন্দই লিখে—

"পূৰ্ব্বে ইসব লোকে মহা ধৰ্ম্ম নজানন্তি।
শক্তি আছিলেক বৰ আতি।
হৰিৰো কীৰ্ত্তন কৰে শৰৎ সময় হৈলে।
ঘৰে ঘৰে থৰে ঘট পাতি॥" ১৮২

ঠাকুৰ "বৰনগৰ হন্তে গৈলা বড়ভাগ।" বড়ভাগ বল্যা নদীৰ পশ্চিম অঞ্চল। এই সময়ত "বীৰনাৰায়ণ (কোচ ৰজা) ৰাজা হাজোত আছন্ত।" ঠাকুৰ হাজোৰ ওচৰলৈ যোৱা শুনি "সহৰিষ মনে আসি আগবাঢ়ি নিলা।" ঠাকুৰে কামৰূপত কিছুদিন ধৰ্ম্ম প্ৰচাৰ কৰি থাকোঁতে এটা ঘটনা হয়। এক সময়ত মথুৰাদাস আতাই মাধৱদেৱক গুৰু বোলে, তাকে শুনি ঠাকুৰে খংকৰি আৰু আগলৈ কেৱল শ্ৰীমন্ত শঙ্কৰকহে গুৰু বুলিবলৈ কয়। মথুৰাদাস মাধৱদেৱৰ শিষ্য; তেওঁ ঠাকুৰৰ কথাত সন্তুষ্ট নহল আৰু সেই কথা ৰামচৰণ ঠাকুৰ আৰু অন্যান্য কিছুমানৰ আগত প্ৰকাশ কৰিলে। ঠাকুৰে এইবোৰ শুনি ৰামচৰণ ঠাকুৰৰ ওচৰত বেজাৰ কৰে।

"আতা বুলিলন্ত মম! নতু শুনা তুমি।
মথুৰা যি বোল বোলে কি কহিবো আমি॥
হাক দিয়া ফুৰে নাযাইবাহা বিষ্ণুপুৰে।
মাধৱক নিন্দাবাদ বোলন্ত ঠাকুৰে॥" ২২০

বিদ্যানন্দ।

এইকথা মথুৰা আতাৰ কাণত পৰাত তেওঁ নিজে গৈ ঠাকুৰৰ জগৰ ভাঙে।

ইয়াৰ পাচত ঠাকুৰ তীৰ্থলৈ যায়; লগত পাচ শ ভকত গৈছিল। আই গোসাঁনী আৰু ভনীয়েক কান্তী দেৱীও লগত গৈছিল; ভকতসকলে এওঁলোকক খাটোলাত তুলি নিছিল।

তীৰ্থযাত্ৰা।

ঠাকুৰ সশিষ্যে বেহাৰৰ মধুপুৰ পায়। তাত পুৰুষোত্তম ঠাকুৰৰ পত্নী আছিল; তেৰোঁ ঠাকুৰৰ লগত তীৰ্থলৈ যাম বোলাত যাবলৈ অনুমতি দিয়ে। তেতিয়া লক্ষী আই খাটোলাত যায়, বৰ আই দেৱতী জীয়েক

"অনন্তপুৰীয়া আই যাই ভবি বুলি।"

লক্ষী আইৰ হাতত এখন গুৰুৰ হস্তাক্ষৰৰ পুঁথি আছিল। চতুৰ্ভুজ ঠাকুৰে খোজাত আয়ে সদায় পঢ়ি লাগে বুলি নিদিলে।

এই সময়ত বেহাৰত বীৰনাৰায়ণ ৰজা। ৰজাৰ মাদৈ আৰু বিষয়াসকলে ঠাকুৰত শৰণ লয়। সেই কালতো ই ৰাজ্যৰপৰা সিৰাজ্যলৈ গলে "পাচপোটৰ" নবে কাকত লব লাগিছিল। ঠাকুৰে ৰজাক কৈছিল—

"চিহ্ন-চাপ দিয়ো আমি শীঘ্ৰ চলি যাওঁ।
ই ঠাইত থাকিয়া আমি কি কাম কৰাওঁ॥ ২৫৫

*  *

শুনি আই দেৱতীয়ে সবাতে কৰাইলা।
সিংহ-বাঘ-চাৰ তেতিখনে কৰি দিলা।
পাঞ্চদিন আতা বেহাৰত আছিলন্ত।
চাৰ পাইলে মাত্ৰে তেতিখনে লড়িলন্ত"॥

বিদ্যানন্দ—ঠা, চ,।

"যমুনাৰ পাশ আতা হৈলা সেহি বাটে।" তাৰ পাচত বিজয়নগৰ, গোপালপুৰ এৰি গৈ গঙ্গাৰ কূল পায়; তাত তিনি দিন থাকে। গঙ্গা পাৰ হৈ মিৰ্জাপুৰ, শেৰপুৰ, বৰ্দ্ধমান, মেদিনীপুৰ, যাদবপুৰ, মহানদী, গোপীনাথপুৰ, লক্ষ্মণপুৰ, ৰামচন্দ্ৰপুৰ পায়; তাতেই শিৱনাথ নামে এজন পাণ্ডাক পাই তেওঁৰে সৈতে গৈ আঠাৰনলা পায়; তাৰ পাচত সিংহদ্বাৰ পাই জগন্নাথ পায়। বাটত তেওঁলোকক মোগল আৰু ডকাইতে পাইছিল, একো অত্যাচাৰ কৰিব নোৱাৰিলে। প্ৰাচীন কালৰ শ্ৰীক্ষেত্ৰলৈ যোৱা আমাৰ এইটোৱেই বোধ কৰোঁ বাট আছিল। শ্ৰীক্ষেত্ৰত ঠাকুৰে দোলযাত্ৰা কৰে; আৰু তিনি ফাগুৱা দিনা পিতৃ হৰিচৰণ ঠাকুৰৰ তিথি উৎসৱ কৰে। তাৰ পাচত পুনৰ বিষ্ণুপুৰলৈ আহে।



ঠাকুৰে অলপ দিন বিষ্ণুপুৰত থাকিয়েই খুটাঘাট, বিজয়পুৰ, ৰূপসি, আমগুৰি, গোবিন্দপুৰ, বড়ভাগ আদিত ঘুৰি সেইবোৰত ধৰ্ম্ম প্ৰচাৰ কৰে। এই সময়তে

"শঙ্কৰ দেৱক গুৰু কৰিয়া কৃষ্ণৰ পায়ে
মহা ৰঙ্গে শৰণ পশিলা। ৩৪০
ৰঘুদেৱ মহাৰাজ তাহান তনয় জানা
দেৱান সুন্দৰনাৰায়ণ।
ৰূপনাৰায়ণ সমে হৰি ভক্তি কৰিলন্ত
আন দেৱ-ধৰ্ম্মে নাহি মন॥"

বিদ্যানন্দ ঠাঃ চঃ—

কিছুদিনৰ পাচত ঠাকুৰ আকৌ সুন্দৰীলৈ আহি বৰপেটাত মাধৱদেৱৰ তিথিত উপস্থিত হয়। এই সময়ত মথুৰাদাস আতা চলাত নতুনকৈ সত্ৰীয়া পাতিব লগীয়া হৈছিল। ঠাকুৰে ৰামৰাম গুৰুৰ বংশধৰ গোপালমিশ্ৰক সত্ৰীয়া পদত বৰণ কৰি, এইদৰে উপদেশ দিয়ে:—

"তোৰা সমে আমি চৈধ্য পুৰুষ
এৰা এৰি পুহু নাই।
তোৰা পুৰোহিত আমি যজমান
পুৰ্ব্বাপৰ চলিচয়॥

*  *  *

মহাপুৰুষৰ ধৰ্ম্মত থাকিবা, মানে যেন মহাশয়॥

*  *  *

আনো বহুবিধ প্ৰবোধ বুলিয়া, গৈলন্ত বিষ্ণুপুৰক।"

বিদ্যানন্দ। ৩৬০

ঠাকুৰ আকৌ বৰনগৰলৈ আহে। বৰনগৰত বিদ্যানন্দৰ (ঠাকুৰ-চৰিত লিখক) ঘৰ। ঠাকুৰ এওঁৰ ঘৰত থাকে। তাৰপৰা আকৌ বৰপেটা, সুন্দৰী ঘূৰি বিষ্ণুপুৰলৈ যায়। তাৰ পাচত এটা ঘটনা হয়:—

"আত অনন্তৰে আৰো শুনিয়ো আখ্যাত।
ঘৰ পোৰা গৈলা আসমৰ মাৰণাত॥
পাটচাই ফৌজে বিষ্ণুপুৰক পুৰিল।
সৰ্ব্বস্ব পাইলেক মানে লুড়ি কৰি নিল॥"

বিদ্যাই ওজা।

১৫৪৫ শঁকত সত্ৰাজিত আৰু আবাবকৰ কলিয়াবৰ ৰণত পৰাত দিল্লীৰ বাদছাহে ১৫৫৮ শঁকত আল্লাৰ চালামক পঠাই দিয়ে।

অহোম ৰজাই কোচৰজা বলিনাৰায়ণক সহায় কৰিছিল; গতিকে দিল্লীৰপৰা অহা সৈন্যৰ লগত 'অসম' বা আহোমৰ ৰণ হয়। এই সময়তেই পাটছাহৰ সৈন্যে বিষ্ণুপুৰ পোৰে।

এই সময়ত ভকতসকল পলায়, কিন্তু ১৫৫৯ শঁকত যেতিয়া বৰনদীয়েই মোগল ৰাজ্যৰ সীমা হয়, তেতিয়া গোৱালপাৰ-কামৰূপত শান্তি বিস্তাৰ হয়; ভকতসকল পুনৰ বিষ্ণুপুৰলৈ আহি ঘৰ-দুৱাৰ সজায়।

কিছুদিন বিষ্ণুপুৰত থকাত ঠাকুৰক বাদছাহৰ বিষয়াই জগৰ ধৰে।

"কল্পতৰু লগাইলন্ত মিৰাৰ আগত।
ব্যৱসা-বানিজ্য কৰে যতেক ভকত॥
শুনিয়া মোগলে পাছে আতাক নিলেক।
কিছু টঙ্কা লৈয়া পুহু বিদায় দিলেক॥" ৩৮৯

বিদ্যাই ওজা।

এই মিৰা মীৰজুমলা নহয় যেন লাগে, কিয়নো মীৰজুমলা ১৪৮৩ শঁকতহে এই দেশলৈ আহে; আৰু তেওঁ ব্ৰহ্মপুত্ৰেদি উজাই পোনকোৱে অসমলৈহে আহিছিল; তদুপৰি চতুৰ্ভুজ ঠাকুৰ ১৫৭১ শঁকতেই প্ৰয়াণ কৰে। মিৰা বোধ কৰোঁ বৰনগৰৰ মোগল শাসনকৰ্ত্তা।

সুভদ্ৰাৰ বয়স ৯ বছৰ পাৰ হোৱাত ঠাকুৰে ৰামদেৱ নামৰ বৰুৱাৰ লৰা এজনত বিয়া দি নিজ ঘৰতে লৰাটি ৰাখে; ৰামদেৱৰ অপৰ নাম যদু বৰুৱা। এই সময়তে ঠাকুৰৰ ভিনীহিয়েক বৰুৱা আতা স্বৰ্গী হয়। ঠাকুৰ বিষ্ণুপুৰত অলপ দিন থকাৰ পাচত বেহাৰত থকা গোবিন্দ আতৈয়ে ঠাকুৰক মাতি পঠায়:—

"ৰাজাৰ কুমাৰে খোজে শৰণ লৈবেক।
আসিয়ো আপুনি আমি নোৱাৰোঁহো তাক॥" ৩৯৭

বিদ্যানন্দ।

ঠাকুৰ বেহাৰলৈ যায় আৰু কোঁৱৰক শৰণ দি ঘূৰি আহে।

ৰামচৰণ ঠাকুৰৰ পুত্ৰ দৈত্যাৰি ঠাকুৰ (গুৰুচৰিত্ৰ-লিখক) চতুৰ্ভুজ ঠাকুৰৰ লগত বিষ্ণুপুৰত আছিল। আমি ওপৰতে কৈ আহিছোঁ ঠাকুৰে সদায় প্ৰকাশ কৰিছিল "মহাপুৰুষত পৰে গুৰু আৰু নাহিকয়।" এইকথাতে

দৈত্যাৰিৰ লগত ঠাকুৰৰ তৰ্ক হয়। আৰু তাৰ ফলত লাহে লাহে দুটা দলৰ সৃষ্টি হয়। এই সময়ত কিছুমানে শ্ৰীমাধৱদেৱ পুৰুষক শ্ৰীশঙ্কৰৰ লগত অভেদ বোলাত ঠাকুৰে খং কৰি কয়:—

"শঙ্কৰক গুৰু বুলি আছে যিতোজন।
কিসক বুলিব সিতো অভেদ বচন॥"

বিদ্যানন্দ।

তাৰ পাচত ঠাকুৰে পুটাঘাটৰপৰা বজ্ৰালিলৈ সমস্ত শিষ্যবৰ্গক মাতি আনি কয়:—

"শঙ্কৰদেৱেসে গুৰু জানা সাৰেসাৰ।
মহাপুৰুষত পৰে গুৰু নাহি আৰ॥
শুনিয়ো ভকতসব আমাৰ বচন।
শঙ্কৰেসে গুৰু বুলি লৈবাহা শৰণ॥
কদাচিতো আন কাকো গুৰু নুবুলিবা।
নিষ্ট কৰি বোলো যদি আমাসাক পাইবা॥" ৪৪৭

বিষ্ণানন্দ।

ইয়াতো ঠাকুৰৰ মনৰ ভাৱ প্ৰকাশ নোহোৱা যেন ভাবি মাতৃদেৱীক সাক্ষী দিয়ে। ঠাকুৰৰ মাতৃয়ে কয়:—

"মামাৰ কণ্ঠত মই ৰঙ্গে থাকো বসি।
বহুলোক কৃষ্ণত শৰণ লোৱে আসি॥
শঙ্কৰদেৱেসে গুৰু বুলিয়া কহন্ত।
কৃষ্ণৰ অভয় পদে শৰণ কৰান্ত॥"

বিষ্ণানন্দ।

কিন্তু ইয়াতো মতান্তৰ নাভাগিল। এই কথাত পোৰাভিঠাৰ (বৰপেটা) ভক্তসকলক ঠাকুৰে খং কৰে; তাকে শুনি ভক্তসকলে গৈ ঠাকুৰৰ জগৰ ভাঙিলে। তেতিয়াও ঠাকুৰে কয়:—

"শঙ্কৰদেৱক গুৰু বোলে যিতোজন।
নুবুলিব নুবুলিব অভেদ বচন॥"

ইয়াৰ উপৰি ঠাকুৰে কিছুমানক নতুনকৈ গুৰু আসনত শৰণো লগাইছিল। ইয়াৰপৰা স্পষ্ট বোধ হয়—চতুৰ্ভুজ ঠাকুৰৰ সময়ত দুটা দল হয়—(১) মাধৱদেৱৰ আজ্ঞাপৰসকল আৰু (২) ঠাকুৰৰ আজ্ঞাপৰসকল। সম্ভৱতঃ এই সময়তেই "**নিকা-পন্থীয়া**" আৰু "**ঠাকুৰীয়া**" এই দুই শব্দৰ উৎপত্তি হয়।

এই সময়ত "দামোদৰী" নামৰ উদ্ভৱ হোৱা নাই। চতুৰ্ভুজ ঠাকুৰৰ পৰবৰ্ত্তী কালতহে নামনি অঞ্চলত (সম্ভৱতঃ বৰপেটা-পাটবাউসীত) **দামোদৰী** নামৰ উৎপত্তি হয়।

১৫৬৭ শকৰ ভাদ মাহত ঠাকুৰৰ মাতৃবিয়োগ হয়। ঠাকুৰে গঙ্গাত মাতৃ-অস্থি লগাবলৈ

তীৰ্থ-যাত্ৰা

তীৰ্থ-যাত্ৰা কৰে (আঘোন মাহত)। সেই সময়ত ভবিষ্যতে ধৰ্ম্ম কাৰ ওপৰত ৰব বুলি ভক্তসকলে প্ৰশ্ন কৰাত ঠাকুৰে কয়:—

"সেহি বাক্যে জানা মোৰ জীৱ যে আছয়।
তান পুত্ৰে ধৰ্ম্ম ৰৈব বুলিলোঁ নিশ্চয়॥"+

বিষ্ণানন্দ।

ঠাকুৰে তিনিশ ভকত লগত লৈ তীৰ্থ-যাত্ৰা কৰিলে; লগতে ভাগিন [গোবিন্দ প্ৰিয়াৰ পুত্ৰ] দামোদৰো গল; কিন্তু কিছু দূৰ গৈ কিছুমান ভকতক দামোদৰে সৈতে ওভতাই পঠালে। সেই সময়ত ঠাকুৰে কলে:—

"দামোদৰ আতা তেহে ভাগিন হোৱন্ত।
আতা (ঠাকুৰ) স্নেহভাৱে প্ৰবোধিয়া বুলিলন্ত।
ভক্তসমন্বিতে বিষ্ণুপুৰক চলিও।

—বিষ্ণানন্দ।

গুৰুধৰ্ম্মনিষ্ঠা তোৰা বিষ্ণুপুৰে ৰৈও" ॥ ৬৩৪

তাৰ পাচত ঠাকুৰ বটিয়ামাৰি পায়। তাৰপৰা উজনি ভক্তসকলক বিদায় দি কয়:—

"আসাম ৰাজ্যৰ দুই মেধিক বুলিলা।
পালটিয়া গৈয়া সবে বিষ্ণুপুৰে চলা॥ ৬৪৯
সেৱা কৰি দামোদৰ দেশক চলিবা।
মোৰ যত কথা বাৰ্ত্তা তাহান্ত কহিবা"॥

—বিষ্ণানন্দ।

+ এই কথাত মতভেদ আছে। আন এখন চৰিত্ৰৰ মতে চতুৰ্ভুজ ঠাকুৰে ভাগিন দামোদৰক পোষ্য-পুত্ৰ কৰি লয় আৰু তেওঁকে ধৰ্ম্ম ভাৰ দিয়ে। পাচৰ প্ৰবন্ধত ওলাব। লিখক।



তাৰ পাচত ঠাকুৰ ঘুৰলা, ঘিলানগৰ এৰি সোণকোষ পাৰহৈ গজিনগৰ (মোগলৰ) পায়। কোচ ৰজাই নিবলৈ পঠাইছিল; ঠাকুৰ নগল। তাৰ পাচত বাঘমৰাহাট এৰাই কৰতীয়া গঙ্গা পায়। নদী পাৰ হৈ বৰণগৰ এৰাই ইছামতী নদী পায়; তাৰ পাচত চাচৰি, কন্টা, গোপাল-পুৰ আৰু ৰামপুৰ এৰাই "তৰ্ঝোসী," ও "মহানন্দা" নদী পায়। তাৰ পাচত গঙ্গালৈ গৈ তাত কৃত্য কৰি তুলসী ৰোপন কৰি তাত বাস কৰে।

গঙ্গাতীৰত বাস কৰোঁতে তাৰ এজন ব্ৰাহ্মণে শৰণ লয়—

"অশ্বথৰ তলে এক যে ব্ৰাহ্মণে
শৰণ লৈলন্ত যাই।
সেই থানে পাছে পকা গৃহ কৰে
পাঞ্চ ভক্তে নাম গায়॥ ১৩৭

কেশৱ চৰিত—শ্ৰীচন্দ্ৰ।

ইয়াৰ পাচতেই চতুৰ্ভুজ ঠাকুৰ—
"পুৰ মাস শুক্লা চতুৰ্থীত বৈকুণ্ঠে চলিয়া গৈলা।
ভকতসকলে আতি মনদুখে খেদ যে কৰি ৰহিলা" ॥ ১৩৮

কেশৱ চৰিত।

ঠাকুৰৰ বৈকুণ্ঠ গমনৰ শক ১৫৭১ বুলি অনুমান হয়। ঠাকুৰে য'ত প্ৰয়াণ কৰিছিল তাতে গঙ্গাতীৰত সেই ব্ৰাহ্মণ সেৱকে এটি পকী ঘৰ সাজে:—

"যিথানে শৰীৰ পৰিল তহিতে
দ্বিজে পকী গৃহ কৈলা। ৭৪
কীৰ্ত্তন কৰাইতে চাৰিজন ভক্ত
বিপ্ৰ ৰাখিলন্ত তৈতে।
অদ্যাপিও সিতো স্থানখানি আছে
গঙ্গাৰ প্ৰহৰ অন্তে॥"

অনন্ত চৰিত—ভদ্ৰচাৰু।

চতুৰ্ভুজ ঠাকুৰৰ আজ্ঞাপৰ সত্ৰ—
কুৰ্ৱৰী চুঙিয়া বাপু কেশৱ সম্প্ৰতি
থাটপাৰে বৰভক্ত নাতি শঙ্কৰ্গতি॥
সনাতন নাম জানা পুত্ৰ কায়স্থৰ।
বিসমপুৰিয়া মাধ জানিবা আৰৰ॥
পাতকিয়াৰ আৰো জানাহা শ্ৰীৰাম।
ঘৰকটীয়াৰ জয়কৃষ্ণ তান নাম॥
কাৰৈমৰিয়া আৰো গোবিন্দ নামত।
থাৰগঞা বত্নাকৰ জানিবা সাম্প্ৰত॥ ৬৯৭
চেখাৰতলীৰ দ্বিজ গোপীনাথ পুনু।
আউৰ একজনা উজনীয়া কানু।
আধাৰ যত্নমনি পুত্ৰ জগতানন্দন।
নথেতিৰ বাপু তান নাম হৰিচৰ্ণ॥
নাপালিৰ ৰতিকান্ত আৰো ৰায় নাতি।
বনগঞা মাধ কন্তৰিৰ ৰঘুপতি॥
নাচনিপৰিয়া ৰামভদ্ৰ হেন নাম।
শলগুৰিয়াৰ তান্ক বোলয় শ্ৰীৰাম॥
জানা ধুবুলিৰ ৰামচৰণ নামত।
দিগছোঙে সাধু দ্বিজ বোলয় সমস্ত॥
লেতেৰিৰ জানিবাহা হৰিৰ চৰণ।
কৌপতিয়া গ্ৰামে আছে জানা নাৰায়ণ॥ ৭০০
নামত অনন্ত কালশিলিয়া গ্ৰামৰ।
বোলয় নাৰদ নাম জানা দৰঙ্গৰ॥
জয়হৰি নামে আছে মিচিমিনন্দন।
এহি চাৰিবিধ কুৰিজন মহাজন॥ ৭০১
চতুৰ্ভুজদেৱৰ আজ্ঞাক সবে পাই।
সত্ৰসব পাতিয়া আছয় ঠাই ঠাই॥*

অনন্তৰাম চৰিত—ভদ্ৰচাৰু।

কেশৱ আতাই দুইজনা ঠাকুৰক লগ পায় আৰু দুয়োৰোপৰা আজ্ঞা লয়। চতুৰ্ভুজ ঠাকুৰে কেশৱ আতাক "ৰত্নাৱলী" আৰু "ভক্তিমঙ্গল" নামে শাস্ত্ৰ দিয়ে।

শ্ৰীহৰিনাৰায়ণ দত্ত বৰুৱা।

*(১) কুৰ্ৱৰীচুঙৰ কেশৱ আতাক দুয়োজনা ঠাকুৰৰ লগত ধৰে [ বহুত পুথিত ]
(২) এই ২৪ জনৰ ভিতৰৰ ১২ জনা আচাৰ্য্য কনকলতা আয়ে পতা বুলি কয়।

# অসমৰ শিলা-লিপি।

শিলা-লিপি বুৰঞ্জীলিখকৰ প্ৰধান সম্বল। অসম দেশত পৰ্ব্বতৰ গাত, মন্দিৰৰ শিলত, বিশেষ ঘটনা নিৰ্দ্দেশক ঠাইত, ৰৰতোপৰ গাত, চটীয়া তামৰ পাটত ঐতিহাসিক কথাবোৰ লিখা আছে। এই বিবিধ লিপিবোৰৰ পাঠ উদ্ধাৰ কৰি বুৰঞ্জীক সহায় কৰা দিন পৰিছেহি। এই ক্ষুদ্ৰ প্ৰৱন্ধত মুঠতে শিলত লিখা কথাৰহে আলোচনা হব। অসমত শিলালিপি বা শিলৰ ফলিৰ ব্যৱহাৰ আছে। ফলি সংস্কৃত ফলক শব্দৰ পৰা ওলোৱা। ফলক অৰ্থে কাঠৰ পাট; গতিকে শিলৰ ফলি বুলিলে বুজিব লাগিব চেপেটা শিলত লিখা কথা। ইয়াত বাজেও "তামৰ ফলি" আৰু "কাঠৰ ফলি" শব্দ আমি ব্যৱহাৰ কৰোঁ। পুৰণি চামৰ মানুহৰ ঘৰত "ফলি মোহৰ" আছে। ফলি শব্দৰ পৰিবৰ্ত্তে কেতিয়াবা "গন্ধ" শব্দও ব্যৱহাৰ হয়। গন্ধঅৰ্থে পজ্জৰ ওলোটা সুবুজাৰ। ফলিত লিখা কথা পদ হওক বা নহওক "গদ্য" বোলা যায়।

অসমৰ শিলৰ ফলিবোৰক দুইভাগে ভগাব পাৰি। যেনে মন্দিৰৰ গাৰ শিলৰ ফলি আৰু বিবিধ ঠাইৰ শিলৰ ফলি। আকৌ কাল নিৰূপন হিচাবে ধৰিলেও ফলিবোৰক দুই শ্ৰেণীত বিভক্ত কৰিব পাৰি যেনে:—

(১) আহোমৰ যুগৰ আগৰ ফলি।

(২) আহোমৰ যুগৰ ফলি।

আহোমসকল অসম দেশলৈ ত্ৰয়োদশ শতাব্দীত আহে। এই শতিকাৰ আগডোখৰত লিখা ফলিক আহোম যুগৰ আগৰ ফলি, আকৌ আহোম ৰাজত্বত লিখা ফলিক আহোম যুগৰ ফলি বুলিব পাৰি। প্ৰথম বিভাগৰ ফলি বা গন্ধ মুঠতে দুখনহে আজিলৈকে আবিষ্কৃত হৈছে। এখন তেজপুৰ নগৰৰ দুই মাইল ভাটিত এটা পাহাৰৰ গাত আৰু আনখন গুৱাহাটীৰ কাণাই বৰশী বোৱা শিলত। তেজপুৰৰ ফলিখনৰ পাঠ উদ্ধাৰ সম্পূৰ্ণৰূপে হৈ উঠা নাই। তথাপি কৰ্ণেল পি, আৰ, টি, গৰ্ডন চাহাবে অন্যান্য পণ্ডিতৰ সহায়েৰে যিদৰে ইয়াৰ পাঠ উদ্ধাৰ কৰিছে তাৰ বিৱৰণ দিয়া হল:—

"৺ স্বস্তি হৰুপেশ্বৰ পুৰাবস্থিত স্বভূজ বল (মদ) ন গৰ্ব্বিত মহাৰাজাধিৰাজ পৰমেশ্বৰ পৰমভট্টাৰক শ্ৰীহৰ্জ্জৰবৰ্ম দেবস্থ বৰ্দ্ধমান বিজয়ৰাজ্যে মহাসামন্ত সেনাধ্যক্ষ শ্ৰীস্থচিত্ৰস্য অধিকাৰ দিনে কৈবৰ্ত্ত নৌকাকাৰ স্বভাক্ষসাধিনী নৈৰাজ্ঞা তত্ৰ নৌকাজুসি শুল্কব্যৱহাৰ (শচাক্কুত) তত্ৰ নৈৰজ্ঞা তোৰ্ণা তৎপ্ৰবিষ্টঃ সাৰণি স্থচিতগ্ৰাহ দক্ষ ভট্টজিৰ্ভ দিনজি লাহিলীঅন দক্ষদিগ্ধসিদলা কৰবা ইত্যতে বলাধাক্ষা সামন্ত শীলা কটকে বলীয়া পঞ্চকুল শঙ্কৰভট্টপুত্ৰ সোমদেবাদয়:

ভুকতুজিক সীমাকৃত প্ৰাকসলীস কাৰ ভক্ষ ভূমিভাগে পশ্চিমাঃ নবযোশয়াপ্যাঃ প্ৰবৰ ভূমিতাৰৰ পৰ্ব্বত উত্তৰ দ্বহি ব্যাহতাহে স্যাবনঃ কৰোতি তত্ত্ব পঞ্চ বৃত্তিকা গৃহিতব্যমিতি। গুপ্তাব্দ ৫১০"

অৰ্থাৎ এসময়ত জলকৰ দিওঁতা কৈবৰ্ত্ত সম্প্ৰদায় মাজত ব্ৰহ্মপুত্ৰৰ কোন সুঁতিয়েদি নাও যাব পাৰে সেই বিষয় এখন বৰ বিবাদ লাগে। সেই বিবাদ নিতমাও হলত গোচৰৰ বিচাৰ পাহাৰৰ গাত লিপি থোৱা হল। গুপ্তাব্দ ৫১০ (খ্ৰীঃ ৮২৯—৩০)। আসামত শকাব্দহে চলে। এই ফলিখনত কিন্তু গুপ্তাব্দ লিখা আছে আৰু এয়ে ইয়াৰ বিশেষত্ব। আজিলৈকে আবিষ্কৃত হোৱা ফলিৰ ভিতৰত এইখনেই আটাইতকৈ প্ৰাচীন।

কাণাই বৰশী বোৱা শিলৰ গন্ধখনত এইদৰে লিখা আছে

"শাকে তুৰগ যুগ্মেশে মধুমাস ত্ৰয়োদশে"

কামৰূপং সমাগত্য তুৰুস্কাঃ ক্ষয়মাজ্জুঃ।" ১১২৭

অৰ্থাৎ ১১২৭ শকৰ চত মাহৰ ১৩ দিন গোৱাত তুৰুক সৈন্যবিলাক কামৰূপলৈ আহি ক্ষয়প্ৰাপ্ত হল। এই ফলিখনে বক্তিয়াৰ খিলিজিৰ আক্ৰমণ সম্বন্ধে উল্লেখ কৰে আৰু যেয়ে হলে যি বক্তিয়াৰ খিলিজিয়ে আন ঠাইত জয় লাভ কৰিছিল সেই বক্তিয়াৰৰ অসমত পৰাজয় ঘটিছিল। এইখন ১২০৫ খৃষ্টাব্দৰ।

আহোম যুগৰ আগৰ ফলিবোৰৰ ভিতৰত এতিয়া নতুনকৈ আবিষ্কৃত হোৱা সদীয়াৰ শিলৰ খুটাৰ গাত



লিখা ফলিখনো অন্তৰ্ভুক্ত কৰিব পাৰি। এই ফলিৰ পাঠ উদ্ধাৰ সম্পূৰ্ণ ৰূপে হোৱা নাই। এই ফলিৰ ভাষা সংস্কৃত নহয়। শুনা গৈছে ইয়াৰ আখৰবোৰ হেনো থামতী আখৰ। কামৰূপৰ বৰো অঞ্চলত পোৱা আন এখন শিলৰ ফলিও বোধ কৰোঁ আহোম যুগতকৈ আগ হব পাৰে। ৰায় বাহাদুৰ আনন্দচন্দ্ৰ আগৰৱালাৰ অনুগ্ৰহত ফলিখন সম্প্ৰতি কামৰূপ অনুসন্ধান সমিতিৰ গৃহত ৰক্ষিত হৈছে। ইয়াৰ আখৰ অসমীয়া বা সংস্কৃত নহয়। আজিলৈকে ইয়াৰ ভাষাৰ নিৰ্ণয় হোৱা নাই।

আহোম যুগৰ শিলৰ ফলি বহুত। আজিলৈকে মন্দিৰৰ গাত এৰেশখন, পৰ্ব্বতৰ গাত পাঁচখন, পুখুৰী পাৰৰ দুখন আৰু বিশেষ ঘটনা নিৰ্দ্দেশক ঠাইত দুখন ফলি পোৱা গৈছে। এই ফলিবোৰ কোনখন কোন ৰজাৰ দিনৰ তাক তলত দেখুৱা হল:———

| ৰজাৰ নাম | মন্দিৰ বা ঠাইৰ নাম | শকাব্দ |
| --- | --- | --- |
| চুচেংফা | চামধৰা গড়ৰ গন্ধ | ১৫৩৮ |
| চক্ৰধ্বজ সিংহ | বৰফুকনৰ জয়স্তম্ভ | |
| | কাণাই বৰশীবোৱা | |
| | শিলৰ দুখন গন্ধ | ১৫৮৯ |
| গদাধৰ সিংহ | হয়গ্ৰীৱ মাধৱ | ১৬০৮ |
| | উমানন্দ | ১৬১৬ |
| শিৱসিংহ | কামেশ্বৰ | ১৬৪০ |
| | সিদ্ধেশ্বৰ | ১৬৪০ |
| | চণ্ডিকা | ১৬৪৭ |
| | উগ্ৰতাৰা | ১৬৪৭ |
| | উগ্ৰতাৰাৰ পুখুৰী | ১৬৬০ |
| | দৰবাৰ মন্দিৰ | ১৬৬০ |
| | মন্ত্ৰভৱন | ১৬৬০ |
| | চিলাপৰ্ব্বতৰ গন্ধ | ১৬৫৪ |
| | দুৱাৰ গৰিলাৰ গন্ধ | ১৬৫৪ |
| | অশ্বক্ৰান্ত | ১৬৪২ |
| | উমানন্দৰ চলন্তা মূৰ্ত্তি | ১৬৪১ |
| প্ৰমত্ত সিংহ | আম্ৰাতকেশ্বৰ | ১৬৬৬ |
| | শুক্ৰেশ্বৰ | ১৬৯৬ |
| | জনাৰ্দ্দন | ১৬১৬ |
| | ৰাসলীলা | ১৬৭২ |
| | কামাখ্যা (শিলফাট) | ১৬৬৭ |
| | কেদাৰ | ১৬৭৩ |
| | ৰুদ্ৰেশ্বৰ | ১৬৭৪ |
| | নবগ্ৰহ | ১৬৭৫ |
| | বশিষ্ঠাশ্ৰম | ১৬৮৬ |
| | উমানন্দৰ থটখটিৰ পাহাৰৰ গাত | ১৬৮৫ |
| | সিদ্ধেশ্বৰ | ১৬৮৪ |
| লক্ষ্মী সিংহ | বিশ্বেশ্বৰ | ১৬৯১ |
| কমলেশ্বৰ সিংহ | মঙ্গলচণ্ডী | |
| | ৰাধা-কৃষ্ণ | ১৬৭০ |
| | শিৱ | |
| কোচৰাজ | | |
| শ্ৰীশুক্লদেৱ | কামাখ্যা (গুৱাহাটীৰ) | ১৪৮৭ |

শিলৰ ফলিবোৰ সচৰাচৰ সংস্কৃতত লিখা। ওপৰত উল্লেখ কৰা ফলিবোৰৰ ভিতৰত মুঠতে চাৰিখনহে অসমীয়াত লিখা। সংস্কৃতীয়া ফলিবোৰৰ আৰম্ভনতে শ্ৰীৰাম, স্বস্তি বা ওঁ শব্দৰ ব্যৱহাৰ আছে। কিন্তু অসমীয়া ফলিত তেনে শব্দৰ প্ৰয়োগ নাই। চামধৰা গড়ৰ অসমীয়া ফলি যেনে:—

"শ্ৰীভণ্ডাৰি গোসাঁই। লাঙ্গিপো গোসাঁই। বড় ফুকন নায়সলিয়াৰাই। চামধৰা সিমা কৰি হাকণি দাক-ণিলৈ গড়; শক ১৫৩৮।

শ্ৰীশ্ৰীস্বৰ্গনাৰায়ণৰ জয়জয়। শ্ৰীকুলুভ গোসাই। শ্ৰীকুলতা গোসাই। শ্ৰীজদু বৰুৱা জয় হল।"

সংস্কৃতীয়া ফলিবোৰত ৰজাৰ নামৰ আগত দীঘলীয়া বিশেষণযুক্ত পদৰ আড়ম্বৰ বেচি। তলত কেইটিমান উদাহৰণ দিয়া গল:—

গদাধৰ সিংহৰ নামৰ আগত—৺স্বস্তি প্ৰচণ্ড *.........

গদাধৰ সিংহ অৰ্থাৎ যাৰ ৰাজদণ্ড প্ৰচণ্ড প্ৰতাপযুক্ত,

* ৺স্বস্তি প্ৰচণ্ড দোৰ্দ্দণ্ড কলিতদণ্ডকোদণ্ড খিণ্ডকাণ্ড খণ্ডিতো দণ্ড বৈৰিচয় মুণ্ডাশেষ সামন্ত চক্ৰচূড়ামণি মৰীচ মঞ্জৰি বিৰাজিত চৰণ কমল হৰহাৰ হিমহীৰ হিণ্ডীৰ পিণ্ড পাণ্ডুৰিত যশোৰাশি পৰিপুৰিতাঙ্গ বঙ্গ কলিঙ্গ ত্ৰৈলঙ্গ সৌৰাষ্ট্ৰ মগধাদ্যশেষ দেশবিশেষ কৃপাকুপ্য

যাৰ ধেনুৰপৰা ওলোৱা শৰেৰে তেওঁৰ উদণ্ড শত্ৰুবিলাকৰ মূৰ খণ্ড খণ্ড হৈছিল, যিজনৰ চৰণপদ্ম তেওঁৰ তলতীয়া ৰজাবিলাকৰ শিৰৰ মুকুট মণিৰ ৰশ্মিসমূহদ্বাৰা বিৰাজিত হৈছিল; যাৰ যশোৰাশি হৰৰ হাৰৰ নিচিনা, ৰবক চপৰাৰ দৰে বা হীৰাডোখৰৰ দৰে বা ফেন সোপাৰ দৰে বগা আৰু অঙ্গ, বঙ্গ, কলিঙ্গ, ত্ৰৈলঙ্গ, সৌৰাষ্ট্ৰ, মগধ আদি দেশত যাৰ যশ বিয়পি পৰিছিল; যিজনে নানা উৎসৱত মণিবস্ত্ৰ, সোণ, ৰূপ আদি দান কৰি সন্তোষ পাইছিল, যিজন সৌন্দৰ্য্য, গাম্ভীৰ্য্য, মৰ্য্যদা, ন্যায়, আচাৰ, বিচাৰ, দাক্ষিণ্য আৰু দক্ষতা গুণেৰে ধনী আছিল, যিজন ক্ষমা গুণত অগাধ আছিল, যিজনে ইন্দ্ৰবংশত জন্ম গ্ৰহণ কৰিছিল আৰু যিজন মহাদেৱৰ চৰণপদ্মৰ ভোমোৰাৰ নিচিনা আছিল, সেয়ে সৌমাৰেশ্বৰ শ্ৰীশ্ৰীযুত গদাধৰসিংহ স্বৰ্গদেৱ।

শিৱ সিংহৰ নামৰ আগত ৺স্বস্তিশ্ৰি সমস্ত(ক)......... সিংহ, অৰ্থাৎ যাৰ চৰণযুগল সকলোবিলাক সামন্ত ৰজাৰ মুকুট মণিৰ কিৰণ আলোৰে সুশোভিত, যাৰ শৰীৰৰ সৌন্দৰ্য্যই কামদেৱৰ দৰ্পক দলন কৰিছে, যাৰ প্ৰবল প্ৰতাপ স্বৰূপ অগ্নি দিগদন্তালবিলাকৰ কাণ লৰোৱা বতাহত প্ৰজ্জলিত হৈছে, যাৰ নানাবিধ দানৰ খিতাপ দেখি কল্পতৰুয়েও লাজ পাইছে, যাৰ ধেনুৰপৰা ভয়ানক শব্দেৰে ওলোৱা শৰবিলাকে প্ৰবল শত্ৰুবিলাকৰ গাত পৰি থকা সৰকা কৰে, যাৰ অখণ্ডিত যশোৰাশি সদাশিৱৰ গোট মাৰি হোৱা কৈলাশ কান্তিৰ নিচিনা ধবল, যাৰ ঐশ্বৰ্য্যৰ অংশ মাত্ৰই গোটেইখন ব্ৰহ্মাণ্ডক আবৰিব পাৰে, যি গাম্ভীৰ্য্য উদাৰতা দয়া আৰু নীতি আদি ৰত্নবিলাকৰ সাগৰ স্বৰূপ ইন্দ্ৰবংশত জন্ম গ্ৰহণ কৰিছে সেয়ে স্বৰ্গদেৱ শ্ৰীশ্ৰীনৎ শিৱসিংহ।

কোচৰাজ শ্ৰীযুত মল্লদেৱৰ আগত :—

লোকানুগ্ৰহ কাৰকঃ করুণয়া পাৰ্থো (খ)......... অৰ্থাৎ, যিজন করুণা বিতৰণত সূৰ্য্যৰ নিচিনা, ধনুৰ্বিদ্যা অৰ্জ্জুনৰ নিচিনা, দান কৰাত দধীচি আৰু কৰ্ণৰ নিচি মৰ্য্যাদাত সাগৰৰ নিচিনা; নানা শাস্ত্ৰ আলোচনাৰে চৰিত্ৰ সুন্দৰ হৈছে, যাৰ উজ্জ্বল ৰূপ কন্দৰ্পৰ নিচি যি কামাখ্যাৰ চৰণ সেৱক, সেয়ে শ্ৰীমল্লদেৱ ৰজা।

এনেকৈ প্ৰত্যেক জন ৰজাৰ আগত ব্যৱহৃত হোৱা বি বিশেষণযুক্ত বাক্যৰ কথা বহুত উল্লেখ কৰিব পাৰি।

অসমৰ ফলিবোৰত সদাই শকাব্দহে ব্যৱহাৰ হৈছি আৰু এই শকাব্দ সাধাৰণতঃ গদ্যৰ অন্তত থাকে। কেতিয়াবা এই শকাব্দ সংখ্যা বা অ নিলিখি কথাত লিখা থাকে যেনে:—ৰসক্ষমাতৰ্ক সংখ্যা শাকে। গগনগুণ গুণেন্দু শাকে, ইত্যাদি।

শিলৰ ফলিবোৰৰ চাৰিও কাষে এডাল ধুনী লতা কটা থাকে। আখৰবোৰ কোনোখন গছত কটা আৰু কোনোখনত ওখকৈ কটা। শেষৰ বি আখৰবোৰ সুন্দৰ কিন্তু সহজে এৰাই যোৱা সম্ভাৱনা। এই ফলিবোৰে বুৰঞ্জীৰ যেনেকৈ সহল তেনেকৈ অসমীয়া বৰ্ণমালাৰ গঢ় গতিও পৰিপাটি দেখুৱায়। খ্ৰীষ্টিয় নৱম শতাব্দীৰপৰা অসমীয়া আখ গঢ় পুথিত বাজেও ফলিবোৰৰ পৰা স্পষ্টকৈ দেখুৱা পাৰি। আজিলৈকে আৱিষ্কৃত হোৱা শিলৰ ফলিবো কেইটামান মূঠ মূঠ কথা লৈ মাথোন এই প্ৰবন্ধ যুগু কৰা হল। ইয়াৰ বিশদ আলোচনা কৰিলে এখন সুকী কিতাপ হব পাৰে। আশা কৰোঁ এই প্ৰবন্ধৰ বুৰঞ্জী তথ্যপ্ৰিয় লোকৰ দ্বাৰা আৰু বিস্তাৰিত ভাবে আলোচ হব।

শ্ৰীসৰ্ব্বেশ্বৰ শৰ্ম্মা কটকী।

---

কিতৰণ সন্তোষিত ভূশপৰ্ক সৌন্দৰ্য্য গাম্ভীৰ্য্য মৰ্য্যাদাংশ্য। মৰ্য্যাদাদয়া নয়াচাৰ বিচাৰ দাক্ষিণ্য দক্ষতাদ্য ক্ষমাগুণগ্ৰামাস্তিৰাম শত্ৰুবংশাৰক ঈশানপংবৰিন্দ মকৰন্দ মধুকৰ সৌমাৰেশ্বৰ শ্ৰীশ্ৰীনৎ গদাধৰ সিংহ।

(ক) স্বস্তি শ্ৰীসমস্ত সামন্ত চক্ৰচূড়ামণি মৰীচিমঞ্জৰীৰাজি ৰাজিত পদপল্লৱ কন্দৰ্প দৰ্পদলন কলেৱৰ দিগদন্তাৱলী ৱলীকৰ্ণ তালবাল মৰুদ্বীৰ প্ৰবল প্ৰতাপানল বিবিধ দান সন্তান বিনন্দিত কল্পাদপ জ্যাঘোষঘোৰজনিত শৰকুলিশসম্পাত জৰ্জ্জৰিতাৰিবৰকলেৱৰ হৰহাস কৈলাশকাশধৱল পৰি পাণ্ডুৰাপণ্ডযশ শ্ৰীপণ্ড মণ্ডিত ব্ৰহ্মাণ্ডভাণ্ড গাম্ভীৰ্য্যোদাৰ্য্য মৰ্য্যাদাদয়ানিচয়ৰত্নৰত্নাকৰ শত্ৰুবংশাৱতংস সৌমাৰেশ্বৰ স্বৰ্গদেৱ শ্ৰীশ্ৰীনৎশিৱসিংহ।

(খ) লোকানুগ্ৰহকাৰকঃ করুণয়া পাৰ্থো ধনুৰ্বিদ্যয়া দানেনাপি দধীচি কৰ্ণ সদৃশো মৰ্য্যাদয়াম্ভোনিধিঃ নানা শাস্ত্ৰ বিচাৰ চাৰুচৰিতঃ কন্দৰ্পৰূপোজ্জলঃ কামাখ্যাচৰণাৰ্চ্চকো শ্ৰীমল্লদেৱ নৃপঃ।

# সাহিত্য সম্বাদ।

"বাঁহী" আকৌ ওলাল। এই বাবে আমি অতিশয় সন্তোষ পাইছো আৰু এই সম্বাদ শুনি আমাৰ পাঠক পাঠিকসকলেও নিশ্চয় নথৈ আনন্দ পাব। সম্পাদক, সেই আগৰ আমাৰ শ্ৰদ্ধাভাজন শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা ডাঙৰীয়াই। "বাঁহী" এইবাৰ গুৱাহাটীৰপৰা ওলাইছে। তাহানিৰ "জোনাকী"ৰ কেউজন ঘাই গুৰিয়াল সম্প্ৰতি গুৱাহাটীতে গোট খাইছে বুলি শুনি, আমি "বাঁহী"ৰ মাহেন্দ্ৰযোগ মিলিছে বুলি ভাবিছো। সেই বাবে আৰু তাৰ উপৰিও, ঘৰতে চাপি অহা বাবে, এইবাৰ "বাঁহী"ৰ মাত যে আমি আগতকৈও সুমধুৰ, সুস্পষ্ট আৰু স্থায়ী ৰূপে শুনিবলৈ পাম, ই বোধ কৰোঁ থিৰাং। আমি "বাঁহী"ৰ দীৰ্ঘ জীৱন কামনা কৰিছো। "বাঁহী"য়ে যেন সদায় আমাৰ সাহিত্যৰ মুখ উজ্জ্বল কৰি থাকে—এয়ে আমাৰ অভিলাষ। আমি "বাঁহী"ক আমাৰ আন্তৰিক প্ৰীতিপূৰ্ণ সমাদৰ জনাইছো।

* * * * *

"হেম-কোষ"ৰ দ্বিতীয় তাঙৰণ ছপাবলৈ কলিকতাৰ ছাপাখানা এখনক দিয়া হৈছে বুলি শুনি আমি বং পাইছো। এই তাঙৰণ ইয়াৰ বহুত আগেয়েই ছপাব লাগিছিল; কাৰণ, আগৰ তাঙৰণৰ কিতাপ কেতিয়াবাই ফুৰাল। বিদেশত ছপা কৰিবলৈ দিয়া বাবে, কিতাপ খনত বহুত ভুল থাকিব বুলিহে আমি আশঙ্কা কৰিছো। আজি কালি আমাৰ দেশতে, গুৱাহাটী, যোৰহাট আৰু ডিব্ৰুগড়ত, কলিকতাৰ দৰেই কেবাখনো ভাল ভাল ছাপাখানা হৈছে। তাৰ দৰো প্ৰায় কলিকতাৰ দৰেই। এইবিলাকৰে কোনোবা এখনত ছপোৱা হ'লে, কামৰো সুবিধা হলহেতেন আৰু অসমীয়াৰ ধনো অসমতে থাকিল হেতেন বুলি অনুমান কৰোঁ। বাৰু যি হ'ল, হ'ল, এতিয়াও যাতে কিতাপখনি ভুল নথকাকৈ ছপা হয়, তাৰ বাবে, আমি সত্বাধিকাৰীক অনুৰোধ কৰিছো। "হেম কোষ"ৰ প্ৰথম তাঙৰণত, অৰ্থ লিখোঁতে ঠায়ে ঠায়ে কিছু বৰ্ণাশুদ্ধি দোষ ৰৈ গ'ল। আৰু বহুত শব্দ এৰা পৰি গ'ল। তাৰ উপৰিও দুই এঠাইত অৰ্থতো ভুল আছে; "তৰ্দ্ধনি" শব্দৰ যি অৰ্থ লিখা আছে, সেয়ে তাৰ প্ৰমাণ। আমি সত্বাধিকাৰী ডাঙৰীয়াক এইবিলাক আসোঁৱাহবোৰ ভালকৈ কাণ কৰিবলৈ খাটিলোঁ।

* * * *

আমাৰ শ্ৰদ্ধাভাজন যোৰহাটৰ শ্ৰীযুত বুদ্ধীশ্ৰনাথ ভট্টাচাৰ্য্য ডাঙৰীয়াই আজি বহু বছৰৰ আগেয়েই, ইংৰাজীৰ পৰা অসমীয়া আৰু ইংৰাজীলৈ এখন ডাঙৰ অভিধান লিখি থৈছিল। সম্প্ৰতি এই অভিধানখনি ককিলামুখৰ শান্তি আশ্ৰমৰ যোগমায়া ছাপাখানাত ছপাবলৈ ধৰা হৈছে বুলি আমি শুনিছো। এই অভিধানখনি ছপা হৈ ওলোৱা দেখিলে আমি অতি সন্তোষ পাম। ইয়াৰপৰা এটা ডাঙৰ অভাৱ পূৰণ হব বুলি আমি আশা কৰিছো।

* * * *

আমাৰ ডেকা বন্ধু গুৱাহাটীৰ শ্ৰীযুত সৰ্ব্বেশ্বৰ শৰ্ম্মা কটকীয়ে লিখা ৺হেমচন্দ্ৰ বৰুৱা ডাঙৰীয়াৰ এখনি জীৱন চৰিত ছপা হৈ ওলাইছে। এই কিতাপখনি পাই আমি বৰ বং পাইছো। কটকীদেৱ আমাৰ এজন উঠি অহা লিখাৰু। অনুসন্ধান কাৰ্য্যত আৰু সাহিত্য ক্ষেত্ৰত এখেতে ভাল ৰুচিৰ পৰিচয় দিছে। ৺সত্যনাথ বৰা ডাঙৰীয়াৰো এখনি জীৱনচৰিত এখেতে লিখিবলৈ ধৰিছে বুলি শুনি আমি নথৈ সন্তোষ পাইছো; এইখনি কিতাপো সোনকালে ওলাব বুলি আমি আশা কৰিছো।

* * * *

আমাৰ আন এজন ডেকা বন্ধু ডিব্ৰুগড়ৰ শ্ৰীযুত কণকনাথ শৰ্ম্মাই চলোৱা আৰু সম্পাদন কৰা "পশুপালন" বোলা মাহেকীয়া কাকতখন দেখিও আমি বৰ সন্তোষ পাইছো। এখেত নিজে এজন পশুচিকিৎসক। এতেকে, সৰ্ব্বসাধাৰণৰ অলপ সহানুভূতি পালে, সময়ত এই কাকত আৰু অনেক গুণে উন্নত হ'ব। আমাৰ দেশত এই শ্ৰেণীৰ এখন কাকতৰ যে বৰ প্ৰয়োজন আছে, তাক কোনেও দুই কৰিব নোৱাৰে। আমাৰ মানুহে গৰু ম'হ কেনেকৈ প্ৰতিপাল কৰিব লাগে তাক নেজানে। তাৰ ফলত আমাৰ দেশৰ গৰু-ম'হৰ অৱস্থা অতি শোকলগা হৈছে। অসমীয়া ম'হ বোলা বস্তুটো প্ৰায় লোপ হল। বলদ আৰু গাই গৰুৰ অৱস্থা ইমান বেয়া আৰু গোট ইমান সৰু হৈছে যে, বলদেৰে গাড়ী টনা যি নচলেই, হাল বোৱাও নচলা হৈছে, আৰু গাই গৰুৰ আধেৰ গাখীৰো পাবলৈ নাইকিয়া হৈছে। সেই দেখি এনে সময়ত এই কাকতখনি প্ৰচাৰ কৰাটো বৰ যুগুত হৈছে। সম্প্ৰতি ইয়াৰ দুবছৰ পূৰ হৈ তৃতীয় বছৰ চলিছে। শৰ্ম্মাদেৱে এইবাৰ আৰু ধন-বিত গোটাই কাকতখনিৰ গুৰি শকত কৰিবলৈ যত্ন কৰিছে। এই কাকতৰ আমি প্ৰচাৰ সৰহ হবলৈ কামনা কৰিছো। বিশেষকৈ গাৱঁলীয়া মানুহৰ ভিতৰত ইয়াক দিমানে পৰা যায় সৰহকৈ প্ৰচাৰ কৰিবলৈ যেন শৰ্ম্মাদেৱে যত্ন কৰে।

# শোকৰ বাতৰি।

আমাৰ পৰম শ্ৰদ্ধাভাজন, ডুণীয়া অসম দেশৰ তাকৰীয়া সাহিত্যিকসকলৰ এগৰাকী থাই গুৰিয়াল, সুলিখক, সাহিত্যৰথী, প্ৰত্নতত্ত্ববিদ্ পণ্ডিত হেমচন্দ্ৰ গোস্বামী আৰু ইহ জগতত নাই। যোৱা ২ মে তাৰিখে দিনৰ প্ৰায় ১১ মান বজাত গুৱাহাটীত তেখেত হানি পৰিল। এই সম্বাদ শুনি আমি অতিশয় মৰ্ম্মাহত হৈছোঁ। এই দুৰ্ঘটনা অসমীয়া সাহিত্য জগতত এক ভীষণ বজ্ৰপাত। অসমীয়া সাহিত্যৰ ওপৰত পৰমেশ্বৰৰ কি শাওপাত পৰিছে আমি ক'ব নোৱাৰোঁ। সত্যনাথ বৰাৰ বাবে চকুৰ পানী নো শুকাওতেই আজি আকৌ আমি হেমচন্দ্ৰ গোস্বামীৰ বাবে কান্দিব লগাত পৰিলোঁ। হেমচন্দ্ৰ বৰুৱাৰ দিনৰেপৰা আজিলৈকে যিসকল সাহিত্যিক গৈছে, তেওঁলোকৰ ঠাই পূৰ কৰিবলৈ আৰু মানুহ ওলোৱা নাই। হেমচন্দ্ৰ গোস্বামীয়ে উদং কৰি থৈ যোৱা ঠাই পূৰাবলৈকো সোনকালে কোনোবা ওলোৱাৰ আমি আগন্তুক দেখা নাই। এই বাবে আমি আৰু বিমৰ্ষ হৈছোঁ।

গোস্বামী দেৱৰ সাহিত্যিক জীৱনৰ আমি আজি বিৱৰণ লিখিবলৈ ধৰা নাই। তেওঁতে অসমীয়া সাহিত্যৰ হিতাৰ্থে কি কৰিলে, তাক অসমীয়া সাহিত্যত ৰুচি থকা সকলো লোকেই কিছু নহয় কিছু জানে। সেই সম্পৰ্কে সম্প্ৰতি অকল ইমানকে কলেই যথেষ্ট হব যে, হেমচন্দ্ৰ গোস্বামী এগৰাকী প্ৰথম শ্ৰেণীৰ সুলিখক; হেমচন্দ্ৰ গোস্বামীয়ে ছাত্ৰ জীৱনৰপৰা মৰণৰ দিনলৈকে তেখেতৰ সকলো সামৰ্থ্যেৰে সাহিত্য সেৱা কৰিলে; পুৰণি তথ্য অনুসন্ধানত আৰু পুৰণি পুথি সংগ্ৰহত, হেমচন্দ্ৰ গোস্বামীয়েই অসমীয়াৰ ভিতৰত প্ৰথম, এই বিষয়ত তেখেতৰ সমকক্ষ আজি অসম দেশত কোনো নাই; আৰু হেমচন্দ্ৰ বৰুৱাই সম্পূৰ্ণকৈ লিখি থৈ গৈছিল যদিও, হেমচন্দ্ৰ গোস্বামী নথকা হলে, অসমীয়াই ঘোৰ আন্ধাৰত বস্তি স্বৰূপে বাট দেখুৱাবলৈ "হেমকোষ" নেপালেহেতেন। হেমচন্দ্ৰ বৰুৱা ডাঙৰীয়াৰ পাচৰ সাহিত্যিক সকলৰ ভিতৰত হেমচন্দ্ৰ গোস্বামীয়ে এখনি অতি ওখ ঠাই অধিকাৰ কৰিছে।

হেমচন্দ্ৰ গোস্বামীৰ সমসাময়িক আৰু সহকৰ্ম্মী শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা, শ্ৰীযুত পদ্মনাথ বৰুৱা আৰু শ্ৰীযুত চন্দ্ৰকুমাৰ আগৰৱালা। আগৰৱালা ডাঙৰীয়াই, ই দুগৰাকীৰপৰা পোৱাৰ সমান সাহিত্য সম্পদৰপৰা আমাক বঞ্চিত কৰি থৈছে হয়; তথাপি অকল সুৰুচিৰ বাবেই তেখেত সুবিখ্যাত আৰু তেখেত সকলৰ সমকক্ষ। আজি কালি অসমীয়া সাহিত্যিকসকলক বাট দেখুৱাবলৈ, তেওঁলোকৰ কোনো কথাত সন্দেহ হলে, একেষাৰ সুধিবলৈ বা বিবাদ হলে তাক ভাঙিবলৈ, এখেতসকলৰ বাহিৰে এতিয়া আৰু কোনো নাই। জগদীশ্বৰে এখেতসকলক আমাৰ মূৰৰ চুলিৰ সমান আয়ুস দিয়ক।

হেমচন্দ্ৰ গোস্বামীয়ে বি এ শ্ৰেণীত তাহানিৰ "বি ক'চ" (B Course) লৈছিল; তাত সংস্কৃতৰ নাম গোন্ধো নাই; ছাত্ৰজীৱনৰ প্যাচতো তেখেতে সংস্কৃতৰ কিবা বিশেষ চৰ্চ্চা কৰিছিল বুলি আমি নেজানো। ইয়াকে দেখি, আমাৰ শিক্ষিত ডেকাসকল সাহিত্য ক্ষেত্ৰলৈ আগ বাঢ়ক। সংস্কৃত নাজানো বুলি বহি থাকিলে নহব। আৰু অলপ দিনৰ পাচতে আমাৰ সাহিত্যৰ সকলো ভাৰ অকল তেওঁলোকৰ মূৰতে পৰিব। তেওঁলোকে তেতিয়াও এতিয়াৰ দৰেই হাত সাবটি বহি থাকিলে, তেওঁলোকৰ হাততে আমাৰ সাহিত্যৰ কাঠ-সংস্কাৰ হ'ব। সেই অখ্যাতি ইতিহাসত থৈ যোৱাটো তেওঁলোকৰ প্ৰীতিকৰ হব নে?

গোস্বামী দেৱৰ বয়স, বোধ কৰো, ৬০ বছৰৰ কমতে আছিল। তেখেতৰ শেষ বয়স বৰ অশান্তিত গল। কিছু দিনৰ আগৰে পৰা তেখেতৰ বহুমূত্ৰ ব্যাধি হৈছিল। আজি অলপ দিনৰ আগতে তেখেতে বৰ পুতেকৰ মৃত্যু-শোক ভুগিলে; তাৰ অলপ পাচতে তেখেতৰ মাতৃ-বিয়োগ ঘটিল। এতিয়া যেন ঈশ্বৰে তেখেতৰ আত্মাক শান্তি দিয়ে, আমি ইয়াকে কামনা কৰিছোঁ।

গোস্বামীদেৱৰ পৰিবাৰবৰ্গক আমি আন্তৰিক সমবেদনা জনাইছোঁ। হেমচন্দ্ৰ গোস্বামীৰ আত্মাৰ সদ্গতি হওক, তেখেতৰ নাম আমাৰ বুৰঞ্জীত অক্ষয় আটুট হৈ থাওক, আৰু তেখেত আকৌ আমাৰ দেশতে উপজি আৰু শতগুণে আমাৰ সাহিত্যৰ উন্নতি কৰিবলৈ সমৰ্থ হওক।



দক্ষিণপাট সত্ৰৰ ভূতপূৰ্ব্ব অধিকাৰ

## পূজ্যপাদ ৺নৰদেৱ গোস্বামী।

এখেতেই আসাম সাহিত্য সভাত নৰদেৱ ট্ৰাষ্ট্ ফণ্ডৰ প্ৰতিষ্ঠাতা।

দৰ্পণ প্ৰেচ, যোৰহাট।